(খ) গান্ধীনগৰ ছোৱালী হাইস্কুলৰ পৰা ১৯৯২ চনত ৪ জনী, ১৯৯৩ চনত ১৪ জনী আৰু ১৯৯৪ চনত ৪ জনী ছাত্রীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছিল ইয়াৰ ভিতৰত ১৯৯৩ চনত মাত্র এজনী ছাত্রীয়ে উক্ত পৰীক্ষাত পাছ কৰে। ১৯৯২ আৰু ১৯৯৪ চনত কোনো পৰীক্ষার্থী পাছ কৰা নাই।

(গ) গান্ধী নগৰ ছোৱালী হাইস্কুলত ১০ জনী শিক্ষয়ত্রী আৰু এজন শিক্ষক আছে।

বিষয় : জৰাজির্ণ কাঠৰ দলং।

শ্রীহিতেন্দ্র নাথ গোস্বামী য়ে সুধিছে :

৩২৬। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) যোৰহাটৰ জগন্নাথ বৰুৱা পথৰ ওপৰত বাননিয়ন্ত্রণ বিভাগৰ অধীনস্থ সটাইবন্ধা-টোকলাই জানৰ ওপৰত থকা কাঠৰ দলংখনৰ জৰাজির্ণ অৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) এই বিষয়ে যোৰহাটৰ বাননিয়ন্ত্রণ বিভাগৰ কার্য্যবাহী অভিযন্তালৈ বালি-গাওঁ আঞ্চলিক ছাত্র সন্থাই ২৮।১।৯৫ তাৰিখে দিয়া স্মাৰক পত্রৰ ওপৰত কি ব্যৱস্থা যোৰহাট কার্য্যালয়ে গ্রহণ কৰিছে ?

(গ) দলংখন চলিত বছৰৰ এপ্ৰিল মাহৰ ভিতৰতে মেৰামতি কৰি সাঙ্গাৰ্য্য হব পৰা দুৰ্ঘটনাৰ পৰা যাত্ৰীসকল ৰক্ষা কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ নিশ্চিত প্ৰতিশ্ৰুতি দিবনে, যদি নিদিয়ে কেতিয়াকৈ দলংখনৰ মেৰামতি সম্পূৰ্ণ হব ?

শ্ৰীহবেণ ভূমিজ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় অৱগত।

(খ) ইতিমধ্যে দলংখনৰ মেৰামতিৰ ব্যৱস্থা কৰা হৈছে।

(গ) বৰ্ত্তমানে উক্ত দলংখনৰ মেৰামতিৰ কাম বিভাগীয় তদাৰকিত ক্ষীপ্ৰগতিত চলি আছে আৰু অলপতে এই কাম সম্পূৰ্ণ কৰিব পৰা যাব।

বিষয় : দুগ্ধ প্লাৱন নীতি।

শ্ৰীমহেন্দ্ৰ বড়াই সুধিছে :

৩২৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত দুগ্ধ প্লাৱন সম্পৰ্কে চৰকাৰে কি নীতি গ্ৰহণ কৰিছে আৰু ইয়াৰ পৰা কৃষক সকলে কিবা লাভবান হৈছেনে ?

এই সম্পৰ্কত অসমত 'আনন্দ পেটাৰ্ন' সমবায় সমিতি কেইখন গঠন কৰা হৈছে আৰু এই বিলাক কাৰ্য্যকৰিবনে ?

(খ) এই সমবায় সমিতি কেইখনৰ নাম, কাৰ্য্য বিৱৰণ, উৎপাদন আৰু আয় কিমান ?

(গ) এই সমবায় ব্যক্তিখন্দক দিয়াৰ কিবা আঁচনি আছেনে ?

শ্ৰীনগেন নেওঁগ (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) অসমত দুগ্ধ প্লাৱন আঁচনিৰ দ্বিতীয় আৰু তৃতীয় পৰ্য্যায় ক্ৰমে ৰাষ্ট্ৰীয় দুগ্ধ বিকাশ বৰ্ডৰ কাৰ্য্যকৰী আৰু আৰ্থিক ঋণ সাহায্যৰে ১৯৭৯ চনৰ পৰা ১৯৮২ চনলৈকে—

(১) কাছাৰ আৰু কৰিমগঞ্জ জিলা দুগ্ধ উৎপাদক সমবায় সমিতি লিমিটেড।

(২) পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সমিতি লিমিটেড আৰু

(৩) পূব অসম দুগ্ধ সমবায় সমিতি লিমিটেড নামেবে তিনিখন সমবায় সমিতি গঠন কবা হৈছে। এই সমিতি কেইখন আনন্দব আহিত গঠিত হৈছে। তাবোবৰি শেষব দুখন সমবায় সমিতিব পশু খাদ্য প্রকল্প গঠন কবা হৈছে।

উপবোক্ত তিনিখন সমবায়ব দ্বাবা কৃষকসকলক আশানুবোপ ভাবে উপকৃত হোৱা নাই। বর্ত্তমান এই দুগ্ধ প্লাবন আচনিব অধিনত যিমান বিলাক প্রাথমিক সমবায় গঠন কবা হৈছে তাব অন্তর্গত গোপালক বাইজক এটা দৈনন্দিন উচিত মূল্যত গাখীব বিক্রি কবাব সুবিধা প্রদানব চেষ্টা চলাই থকা হৈছে যাতে গোপালক সকলে উচিত মূল্য পাব পাবে।

(খ) সমবায় কেইখনব নাম যথাক্রমে—

(১) কাছাব আৰু কবিমগঞ্জ জিলা দুগ্ধ উৎপাদক সমবায় সমিতি লিমিটেড।

(২) পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সমিতি লিমিটেড।

(৩) পূব অসম দুগ্ধ সমবায় সমিতি লিমিটেড। উক্ত সমবায় সমূহব কার্য্য বিবৰণ, উৎপাদন আৰু আয়ব সবিশেষ ইয়াব লগত গাঠি দিয়া হল।

(১) কাছাব আৰু কবিমগঞ্জ জিলা দুগ্ধ উৎপাদক সমবায় সমিতি লিমিটেড শিলচব—এই সমবায়ব অধিনত (১০০) এশখন প্রাথমিক দুগ্ধ সমবায় সমিতি আছে। আমি পোৱা তথ্যমতে এই সমিতিখনে এতিয়ালৈকে আশানুবোপ ব্যবসায় কবিব পবা নাই আৰু সেয়ে ৩৭,৭৩০'৯৪ টকা লোকচান ভবিছে।

(২) পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সমিতি লিমিটেড—গুৱাহাটী এই সমবায় খনব অধীনত এশ বাইশ (১২২) খন প্রাথমিক দুগ্ধ সমবায় সমিতি আছে। এই সমবায় খনে গাখীব সংগ্রহ কবি দুগ্ধজাত সামগ্রী প্রস্তুত কবে, যেনে—গাখীব ক্রীম, ঘি, পনিব আদি উৎপাদিত কবাব উপবিও পূৰবী দানা নামেবে পশুখাদ্য উৎপাদন কবে। উল্লেখযোগ্য যে ১৯৯২-১৯৯৩ বছবটোত পবীক্ষিত হিচাব মর্ম্মে এই সমিতিখনব প্রকৃত লোকচানব পবিমাণ মুঠ ৭১,৪৮৩·০০ টকা।

(৩) পূব অসম দুগ্ধ উৎপাদক সমবায় সমিতি লিমিটেড, যোৰহাট :—
পূব অসম দুগ্ধ সমবায় সমিতি লিমিটেডৰ অধীনত ১২৩ খন প্ৰাথমিক দুগ্ধ সমবায় সমিতি আছে—১৯৮৩ চনত এই সমিতিৰ যোগেদি চৰকাৰে যোৰহাটৰ কলীয়াপানীত এটা গো খাদ্য প্ৰকল্পৰ নিৰ্ম্মাণৰ কাম হাতত লয়। এই কাম ৮০% শেষ হয় আৰু বাকী অংশ টকাৰ অভাৱত কাৰ্য্যকৰী হোৱা নাই। এই সমিতিখনৰ সৰ্ব্বমূঠ লোকচান হৈছে ১,২৩,৩০,৩২৯·৫৩ টকা।

(গ) তেনে কোনো আঁচনি নাই।

Re: **Re-modelling of Golly Control Project.**

Shri Karendra Basumatary asked. 328, will the Minister of Soil Conservation be pleased to State :

(a) When the implementation process of the re-modelling of Golly Control Project at Darogakhat (Ahomkhat) under the Tokan kata Range Office of Soil Conservation in the District of Darrang would be started ?

শ্ৰী বছিদুল হকে ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে :

ডাৰোগাখাটা উল্টাখন্দা আঁচনি, দৰং জিলাৰ অন্তৰ্গত ডাৰোগাখাটা উল্টাখন্দা নিয়ন্ত্ৰন প্ৰকল্পটো ১৯৯৫·৯৬ বৰ্ষৰ ভিতৰত আৰম্ভ কৰা হব, যদিহে বড়োলেন্দ স্বায়ত্ব শাসিত পৰিষদৰ পৰা ধন আৱণ্টন পোৱা যায়

বিষয় : মহিলা সমবায় সমিতি।

শ্ৰী নিজামুদ্দিন খানে সুধিছে।

৩২৯ মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কিমান মহিলা বহুমুখী সমবায় সমিতি আছে ?

(খ) এই মহিলা সমবায় সমিতি সমূহৰ সম্পাদিকা সকলক মাহিলী ভাট্টা দিয়াৰ ব্যৱস্থা আছেনে ?

(গ) যদি আছে কিমান কৈ ?

(ঘ) মহিলা সমবায় সমিতিব যোগেদি কি ধবণে সাধাবণ মহিলাক সহায় কবি থকা হৈছে ?

শ্রী নগেন নেঙগ (সমবায় বিভাগব মন্ত্রী) য়ে উত্তব দিছে :

(ক) ২৪৮৬ খন।

(খ) এই সমবায় সমিতি সমুহব সম্পাদিকা সকলক মাহিলী ভাট্টা দিয়াব কোনো চবকাবী ব্যবস্থা নাই।

(গ) প্রশ্ন ওঠে। কিন্তু সমিতিব উপবিধি অনুসবি পাচঁশ টকাকৈ ভাট্টা দিয়াব ব্যবস্থা আছে।

(ঘ) গাওঁ পঞ্চায়ত পর্য্যায়ব বহুমূখী মহিলা সমবায় সমিতিব বিভিন্ন অাঁচনিব জবিয়তে গাওঁব সাধাবণ মহিলা সকলব সৃষ্টিশীল প্রতিভা জগাই আর্থিক দিশ টনকিয়াল কবিবলৈ যত্ন কবা হৈছে।

Re : Electrified Villages at Katigora Constituency.

Shri Kali Ranjan Deb, asked :

330. Will the Minister of Power (Electricity) be pleased to state :

(a) Till now how many villages of Katigara Constituency in Cachar district have been electrified and supply of electricity commenced regularly ?

(b) How many villages of Katigora Constituency are yet to be coverd under Rural Electrification Scheme ?

(c) Whether Government has any contemplation to bring all those uncovered villages ot Kdtigora under Rural Electrification Scheme immediately ?

Shri Gopi Nath Das, (minister, Rural Electrification) replied :

(a) Altogether 105 (one hundred and five) Nos. of Villages of Katigora Constituency in Cachar District have been electrified till February'95 and supply of electricity commenced in all these villages from the date of energisation.

(b) 88 (eighty eight) Nos. of villages in Katigora constituency are yet to be coverd under Rural Electrification programme.

(c) Electrification of 2 (two) Nos. of villages namely, Kalaincherra Grant and Baikankhana Pungee have already been taken up and works have already been started. The electrification works in the remaining villages will be taken up in a phased manner as per availability of the plan fund and are expected to be completed within the first year of the 9th five-year plan.

Re : **Post of L. P. School.**

Shri Sahidul Alam Choudhury, asked.

331. Will the minister of Elementary Education be pleased to state :

(a) How many permanent post of L. P. school teachers have been fallen vacant in Hailakandi during 1993-94 and 1994-95 ?

(b) How many permanent post of L. P. school teachers have been filled up in the said District during 1993-94 and 1994-95 ?

(c) How many ad-hoc appointments have been made against the posts of L.P. school teachers during that period and on what basis ?

(d) Please furnish the names and addresses of the L. P. school teachers appointed during the said showing the names of the Schools in which they have been appointed ?

Shri Gautam Bora (Minister of State, Educatior) replied :

(a) |
(b) | Information called for from the concerned field officer.
(c) |
(d) |

বিষয় : ধুমুহাত ক্ষতি হোৱা প্ৰাথমি বিদ্যালয়।

শ্ৰীনগেন শৰ্ম্মাই সুধিছে :

৩৩২। মাননীয় বাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯৩, ১৯৯৪ চনত ধুমুহাত ক্ষতিগ্ৰস্ত প্ৰাথমিক বিদ্যালয়ৰ গৃহৰ সংখ্যা অসমত কিমান ?

(খ) নলবাৰী জিলাত ক্ষতি হোৱা গৃহৰ সংখ্যা কিমান ?

(গ) উক্ত প্ৰাথমিক বিদ্যালয় সমূহত গৃহ নিৰ্ম্মাণৰ বাবে আৰ্থিক সাহাৰ্য্য দিয়া হৈছে নেকি ?

(ঘ) যদি হৈছে নলবাৰী জিলাৰ ক্ষতি হোৱা প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্ম্মাণৰ কোন কোন বিদ্যালয়ত অনুদান দিয়া হৈছে ইয়াৰ তালিকা এখন সদনৰ মেজত দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগৌতম বৰা বাজ্যিক (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) |
(খ) |
(গ) | তথ্য বিচৰা হৈছে।
(ঘ) |

বিষয় : সুতাকল কার্য্যক্ষম কৰাৰ ব্যৱস্থা ।

শ্রীকনী ভূষন চৌধুৰী য়ে সুধিছে :

৩৩৩ মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) বইটামাৰী অসম সমবায় সূতা কলটো বন্ধ হৈ থকাটো সঁচানে ?

(খ) যদি সঁচা হয়, কেতিয়াৰ পৰা বন্ধ হৈ আছে আৰু বন্ধ হৈ থকাৰ কাৰণ কি ?

(গ) বন্ধ হৈ থকা সূতা কলটো পুনৰ কার্য্যক্ষম কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ।

শ্রীনগেন নেওঁগ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয়, সঁচা ।

(খ) আর্থিক সংকটৰ বাবে ১৯৯৪ চনৰ জুন মাহৰ শেষৰ পৰা বন্ধ হৈ আছে ।

(গ) সূতাকলটো কার্য্যক্ষম কৰিবলৈ বিবেচনা কৰি থকা হৈছে ।

বিষয় : শিক্ষক নিযুক্তি ।

শ্রীভূপেন বায়ে সুধিছে :

৩৩৪। মাননীয় শিক্ষা (বাজ্যিক) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) বঙাইগাওঁ জিলাত ১৯৯৪ চনত মজলীয়া বিদ্যালয়ত শিক্ষক নিযুক্তি দিয়া সম্পর্কত কিবা মকর্দমা (case) বজু কৰা হৈছে নেকি ?

(খ) যদি case হৈছে, তেনেহলে বর্ত্তমান case টো কেনে পর্য্যায়ত আছে ?

শ্রীগৌতম বৰা (বাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) মননীয় উচ্চ ন্যায়ালয়ত বিচৰাধীন হৈ আছে ।

বিষয় : ৭০০০ প্রি-প্রাইমাৰী বিদ্যালয় ।

শ্রীবিনোদ গোৱালা
শ্রীজিতেন্দ্র নাথ গোস্বামী য়ে সুধিছে :

৩৩৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসম চৰকাৰে ৭০০০ প্রি-প্রাইমাৰী বিদ্যালয় চৰকাৰীকৰণৰ আশ্বাস পূৰণ নকৰাৰ কাৰণ কি ?

(খ) যদি পর্য্যাপ্ত পৰিমাণৰ পুঁজিৰ অভাৱ তেনেহলে অন্তত : ৭০০ খন এনে প্রি-প্রাইমাৰী বিদ্যালয় এই চৰকাৰে চলিত বিত্তীয় বছৰত চৰকাৰী কৰি উক্ত আশ্বাস আংশিকভাবে হলেও পূৰণ কৰিবনে ?

(গ) প্রাথমিক বিদ্যালয়ত কাম কৰা স্নাতক ডিগ্রীধাৰী শিক্ষক সকলক স্নাতক নিৰিখৰ বেতন আৰু শিক্ষা বিভাগৰ খালী হোৱা বিষয়া পদত পদোন্নতিৰে নিযুক্তিৰ ব্যৱস্থা কৰা সম্পর্কত চৰকাৰৰ দৃষ্টিভঙ্গী কি ?

(ঘ) প্রাথমিক বিদ্যালয়ত প্রধান শিক্ষক পদটো সুকীয়াকৈ মঞ্জুৰী দি প্রধান শিক্ষকৰ বাবে বেতন এক সুকীয়া নিৰিখ নির্দ্ধাৰণ কৰাৰ ক্ষেত্রত চৰকাৰৰ দৃষ্টিভঙ্গী কি ?

শ্রীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) আৱশ্যকীয় পুঁজিৰ অভাৱ ।

(খ) ৰর্ত্তমান পুঁজিৰ অভাৱৰ বাবে এইটো সম্ভৱ নহৰ ।

(গ) নিম্নতম অহর্তাৰ ভিত্তিতহে বেতন নিৰিখ নির্দ্ধাৰণ কৰাৰ নিয়ম । প্রাথমিক বিদ্যালয়ৰ শিক্ষকৰ নিম্নতম শিক্ষাগত অহর্তা হ'ল হাইস্কুল শেহান্ত পৰীক্ষাত উত্তীর্ণ। তেনে পদত স্নাতক বা স্নাতকোত্তৰ ডিগ্রী-ধাৰী ব্যক্তিয়ে নিযুক্তি ললেও উচ্চ নিৰিখত বেতন দিব নোৱাৰি। শিক্ষকৰ পদ আৰু শিক্ষা বিভাগৰ বিষয়াৰ পদৰ কেদাৰ একে নহয় । গতিকে পদোন্নতি দিব পৰা নাযায় ।

(ঘ) দৰমহা আয়োগৰ পৰামর্শৰ ওপৰত নির্ভৰ কৰিব ।

Re : **B.E.E.O. for Binnakandi Block Dev.**

Shri Moulana Abdul Jalil Ragibi, asked

336. Will the Minister of Education be pleased to State :

(a) Whether the Government is aware of the fact that the Binnakandi Block Development Officer, under Jamunamukh constituency has no Block Elementary Education Officer ?

(b) If so, whether the Government will consider to establish an Elementary Education Officer under Binnakandi Block Development Officer, keeping in view of the public interest ?

(c) How many adl. post of M. E. / M. E. M. have been sanctioned for Hojai Sub-Divn. during the year, 1990-91/1991-92/1992-93/1993-94/1994-95 ?

(d) Out of the sanctioned post of M. E. / M. E. M. how many candidates from Jamunamukh constituency have been appointed ?

Shri Gautam Bora (Minister of State Education) replied :

(a) Yes.

(b) There is no such proposal at present.

(c) | Information to this effect has been called for from the
(d) | field officers.

বিষয় : শিক্ষক নিযুক্তি।

ড: জয় নাথ শর্ম্মাই সুধিছে :

৩৩৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) যোৱা জানুৱাৰী মাহত দৰং জিলাত কিমানজন লোকৰ হাইস্কুল/হায়াৰ চেকেন্দাৰী স্কুলত শিক্ষক, কার্য্যালয় সহকাৰী আৰু ৪থ শ্রেণীৰ পদত নিযুক্তি হৈছে।

(খ) উক্ত নিযুক্তি প্রাপ্ত প্রার্থী সকলৰ সাক্ষাৎকাৰ লোৱা হৈছিল ?

(গ) বিদ্যালয় সমুহত বিশেষকৈ মাধ্যমিক পর্য্যায়ত খালী হোৱা পদত নিযুক্তিৰ নিয়ম / বিধি কি জনাবনে ?

(ঘ) উক্ত জিলাত অক্টোবৰ ৯৪ ৰ পৰা ৩১ জানুৱাৰী ৯৫ লৈ নিযুক্তি পোৱা লোক সকলৰ নিযুক্তি পত্রৰ প্রতিলিপি সদনত উত্থাপন কৰিবনে ?

(ঙ) এই নিযুক্তিৰ ক্ষেত্রত প্রচলিত বিধি মানি চলা হৈছিল নে ?

শ্রীগৌতম বৰা (বাজ্যিক মন্ত্রীয়ে) উত্তৰ দিছে :

(ক) সহকাৰী শিক্ষক তিনিগৰাকী আৰু বিষয় শিক্ষক এগৰাকী নিযুক্তি দিয়া হৈছে। কার্য্যালয় সহায়ক আৰু ৪র্থ শ্রেণীৰ পদত কোনো নিযুক্তি দিয়া হোৱা নাই।

(খ) বিষয় শিক্ষকৰ সাক্ষাৎকাৰ ৰাজ্যিক বাঁচনি পৰিষদৰ দ্বাৰা লোৱা হয়। নির্ব্বাচিত প্রার্থীৰ তালিকা নাগালে কেতিয়াবা বিদ্যালয়ৰ শৈক্ষিক সুবিধার্থে তদর্থ ভিত্তিত নিযুক্তি দিয়া হয়।

(গ) মাধ্যমিক পর্য্যায়ত জিলা ভিত্তিত গঠন কৰি দিয়া বাঁচনি পৰিষদে বাঁচনি কৰা প্রাথীক নিযুক্তি দিয়াৰ নিয়ম।

(ঘ) ১৯৯৪ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৯৫ চনৰ জানুৱাৰী মাহলৈকে বিদ্যালয় পৰিদর্শকৰ পৰা ৩ (তিনি) জন সহকাৰী শিক্ষক আৰু মাধ্যমিক শিক্ষা সঞ্চালকৰ পৰা এজন বিষয় শিক্ষক নিযুক্তি দিয়া হৈছে। নিযুক্তি পত্র কেইখনৰ প্রতিলিপি গাঁঠি দিয়া হ'ল। (See the Anntexure(III)

(ঙ) জিলা বাঁচনি পৰিষদৰ দ্বাৰা সহকাৰী শিক্ষক পদৰ বাবে নির্ব্বাচিত প্রাথী দুগৰাকী নিযুক্তি দিয়া হৈছে আৰু এজনক তদর্থ ভিত্তিত নিযুক্তি দিয়া

হৈছে। বিষয় শিক্ষক নিযুক্তিৰ বাজ্যিক বাচনি পৰিষদৰ দ্বাৰা নিৰ্ব্বাচিত প্ৰাৰ্থী নথকাৰ বাবে বিষয় শিক্ষক গৰাকীও তদৰ্থে ভিত্তিত নিযুক্তি দিয়া হৈছে।

Re : **District Library.**

Shri Mission Ranjan Das asked.

338. Will the Minister of Education (Library Science) be pleased to state :

(a) Whether the Government has given the sanction to the proposed District Library-cum-Auditorium at Karimganja town ?

(b) If Yes, how much amount has been earmarked for its construction and when its construction will be started ?

(c) If not, state reasons thereof ?

Shri Golok Rajbonshi (Minister. Education) replied.

(a) The sanction is under process.

(b) Rs. 12 lacs. constunction will be started after the work is sanctioned.

(c) Does not arise.

বিষয় : মহাবিদ্যালয়ত প্ৰৱক্তাৰ যোগদান।

ড: কমলা কলিতাই সুধিছে :

৩৩৯। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ছয়গাওঁ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰৱক্তা শ্ৰীৰামেশ্বৰ দাসে মহাবিদ্যালয়ত কেতিয়া যোগদান কৰিছিল আৰু তেওঁ কেতিয়া এম, এ পাছ কৰিছিল।

(খ) উক্ত মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰৱক্তা শ্ৰীমতী অনিমা চৌধুৰী ছয়গাওঁ মহাবিদ্যালয়ত কেতিয়া যোগদান কৰিছিল আৰু তেখেতে কেতিয়া গুৱাহাটীৰ কে, আৰু বি মহাবিদ্যালয়ৰ পৰা ৰিলিজ (Release) লৈছিল জনাবনে ?

শ্ৰীগোলক ৰাজবংশীয়ে উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ছয়গাওঁ মহাবিদ্যালয়ৰে ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰৱক্তা শ্ৰী বানেশ্বৰ দাসে ৩/৪/৭৮ তাৰিখে চাকৰিত যোগদান কৰিছিল আৰু ১৯৭৮ চনত এম, এ, পাছ কৰিছিল।

(খ) ছয়গাওঁ মহাবিদ্যালয়ৰে বুৰঞ্জী বিভাগৰ প্ৰৱক্তা শ্ৰীমতী অনিমা চৌধুৰীয়ে ছয়গাওঁ মহাবিদ্যালয়ৰ চাকৰীত ১৭/৭/৭৮ তাৰিখে যোগদান কৰিছিল আৰু কে, আৰ, বি, ছোৱালী মহাবিদ্যালয়ৰ পৰা ১৮।৮২ তাৰিখে অব্যাহতি লৈছিল।

বিষয় : শিৱসাগৰৰ কেন্দ্ৰীয় সমবায় বেঙ্ক।

শ্ৰীমতী ৰেণুপনা ৰাজখোৱাই সুধিছে :

৩৪০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শিৱসাগৰৰ জিলা কেন্দ্ৰীয় সমবায় বেংকটো বন্ধ হৈ থকা কথাটো জানেনে ?

(খ) যদি জানে বেংকটো খোলাৰ বাবে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

(গ) শিৱসাগৰৰ সমবায় বেংকৰ কৰ্ম্মচাৰী সকলক কেইবা মাহো দৰমহা নিদিয়াকৈ থকাৰ কথাটো সত্যনে ?

(ঘ) যদি সত্য হয়, মন্ত্ৰী মহোদয়ে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

শ্ৰীনগেন নেওঁগ (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) বেংকটো বন্ধ হৈ থকা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) সত্য।

(ঘ) কৰ্ম্মচাৰী সকলক দৰমহা দিয়াটো বেংক কৰ্তৃপক্ষৰ দায়িত্ব। চৰকাৰৰফালৰ পৰা এই দায়িত্ব পালন নকৰিবলৈ কেতিয়াও নিৰ্দেশ দিয়া হোৱা নাই।

বিষয় : প্রাথমিক বিদ্যালয়ৰ ঘৰ, আচবাব আদি।

শ্রীবদন বৰুৱাই সুধিছে :

৩৪১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে :

(ক) অসমত প্রাদেশীকৃত (Provincialised) প্রাথমিক বিদ্যালয় সমুহৰ—

(১) কিমানখনৰ ঘৰ নাই ?

(২) কিমানখনৰ খুটা আছে চাল নাই ?

(৩) কিমানখনৰ চাল আছে বেৰ নাই ?

(৪) কিমানখনৰ শিক্ষক শিক্ষয়িত্রী বহিবলৈ কোনো আসন নাই ?

(৫) কিমানখনত ছাত্র-ছাত্রীৰ পানীখোৱাৰ ব্যৱস্থা নাই ?

(৬) কিমানখনত প্রাক-প্রাথমিক শ্রেণী আছে ?

মহকুমা ভিত্তিত উত্তৰ দি বাধিত কৰিবনে ?

শ্রীগৌতম বৰা বাজ্যিক (মন্ত্রী) য়ে উত্তৰ দিছে :

(ক)—

(১) |

(২) |

(৩) | এই বিষয়ে জিলা বিষয়া বৰ্গৰ পৰা তথ্য বিচৰা হৈছে।

(৪) |

(৫) |

(৬) |

বিষয় : মহাবিদ্যালয়ৰ ঘাটি মঞ্জুৰী।

শ্রীহিতেশ্বৰ ডেকাই সুধিছে :

৩৪২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে ?

(ক) বেচৰকাৰী পৰ্য্যায়ত থকা কোনো মহাবিদ্যালয় ঘাটি মঞ্জুৰী দিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে নেকি ?

(খ) যদি লৈছে মুঠতে কিমানখন মহাবিদ্যালয়ক ঘাটি মঞ্জুৰী প্রদান কৰা হব ? (নাম তালিকা সংলগ্ন কৰিব)

(গ) এই ঘাটি মঞ্জুৰী ব্যৱস্থা কেতিয়াৰ পৰা কাৰ্যকৰী কৰা হব ?)

(ঘ) এনে ধৰণৰ ঘাটি মঞ্জুৰীৰ ফলত ৰাজ্যখনৰ মুঠতে কিমান শিক্ষক/ কৰ্মচাৰী উপকৃত হব আৰু ইয়াৰ বাবে প্ৰতিবছৰে অতিৰিক্ত কিমান ধনৰ প্ৰয়োজন হব ?

শ্ৰীগোলক ৰাজবংশীয়ে (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) । ২৪খন তদৰ্থ মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ক ঘাটি মঞ্জুৰী দিবলৈ নীতিগত আৰু । সিদ্ধান্ত লোৱা হৈছে। কোনকেইখন মহাবিদ্যালয় লোৱা হব এই

(খ) । সম্পৰ্কে খাটাং সিদ্ধান্ত হোৱা নাই ।

(গ) ১৯৯৫-৯৬ ইং বিত্তীয় বৰ্ষৰ পৰা কাৰ্য্যকৰী কৰাৰ প্ৰস্তাৱ কৰা হৈছে ।

(ঘ) কলেজৰ চয়ন সম্পূৰ্ণ হলেহে উপকৃত হবলগীয়া শিক্ষক, কৰ্ম্মচাৰীৰ সংখ্যা নিশ্চিত হব। অতিৰিক্ত ধনৰ পৰিমাণ শিক্ষক কৰ্ম্মচাৰী সংখ্যা নিশ্চিত হলেহে ঠাৱৰ হ'ব ।

Re : Regularisation of Service.

Shri Samarendra Nath sen, asked.

343. Will the Minister of Education be pleased to state :

(a) It is a fact that many Heads of Educational Institutions (Higher Secondary and Schools) of Assam are preforming as in-charge Heads of their respective Institutions in addition to their normal duties for a long time without any financial benefit ?

(b) Is it a fact that most of them appeared befor the State Education Department in 1993 for regularisation of their services but action has yet to be taken by the Seleotion Board ?

(c) If so, when the Government would take step for regularisation of their services ?

Shri Gautam Bora (State Education Minister) replied.

(a) Yes.

(b) Yes.

(c) Action for appointment of Principals in H.S. Schools is being taken and selection of Headmasters has been under process in State Selection Board.

বিষয় : গ্রামীন বৈদ্যুতিকরণ।

শ্রীপ্রনব কুমার নাথ,
শ্রীপরিমল শুক্লবৈদ্য, । জিজ্ঞাসা করছেন :
শ্রীচিত্তেন্দ্র নাথ মজুমদার,

৩৪৪। মাননীয় গ্রাম্য বৈদ্যুতিকরণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) করিমগঞ্জ কাছার ও হাইলাকান্দি জিলায় ১৯৯৪-৯৫ অর্থ বর্ষে গ্রামীন বৈদ্যুতিকরণ এর অর্থ মঞ্জুরীর দেওয়া হয়েছিল কি—যদি হয় তাহলে জিলা ভিত্তিক অর্থের পরিমাণ এবং তাহার কোথায়, কিভাবে কি পদ্ধতিতে কি কি কাজ করা হয়েছে তাহার বিশদ তথ্য সদনের মাঝে দাখিল করিবেন ?

(খ) ১৯৯৫-৯৬ অর্থ বর্ষে গ্রামীন বৈদ্যুতিকরণের জন্য করিমগঞ্জ, কাছার ও হাইলাকান্দি জিলায় কত টাকা করে মঞ্জুর করেছেন ?

(গ) যদি না কেন ?

শ্রীগোপীনাথ দাস, (রাজ্যিক মন্ত্রী, শক্তি গ্রাম্য বৈদ্যুতিকরণ) য়ে উত্তর দিছেন :

(ক) ১৯৯৪-৯৫ বিত্তীয় বর্ষে করিমগঞ্জ, কাছাড় হাইলাকান্দি জিলায় গ্রাম্য বৈদ্যুতিকরণের জন্য অর্থ মঞ্জুরী করা হয়েছে এবং এই জিলা কয়টির জন্য নিম্নলিখিত অর্থ মঞ্জুরীর আঁচনি গ্রাম্য বৈদ্যুতিক নিগমের নিকট উৎথাপিত করা হইয়াছে।

জিলা	মঞ্জুরীর অর্থ
১। করিমগঞ্জ	১৩৪·৫৫ লাখ।
২। হাইলাকান্দি	১১০·০৭ লাখ।
৩। কাছার	১৬৭·৭৯ লাখ।

(খ) ও (গ) ১৯৯৫-৯৬ সনের বাৎসরিক পরিকল্পনার অনুযায়ী সমগ্র রাজ্যের জন্য গ্রাম্য বৈদ্যুতিকরন শিতানে ৬৬ ০০ কোটি টাকা ধার্য্য করা হইয়াছে। এর জন্য গ্রাম্য বৈদ্যুতিকরণ নিগমের অনুমোদনের উদ্দেশ্য বিস্তৃত আঁচনি প্রস্তুত করা হইতেছে। জিলা ভিত্তীক বিতরণ তালিকা আঁচনি চুরান্ত অনুমোদন করিলে জানিতে পারা যাবে।

বিষয় : শিক্ষক বাছনি তালিকা বাতিল।

শ্রীনজমুল হকে সুধিছে :

৩৪৫। মাননীয় প্রাথমিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসম চৰকাৰৰ মহকুমা পর্য্যায়ৰ প্রাথমিক আৰু মাধ্যমিক শিক্ষা উপ-দেষ্টা আৰু শিক্ষক বাছনি সমিতিয়ে প্রস্তুত কৰি থোৱা শিক্ষক বাছনি তালিকাখন বাতিল কৰি দিয়া হৈছেনে, যদি হোৱা নাই অতি শীঘ্রে বাতিল কৰি দিয়া হবনে ?

(খ) উক্ত বাছনি কমিটি ৰাজনৈতিক ব্যক্তিৰ পৰিবর্ত্তে শিক্ষা বিভাগৰ বিষয়াৰ দ্বাৰা গঠন কৰা হবনে ?

(গ) গোৱালপাৰা জিলাৰ মাধ্যমিক স্কুলৰ শিক্ষক বাছনি সমিতিৰ সভাপতি জনৰ বিৰুদ্ধে উঠা দুর্নীতিৰ অভিযোগ সঁচানে, যদি সঁচা নহয়, তেন্তে তদন্তৰ ব্যৱস্থা কৰা হবনে ?

শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বিভাগীয় নীতি অনুসৰি বাচনি তালিকাখন কেৱল এবছৰৰ বাবেহে বৈধ্য।

(খ) অসমৰ ১৯৭৭ চনৰ প্রাথমিক শিক্ষা আইন আৰু অধিনিয়ম অনুসৰি গঠন কৰা হয়।

(গ) গোৱালপাৰা জিলাৰ মাধ্যমিক স্কুলৰ শিক্ষক বাচনি সমিতিৰ সভাপতি জনৰ বিৰুদ্ধে উঠা দুর্নীতিৰ অভিযোগ চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই।

বিষয় : বন্ধ হোৱা প্ৰতিষ্ঠান।

শ্ৰীশশকমল সন্দিকৈ য়ে সুধিছে :

৩৪৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বৰ্ত্তমানে বন্ধ হোৱা চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানৰ সংখ্যা কিমান ?

(খ) ৰুগ্ন হৈ থকা চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানৰ সংখ্যা কিমান ? এই ৰুগ্ন চৰকাৰী শিল্পসমূহ কাৰ্য্যকৰী কৰিবলৈ কি ব্যৱস্থা হাতত লৈছে ?

(গ) বন্ধ হৈ যোৱা আৰু ৰুগ্ন শিল্প নিয়োজিত শ্ৰমিকৰ সংখ্যা কিমান ? (পৃথককৈ তালিকা দিব)

শ্ৰীবিজিত শইকীয়া (মন্ত্ৰী, উদ্যোগ বিভাগ) য়ে উত্তৰ দিছে :

(ক) চৰকাৰী খণ্ডত উৎপাদন বন্ধ হৈ থকা প্ৰতিষ্ঠানৰ সংখ্যা ৪ টা আৰু বেচৰকাৰী খণ্ডত উৎপাদন বন্ধ হৈ থকা ক্ষুদ্ৰ উদ্যোগৰ সংখ্যা ১৭৩২ টা (১৯৮৮ চনৰ সৰ্ব্বভাৰতীয় ক্ষুদ্ৰ উদ্যোগৰ পিয়ল তথ্য অনুযায়ী ৩১-৩ ৮৮ পৰ্য্যন্ত)

(খ) অসম ইণ্ডাষ্ট্ৰিয়েল ৰিলিফ আণ্ডাৰটেকিং এক্টৰ অধীনত বৰ্ত্তমান চৰকাৰী খণ্ডত ৪টা আৰু বেচৰকাৰী খণ্ডত ৬ টা উদ্যোগ ৰুগ্ন হিচাবে ঘোষিত কৰা হৈছে।

উৎপাদন বন্ধ হৈ থকা তথা ৰুগ্ন চৰকাৰী খণ্ডৰ উদ্যোগ সমূহ পূনৰজিৱীত কৰাৰ বাবে ব্যক্তিগত খণ্ডৰ পৰিচালনাৰ অধীনত অনাৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে।

(গ) অসম চিনটেক্স লিমিটেড ৫৪০ জন

অসম পলিটেক্স লিমিটেড ৫২৬ জন

কাছাড় চেনি কল ১২৪ জন

অসম বাজ্যিক বস্ত্ৰ নিগম (ৰুগ্ন) ৬১৮ জন

অশোক কাগজ কল ৪২৩ জন

বেচৰকাৰী প্ৰতিষ্ঠান সমূহৰ শ্ৰমিক তথ্য সংগ্ৰহ কৰি থকা হৈছে।

বিষয় : বিদ্যুৎহীন গাওঁৰ সংখ্যা।

শ্রীচন্দন কুমাৰ সৰকাৰে, সুধিছে :

৩৪৭। মাননীয় গ্রাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসমত এতিয়াও কিমানটা গাওঁ আছে যত বৈদ্যুতিকৰণ হোৱা নাই অনুগ্রহ কৰি জনাবনে ?

(খ) বঙাইগাওঁ জিলাৰ, বিজনী, বঙাইগাওঁ আৰু উত্তৰ শালমাৰা অভয়াপুৰী মহকুমাৰ অন্তর্গত এতিয়াও কিমানখন গাওঁৰ বৈদ্যুতিকৰণ বিজুলী বাতি যোগান ধৰা হোৱা নাই তাৰ তালিকা এটি সদনত দাখিল দিবনে ?

(গ) বাকী থকা গাওঁবোৰ বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰা হবনে ?

শ্রীগোপীনাথ দাস, (মন্ত্রী, গ্রাম্য বৈদ্যুতিকৰণ) য়ে উত্তৰ দিছে :

(ক) ১৯৭১ চনৰ পিয়ল অনুসৰি এতিয়ালৈকে ২২৯৩ খন গাওঁ বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে।

(খ) বঙাইগাওঁ জিলাৰ বিজনী, বঙাইগাওঁ আৰু উত্তৰ শালমাৰা (অভয়াপুৰী) মহকুমাৰ অন্তর্গত মুঠ ৫৭ খন গাৱলৈ এতিয়াও বিজুলী যোগান ধৰিবলৈ বাকী আছে। ইয়াৰ তালিকা লগত গাঠি দিয়া হ'ল। (See the Annexure-IV)

(গ) নৱম পৰিকল্পনাৰ প্রথম বছৰৰ ভিতৰতে বাকী থকা গাওঁবোৰৰ বৈদ্যুতিকৰণৰ ব্যৱস্থা হ'ব বুলি আশা কৰিব পৰা যায়।

বিষয় : মাতৃ সত্তাৰ দাবী।

শ্রীপানীৰাম বাভাই সুধিছে :

৩৪৮। মাননীয় শিক্ষা (বাজিক) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) সদৌ অসম প্রাথমিক আৰু মজলীয়া বিদ্যালয় মাতৃ সত্তা নামেৰে এটি অনুষ্ঠান আছে নেকি ?

(খ) যদি আছে, তেওঁলোকৰ দাবীবোৰ কি কি ?

(গ) দাবী পূৰণৰ ব্যৱস্থা লৈছেনে ?

শ্রীগৌতম বৰা (বাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বিভাগীয় অনুমতি নাইবা স্বীকৃতিপ্রাপ্ত তেনে কোনো সস্থা নাই।

(খ) |
(গ) | প্রশ্ন নুঠে।

বিষয় ঃ বৰষুণৰ পৰিমাণ।

শ্রীমূনিন মহন্তই সুধিছে :

৩৪৯। মাননীয় বিজ্ঞান আৰু প্রযুক্তি বিদ্যা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) মৰিগাওঁ জিলাত বৰষুণৰ পৰিমাণ প্রতি বছৰে কমি অহাতো সত্য নেকি ? (যোৱা ৫বছৰৰ হিচাবটো মেজত দিব)

(খ) যদি কমিছে, কমাৰ পৰিমাণ কিমান ?

(গ) বৰষুণ কমাৰ কাৰণ সমূহ কি কি ?

(ঘ) কপিলী নদীৰ জলধাৰাৰ উচ্চতা ১৯৭০ চন আৰু ১৯৯০ চনত কিমান ?

(ঙ) ওপৰৰ প্রশ্ন (ক, খ, গ, ঘ) সমূহৰ মতে মৰিগাওঁ জিলাত শুকান অঞ্চলৰ ফালে অগ্রসৰ হৈছে নেকি ?

(চ) যদি হৈছে, ৰক্ষা কৰাৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

শ্রীহৰেণ ভূমিজ (মন্ত্রী, বিজ্ঞান আৰু প্রযুক্তি বিদ্যা) য়ে উত্তৰ দিছে :

(ক) সত্য নহয়।

যোৱা ৫ বছৰৰ বৰষুণৰ পৰিমাণৰ তথ্য এই বিভাগত নাই যদিও ১৯৮৮ চনৰ পৰা ১৯৯২ চনলৈকে তথ্য তলত দিয়া হ'ল।

১৯৮৮ চন	————	৩৪৫৪·৫০ মিঃ মিঃ
১৯৮৯ চন	————	২২৭৮·৫০ মিঃ মিঃ
১৯৯০ চন	————	২৮১১·৭০ মিঃ মিঃ
১৯৯১ চন	————	৩৩০৮·৭০ মিঃ মিঃ
১৯৯২ চন	————	২১৯৬·৩০ মিঃ মিঃ

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

(ঘ) কপিলী নদীৰ জলাধাৰাৰ উচ্চতা ১৯৭০ চন আৰু ১৯৯০ চনত আছিল যথাক্রমে ৫৬·৫৫ মিটাৰ আৰু ৫৬·২৯ মিটাৰ।

(ঙ) প্রশ্ন নুঠে।

(চ) প্রশ্ন নুঠে।

বিষয় : সাহায্য প্রাপ্ত কলেজ ।

শ্রীচিত্তরঞ্জন পাটোৱাৰী য়ে সুধিছে :

৩৫০। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসম চৰকাৰে ৰাজ্যৰ সাহায্য প্রাপ্ত কলেজ সমূহৰ কর্ম্মচাৰী সকলক প্রাদেশীকৰণ কৰিব বুলি আশ্বাস দি অহাটো সঁচানে ?

(খ) যদি সত্য আজিলৈকে এই আশ্বাস কার্য্যকৰী হোৱা নাই কিয় ?

(গ) এই কর্ম্মচাৰী সকলক কেতিয়া প্রাদেশীকৰণ কৰা হব সেয়া সদনত জনাবনে ?

শ্রীগোলোক ৰাজবংশী (উচ্চ শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বিষয়টো চৰকাৰৰ বিবেচনাধীন ।

(খ) পদ সৃষ্টি কৰা হ'লে কার্য্যকৰী হ'ব।

(গ) সকলো দিশ সামৰি খাটাং সিদ্ধান্ত হোৱাৰ পাচতহে সময়ৰ কথা কব পাৰি ।

Re . **Prevention of further erosion.**

Shri Kali Ranjan Deb asked.

351. Will the Minister of Flood Control be pleased to State :

(a) What steps, the Government have taken or propose to take to prevent further erosion of Sialtek Bazar, Mohadebpur, Govindapur, Shantipur, Katigora Bazar and Rajatilla area of Katigora Constituency from the clutches of River Borak ?

(b) Whether erosion protection work will be started in those areas within this financial year ?

(c) Whether the Governament is aware about the magnitude of danger created from this erosion which has posed a great threat to the life and property of the local people of thoes places ?

Shri Haren Bhumiz (Minister, Flood Control) replied :

(a) Considering vulnerability, necessary estimates for protection of erosien affected sites namely Mohadevpur, Katigorah Bazar and Rajatilla had been formulated by the Flood Control Department. Investigation in respect of eresion sites at Sealak Bazar, Gobindapur and Sanitpur are under process.

(b) Protection work at Rajatilla only has been taken up during this finacial year.

(c) Yes.

বিষয় : মথাউৰি নিৰ্ম্মাণ।

শ্রীনিজামুদ্দিন খানে সুধিছে :

৩৫২। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ২৮ ফেব্রুৱাৰীলৈ নতুনকৈ কিমান কিলোমিটাৰ মথাউৰি নিৰ্ম্মাণ কৰা হৈছে ?

(খ) উক্ত সময় ছোৱাৰ ভিতৰত কিমান কিলোমিটাৰ মথাউৰি মেৰামতি কৰা হৈছে ?

(গ) মেৰামতিৰ নামত উক্ত সময় ছোৱাত কিমান টকা খৰছ কৰা হৈছে ?

(ঘ) ৰৰপেটা জিলাৰ তুপকুনীজান (সৰুক্ষেত্রী সমষ্টিৰ) দুয়োপাৰে মথাউৰি নিৰ্ম্মাণৰ ব্যৱস্থা কৰিবনে ?

শ্রীহবেন ভূমিজ (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) এই সময়ছোৱাৰ ভিতৰত মুঠ ৬৪'০৬৮ কিলোমিটাৰ মথাউৰী নতুনকৈ নির্মান কৰা হৈছে ।

(খ) ১৬৪৩'২৫ কিলমিটাৰ মথাউৰী উক্ত সময় ছোৱাত মেৰামতি কৰা হৈছে।

(গ) মেৰামতিৰ বাবদ ২৩৯২'০৩ লাখ টকা উক্ত সময় ছোৱাত ব্যয় কৰা হৈছে ।

(ঘ) বিত্তীয় অস্বচ্ছলতাৰ কাৰণে বর্ত্তমানে তেনে কোনো আঁচনি চৰকাৰে বিবেচনা কৰিব পৰা নাই ।

Re : Appointment of School teacher.

Shri Sahidul Alam Choudhury, asked

353. Will the Minister of Elementary Education be pleased to State :

(a) Whether any select lists have been prepared on Ist February 1994 for appointment of L. P. and M. E. School teachers in Hailakandi ?

(b) If so, whether the validity of the said list expired on 31st December, 1994 ?

(c) Who are the candidates selected as per the said select lists, if any, showing seriality of the candidates in each of the lists ?

(d) How many of the said selected candidates have so far been appointed ?

Shri Gautam Bora (Minister of State, Education) replied:

(a) |
(b) | Informations in this regared have been called for
(c) | from the concerned field officers.
(d) |

বিষয় : প্রশিক্ষণ প্রাপ্ত শিক্ষক।

শ্রীহিতেন্দ্র নাথ গোস্বামী য়ে সুধিছে :

৩৫৪। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমত উচ্চ ইংৰাজী আৰু উচ্চ মাধ্যমিক স্কুলৰ আনুমানিক শতকৰা কিমান সংখ্যক শিক্ষক প্রশিক্ষণ প্রাপ্ত (বি, টি, বা বি, এড ডিগ্রীধাৰী) ?

(খ) গুৱাহাটী আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অধীনত অৱস্থিত বি টি বা বি, এড, কলেজ সমূহত ভর্ত্তি হবলৈ এজন প্রার্থীৰ নুন্যতম শিক্ষাগত অর্হতা কি হব লাগে ? এই কলেজ সমূহত গৰিষ্ঠ সংখ্যক (Maximum) কিমান ছাত্র-ছাত্রী নাম ভর্ত্তি কৰিব পাৰে ?

(গ) ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ বি, এড, / বি, টি, কলেজ সমূহে সন্মুখীন হোৱা সমস্যা সম্পর্কে ১৯৯৪ চনৰ জুলাই মাহত যোৰহাট বি, টি, কলেজত অনুষ্ঠিত সকলো অধ্যক্ষৰ এক সভাত যুগুতোৱা প্রতিবেদন আৰু দাবীৰ সন্দর্ভত ডিব্রুগড় বিশ্ববিদ্যালয় কর্তৃপক্ষই সিদ্ধান্ত গ্রহণ নকৰাৰ কাৰণ কি আৰু ইয়াৰ ফলত এই বিশ্ববিদ্যালয়ৰ অধীনস্থ কলেজ সমূহ বন্ধ হোৱাৰ উপক্রমৰ বিষয়ে চৰকাৰ অৱগতনে ? যদি অৱগত, চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্রীগোলোক ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্রী) উত্তৰ দিছে :

(ক) উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৩০ '/' উচ্চ মাধ্যমিক বিদ্যালয়ত ৩৩ '/' শিক্ষক প্রশিক্ষণ প্রাপ্ত (১৯৯৪-৯৫)

(খ) নাম ভর্ত্তিৰ বাবে সাধাৰণ শিক্ষাৰ স্নাতক ডিগ্রীধাৰী হব লাগে। চৰকাৰী বি, টি, কলেজসমূহৰ প্রতিখনতে গৰিষ্ঠ সংখ্যক ১৫০ জন ছাত্র-ছাত্রীয়ে নাম ভর্ত্তি কৰিব পাৰে।

(গ) এই সংক্রান্তত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ পৰা পোৱা তথ্য সম্বলিত চিঠি নং DU/ Assembly Question 195 dtd. 24-3-95 প্রশ্নোত্তৰৰ লগত গাঠি দিয়া হল। (See the Annexure-V)

বিষয় : টেলিফোন উদ্যোগ নির্ম্মাণ।

শ্রীনগেন শর্ম্মাই সুধিছে,

৩৫৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসমত টেলিফোন নির্ম্মানৰ বাবে উদ্যোগ এটা ১৯৮৮ চনত স্থাপন কৰাৰ ব্যৱস্থা লোৱা হৈছিলনে ?

(খ) যদি হৈছিল, নির্ম্মানৰ কাম আৰম্ভ কৰা হৈছে নেকি ?

(ঘ) নলবাৰী জিলাৰ ঘগ্রাপাৰৰ জাপজাপ কুছিত স্থাপন কৰা প্রছেচিং হাউচৰ উৎপাদনৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব ?

শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয়, ১৯৮৬ চনৰ নবেম্বৰ মাহত (Indian Telephone Industries (ভাৰত চৰকাৰৰ অধীনস্থ প্রতিস্থান) আৰু অসম ইলেকট্রনিক্স উন্নয়ন নিগম (অসম চৰকাৰৰ অধীনস্থ প্রতিস্থান) ৰ মাজত এটা টেলিফোন উদ্যোগ যুটীয়া খণ্ডত স্থাপনৰ বাবে এখন M.O.U. স্বাক্ষৰিত হৈছিল।

(খ) নির্ম্মানৰ কাম আৰম্ভ হোৱা নাই।

(গ) যোৱা অক্টোবৰ মাহৰ পৰা পৰীক্ষামুলক ভাবে উৎপাদন আৰম্ভ কৰিছে।

বিষয় : স্কুলৰ Ad-hoc grant

শ্রীফণী ভূষণ চৌধুৰীয়ে সুধিছে,

৩৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) স্বীকৃতি প্রাপ্ত হাইস্কুল বিলাকক কি হাৰত Ad-hoc grant দিয়া হয়।

(খ) প্রতিখন স্বীকৃতি প্রাপ্ত হাইস্কুলেই চৰকাৰৰ ধার্য্য কৰা নিৰিখত Ad-hoc grant পাই আছেনে ?

(গ) বঙাইগাওঁ সমষ্টিৰ ছিপনছিলা হাইস্কুল, পুৰণা বঙাইগাওঁ হাইস্কুল, জেলকাৰ্ঘৰ ৰৰ্ষনগাওঁ হাইস্কুল, শ্রীমন্ত শঙ্কৰ দেৱ হাইস্কুল, আৰু বিদ্যামন্দিৰ হাই-স্কুলে চৰকাৰে ধার্য্য কৰা নিৰিখ অনুযায়ী Ad-hoc grant পাই আছেনে ?

(ঘ) যদি পোৱা নাই, পোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্রীগৌতম বৰা (বাজিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) নিম্ন লিখিত স্বীকৃতি প্রাপ্ত হাইস্কুল বোৰক নিম্নলিখিত হাৰত তদর্থ মঞ্জুৰী দিয়া হয়।

মাহিলী ৮০০·০০ শ টকা বিভাগীয় স্বীকৃতি প্রাপ্ত অষ্টমমান শ্রেণী।

১০৫০·০০ টকা নৱম মান শ্রেণীৰ অনুমতি পোৱা।

১২৫০·০০ টকা দশম মান শ্রেণীৰ অনুমতি পোৱা আৰু

২০০০·০০ টকা স্বীকৃতি প্রাপ্ত দশম মান শ্রেণীক দিয়া হয়। তদর্থ মঞ্জুৰীৰ হাৰ বঢ়োৱাৰ বাবে লোৱা নীতিগত সিদ্ধান্ত ৰূপায়ণৰ বাবে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) যদি বিদ্যালয় সমূহৰ পৰিদর্শকে তদর্থ মঞ্জুৰীৰ কাৰণে মঞ্জুৰী বিচাৰে তেতিয়া বিভাগীয় কর্তৃপক্ষই নিয়মানুসাৰে ব্যৱস্থা লয়।

(গ) শ্রীমন্ত শঙ্কৰদেৱ হাইস্কুল, বিদ্যামন্দিৰ হাইস্কুলে চৰকাৰে ধার্য্য কৰা নিৰিখত Ad-hoe grant পাই আছে। কিন্তু চিপনছিলা হাইস্কুল, পুৰণা বঙাই গাওঁ হাইস্কুল আৰু জেলকাঝাৰ বৰ্ষণগাওঁ হাইস্কুল ১৯৯১ চনৰ পিছৰ স্বীকৃতি প্রাপ্ত হোৱা হেতুকে বিকেন্দ্রীকৰণ পৰিকল্পনাৰ অধীনত তদর্থ মঞ্জুৰী দিয়াৰ কথা বিবেচনাধীন।

(ঘ) প্রশ্ন নুঠে।

বিষয় : বিভাগীয় চিঠি।

শ্রীজীউৰাম বড়োই সুধিছে :

৩৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) মাননীয় মন্ত্রী মহোদয়লৈ অসমৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে পঠোৱা U/O NO. CMS (R) 78/94 Dated Dispur 29th Nov. 1994 চিঠিখনৰ বিষয় অৱগতনে ?

(খ) যদি অৱগত তেতিয়াহলে চিঠিত উল্লেখিত বিষয় সমূহৰ ওপৰত কেনে ধৰণে ব্যৱস্থা গ্রহণ কৰা হল অনুগ্রহ কৰি জনাবনে ?

শ্রীগোলোক বাজবংশীয়ে (শিক্ষা মন্ত্রী) য়ে উত্তব দিছে :

(ক) অবগত নহয়।

(খ) প্রশ্ন নুঠে।

বিষয় : আর্থিক সাহায্য।

শ্রীভূপেন বায়ে সুধিছে :

৩৫৮। মাননীয় উদ্যোগ বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে :

(ক) চলিত বছবত গোৱেংকা উল এন মিলছ লিঃ আৰু কেলিকো চিনথেটিক নামব ব্যক্তিগত খণ্ডব উদ্যোগ প্রতিষ্ঠান দুটিলৈ কিবা আর্থিক সাহায্য দিয়া হৈছে নেকি, যদি হৈছে টকাব পবিমান কিমান ?

(খ) ধনখিনি কোন শিতানব পবা দিয়া হৈছে, অনুগ্রহ কবি জনাবনে ?

শ্রীবিজিত শইকীয়া (মন্ত্রী, উদ্যোগ বিভাগ) য়ে উত্তব দিছে :

(ক) চলিত বছবত গোৱেংকা উলেন লিঃ আৰু কেলিকো চিনথেটিছ নামব ব্যক্তিগত খণ্ডব উদ্যোগ প্রতিস্থান দুটিলৈ কোনো ধবণব আর্থিক সাহায্য দিয়া হোৱা নাই।

(খ) প্রশ্ন নুঠে।

Re : Establishment of New Industry.

Shri Moulana Abdul Jalil Ragibi asked

359. Will the Minister of Industry be please to state :

(a) Whether the Government has taken any decision to establish any kind of Industry under Public Sector in Hojai Sub-Division particulary in Jamunamukh Constituency ?

(b) If not whether the Government will coneider to establish Industries in Jamunamukh Constituency keeping in view of the raw materials locally available there ?

(c) Whether the Government has any proposal to set up Industrial Shed in any place under Jamuamukh Constituency ?

Shri Bizit Saikia (Minister of Industries) replied:

(a) No,

(b) In view of New Economic Liberalisation Policy, Government will endeavour to set up Industries through private sector if any Industry based on local material is found to be viable.

(c) Government has no such proposal at present but will consider the same after assessing the Demand.

Re : **Grant to deficit College.**

Shri Karendra Basumatary, asked

360. Will the Minister of Higher & Teehnical Education be pleassed to State :

(a) Whether the govt. is aware of the fact that the Chief Minister has recently dcclared to sanction of the Rs. 1'00 Lakh (One Lakh rupees) only as grant in-aid to some deficit college in the State ?

(b) If so, whether Tangla College is included for grants of the Chief Minister's declaration ?

Shri Golok Rajbangshi (Minister Education Higher & Technical) replied :

(a) Yes.

(b) No.

বিষয় : সমবায় সমিতির সম্পাদক চাকুরী চরকারীকরণ।

শ্রী বদ্রী নারায়ন সিং, জিজ্ঞাসা করচেন।

৩৬১ মাননীয় সমবায় বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি ?

(ক) আসাম প্রদেশে সর্বমোট কতজন গ্রামপঞ্চাযেৎ ভীত্তিক সমবায় সমিতির সম্পাদক আছে, কতজনের চাকুরী সরকারীকরণ হইয়াছে এবং কতজনের করা হয় নাই ?

(খ) চাকুরী সরকরীকরণ কতজনের করা হইয়াছে তাহাদের বেতন মাসিক নিয়মিত ভাবে দেওয়া হয়কি ?

(গ) তাহাদের চাকুরী সরকারীকরণ করার সময় নুতন ভাবে কোন আবেদন কর্ম্ম পঞ্জীয়ক মহোদয় নিয়েছিলেন কি ?

(ঘ) প্রায় ১৬, ১৮ ব্যসর পূর্ব হইতে সেই সম্পাদক চাকুরী করিয়া আসিতেছেন তাহাদের নিকট হইতে পুনরায় আবেদন ফর্ম নেওঁয়ার কোন নিয়ম আছে কি ? যদি হ্যাতরে নিয়মটি দবাকরে জানাবেন, যদি না তাহলে রেজিষ্টার মহোদয়ে কিভাবে দাখিল করিতে তাথদেরবে বাধ্য করেছে ?

শ্রী নগেন নেওঁগ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ৭০৪ জন সমবায় সমিতিৰ সম্পাদকৰ ভিতৰত ৫১৬ জনৰ চাকৰী প্রাদেশিকীকৰণ কৰা হৈছে। বাকী ১৮৮ জনৰ হোৱা নাই।

(খ) দিয়া হ'ব।

(গ) Option Form নিছে।

(ঘ) চাকৰী প্রাদেশিকীকৰণ কৰিবলৈ হ'লে প্রথমতে ইচ্ছুক চাকৰীয়ালৰ পৰা সম্মতি পত্র লোৱা হয় (Option Form) চাকৰিয়াল জনে সম্মতি নিদিলে চাকৰী প্রাদেশিককীৰণ কৰিব নোৱাৰি। গতিকে এনে সম্মতি পত্র বিচৰা হৈছে।

বিষয় : প্রাদেশীকিকরণ শিক্ষকদের দর্মহা।

শ্রী প্রণব কুমার নাথ জিজ্ঞাসা করছেন :

৩৬২। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

(ক) প্রাদেশীকিকরণ জন্য করিমগঞ্জ জিলার ভেঞ্চার প্রাথমিক বিদ্যালয় সমূহ Suggestion দেওয়া হয়েছিল, মার্চ্চ মাসের ভিতরেই স্কুল সমূহ প্রাদেশীকিকরণ করত শিক্ষকদের নিযুক্তি পত্র সহ প্রাপ্য অর্থ প্রদানের জন্য বিভাগীয় কর্ত্তৃপক্ষ কি কি পদক্ষেপ নিয়েছেন ?

(খ) Minister of State (Ind), Primary & Secondary Education কার্য্যালয় থেকে Dy. No. 1285, dtd. 28-2-95 তারিখে Director, Elementary Education কাহিলীপাড়া কার্য্যালয়ে দাখিলকৃত পত্রের মর্মানুযায়ী করিমগঞ্জ জিলার ভেঞ্চার এল, পি, স্কুল প্রাদেশীকিকরণর জন্য কোন কার্য্যকরীয় পদক্ষেপ নেওয়া হয়েছেকি ?

(গ) যদি হয় তা হলে শিঘ্রেই তাহা বাস্তবে রূপায়নের জন্য পদক্ষেপ গ্রহণ করিবনে ?

শ্রী গৌতম বৰা (বাজ্যিক মন্ত্রী) উত্তৰ দিছে :

(ক) কৰিমগঞ্জ জিলাৰ এখন বে-চৰকাৰী প্রাথমিক বিদ্যালয় প্রাদেশীকিকৰণ কৰা হৈছে।

(খ) সংশ্লিষ্ট বিষয়াৰ পৰা বিতং তথ্য বিচৰা হৈছে। তথ্য পালে পৰীক্ষা কৰি চাই বিহীত ব্যৱস্থা লোৱা হ'ব।

(গ) বৰ্ত্তমানে আন কোনো আঁচনি নাই।

বিষয় : বিদ্যালয়ৰ সংখ্যা ।

শ্রী নজমূল হকে সুধিছে,

৩৬৩। মাননীয় প্রাথমিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰি জনাবনে :

(ক) অসমৰ বিভিন্ন জিলাত বেচৰকাৰী প্রাথমিক বিদ্যালয় মূঠ কিমান আছে জিলা ভিত্তিক ইয়াৰ সংখ্যা সদনক জনাবনে ?

(খ) গোটেই অসমৰ মাজত গোৱালপাৰা, বৰপেটা আৰু ধুবুৰী জিলাত বেচৰকাৰী এল, পি স্কুলৰ সংখ্যা বেছি সেই হিচাবে এই জিলা কেইখনত মঞ্জুৰীৰ বাবে স্কুলৰ সংখ্যা বঢ়াই দিয়া হবনে ?

(গ) উক্ত জিলাৰ যিবোৰ প্রাথমিক বিদ্যালয় ইতিমধ্যে চৰকাৰীকৰণ কৰা হৈছে সেইবোৰ স্কুলৰ ২য় শিক্ষকৰ পদ মঞ্জুৰী দিয়া হবনে ?

(ঘ) প্রাথমিক বিদ্যালয় সমূহৰ শতকৰা ৯০ টা স্কুলৰ ঘৰ নাই বা একেবাৰে জৰাজীর্ণ সেইবোৰ স্কুলৰ গৃহ নির্ম্মানৰ বাবে টকা মঞ্জুৰী দিয়া হবনে ?

(ঙ) প্রতিখন বিধানসভা সমষ্টিত Operation Blackboard আঁচনিৰ জৰিয়তে কিমানখন বিদ্যালয় গৃহ নির্ম্মাণৰ টকা পাৰ সদনক জনাবনে ?

শ্রী গৌতম বৰা (ৰাজ্যিক মন্ত্রী) উত্তৰ দিছে :

(ক) প্রাপ্ত তথ্য মতে ৮৯৬৮ খন। জিলা ভিত্তিক তালিকা দাখিল কৰা হ'ল। (See the Annexure—VI)

(খ) সদ্যহতে তেনেকোনো প্রস্তাৱ লোৱা হোৱা নাই।

(গ) ইতিমধ্যে দিয়া হৈছে।

(ঘ) পূঁজি সাপেক্ষে বিবেচনা কৰা হব।

(ঙ) প্রতিটো বিধান সভা সমষ্টিত কৃষ্ণ ফলক আঁচনিৰ (Operation Black Board) অধীনত ৪ (চাৰি) খনকৈ বিদ্যালয়ত গৃহ নির্ম্মাণৰ বাবে পূঁজি মোকোলাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে ।

বিষয়ঃ নতুন বিদ্যুত প্রকল্পস্থাপন।

শ্রী শশকমল সন্দিকৈ য়ে সুধিছে ঃ

৩৬৪। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমত ১৯৯৪-৯৫ চনত বিদ্যুৎ চাহিদা কিমান আৰু বৰ্ত্তমান উৎপাদন কিমান ?

(খ) ২০০০ আৰু ২০১০ চনৰ প্রয়োজন অনুসৰি অসমত নতুনকৈ কেইটা বিদ্যুৎ প্রকল্প স্থাপনৰ সিদ্ধান্ত অসম চৰকাৰে গ্রহন কৰিছে ? আৰু বৰ্ত্তমানে স্থাপন কৰা প্রকল্প কেইটাৰ নাম তাৰ উৎপাদন ক্ষমতা আৰু উৎপাদিত বিদ্যুৎ কিমান শতাংশ অসমত বিতৰণ কৰা হব ?

(গ) দিহং প্রকল্প হাতত লোৱাৰ কিবা আঁচনি অসম চৰকাৰৰ আছেনে যদি নাই কিয় নাই ?

শ্রী দেৱানন্দ কোঁৱৰ, (মন্ত্রী, শক্তি বিদ্যুৎ) য়ে উত্তৰ দিছে :

(ক) অসমত ১৯৯৪-৯৫ চনত বিদ্যুৎৰ চাহিদা ২৮৭৬ মিলিয়ন ইউনিট। আৰু অসমৰ বৰ্ত্তমান বিদ্যুৎ উৎপাদন ১১২৭ মিলিয়ন ইউনিট। (এপ্রিল ৯৪ ৰ পৰা ফেব্রুৱাৰী ৯৫ লৈকে)

(খ) ২০০০ আৰু ২০১০ চনৰ অসমৰ বিদ্যুৎৰ চাহিদা যথাক্রমে ৪৪৪৫ আৰু ৯৮৯০ মিলিয়ন ইউনিট হব বুলি আশা কৰা হয়।

অসম বাজ্যিক বিদ্যুত পৰিষদে নিজাববীয়াকৈ নতুনকৈ দুটা বিদ্যুৎ প্রকল্পৰ কাম হাতত লৈছে, সেই দুটা হল লাকুৱা তাপ বিদ্যুৎ কেন্দ্র (Extention-৬০ মেমাওৱাট) আৰু ধনচিৰি মাইক্রো হাইদেল প্রকল্প (২০ মেগাওৱাট)। ইয়াৰ বাহিৰেও বৰ্ত্তমানে কাম চলি থকা ১০০ মেগাওৱাট ক্ষমতা সম্পন্ন কার্বি-লাংপি জলবিদ্যুৎ প্রকল্পৰ কাম ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হৈছে। তদুপৰি আৰু চাৰিটা গ্যাচ ভিত্তিক প্রকল্প ব্যক্তিগত খণ্ডৰ জৰিয়তে সম্পাদন কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে। এই কেইটা হল (১) নামৰূপ তাপ বিদ্যুৎ কেন্দ্র (Extention ৯০ মেগাওৱাট) (২) আদমটিলা বিদ্যুৎ প্রকল্প (৯ মেগাওৱাট) (৩) বাঁশকান্দি বিদ্যুৎ প্রকল্প (১৫৫ মেগাওৱাট) (৪) কামগুৰি প্রকল্প (২৭০ মেগাওৱাট) আন

আৰু ২টা প্ৰকল্প ৬০ মেগাওৱাট ক্ষমতা সম্পন্ন কাৰ্বি-লাংপি আপাৰ ষ্টেত আৰু ১৫০ মেগাওৱাট ক্ষমতা সম্পন্ন লৱাৰ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ আঁচনি লোৱা হৈছে।

বৰ্ত্তমানে চলি থকা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ প্ৰকল্প আৰু হবলগীয়া প্ৰকল্পৰ পৰা উৎপাদিত বিদ্যুৎৰ শতকৰা ১০০ ভাগ অসমত বিতৰণ কৰা হব।

(গ) দিহং প্ৰকল্প অসম চৰকাৰৰ তাতত নাই। এই প্ৰকল্পটো Brahmaputra Board অধীনত।

(Unstarred Questions No. 365 was Postponed)

বিষয়: শিক্ষানুষ্ঠানৰ অনুমতি আৰু স্বীকৃতি।

শ্ৰী হিতেশ ডেকাই সুধিছে :

৩৬৬। মাননীয় শিক্ষা (ৰাজ্যিক) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যখনত নতুন প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান সমূহৰ 'অনুমতি' আৰু 'স্বীকৃতি' দিয়া কাম চৰকাৰে বন্ধ ৰাখিছে নেকি?

(খ) যদি ৰাখিছে এই বন্ধৰ নিৰ্দ্দেশনা কেতিয়াৰ পৰা কাৰ্যকৰী হোৱাকৈ দিয়া হৈছে?

(গ) এই বন্ধৰ নিৰ্দ্দেশনা দিয়া পিছত কোনো শিক্ষানুষ্ঠানক 'অনুমতি' অথবা 'স্বীকৃতি' দিয়া হৈছে নেকি? (এনে শিক্ষানুষ্ঠানৰ নাম তালিকা আৰু অনুমতি/স্বীকৃতি তাৰিখ উল্লেখ কৰিব)

(ঘ) বন্ধৰ নিৰ্দ্দেশনা দিয়াৰ পিচত কিহৰ ভিত্তিত এনেবোৰ শিক্ষানুষ্ঠানৰ অনুমতি/স্বীকৃতিৰ ব্যৱস্থা কৰা হ'ল?

(ঙ) 'অনুমতি' অথবা 'স্বীকৃতি' বন্ধ কৰি দিয়া নিৰ্দ্দেশনা কেতিয়া প্ৰত্যাহাৰ কৰা হ'ব?

শ্ৰী গৌতম ৰৱা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ২০-৪-৯৪ তাৰিখৰ পৰা দুবছৰৰ বাবে বন্ধ আছে।

(গ) বিদ্যালয় সমূহৰ নাম অনুবন্ধ 'ক' ত সংলগ্ন কৰা হৈছে। (See the Annexure—VII)

(ঘ) বিশেষ প্রয়োজনৰ ভিত্তিত স্কুল সমূহৰ অনুমতি আৰু স্বীকৃতি প্রদান কৰা হয়।

(ঙ) ২০-৪-৯৬ তাৰিখৰ পৰা।

Sub: **Printing of confidential papers.**

Shri Munin Mahanta asked :

367. Will the Minister of State Education, Assam be pleased to state :

(a) Is it fact that Mrs. Hellena Begum the Secretary State, Madrassa Education Board and Deputy Director, Madrassa Education, Assam, proceeded to Calcutta for printing of confidential papers of various Madrassa Examination, 1994 to be held during the year 1995 with an information to the Government of Assam ?

(b) If so whether purpose of visit for printing had been served in Calcutta ? If not why she returned to Guwahati without performing her responsibility and what decision has been taken at Calcutta to serve the purpose ?

(c) If not, is it not misuse of public money and negligency of duty and a direct violation of the order of the authority ?

Shri Gautam Bora, Minister of State Education replied :

(a) Yes, she had travelled with the approval of the Chairman, state Madrassa Education Board.

(b) The purpose was not fulfilled.

(c) She returned from Calcutta as the concerned Press refused to carry out the order.

বিষয়: শিক্ষানুষ্ঠানত আৱক্ষীৰ শিবিৰ।

শ্ৰী নিজামুদ্দিন খানে সুধিছে:

৩৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) শিক্ষানুষ্ঠান বা প্ৰশিক্ষণ কেন্দ্ৰত সামৰিক, অৰ্দ্ধসামৰিক বা আৱক্ষীৰ শিবিৰ আছে নে?

(খ) যদি আছে, সেই অনুষ্ঠান সমূহত পাঠদান বা প্ৰশিক্ষণ দিয়া কাৰ্য্য কেনেকৈ চলাই থকা হৈছে?

(গ) এই সম্পৰ্কে অনতি পলমে ব্যৱস্থা লবনে?

শ্ৰী গোলোক ৰাজবংশী উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে:

(ক) হয় আছে।

(খ) হাউলীত অৱস্থিত তিনিখন শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ভিতৰত হাউলী নৰ্মাল স্কুলৰ আৱাস গৃহৰ একাংশত শিবিৰ থকা বাবে ১৯৯৪ ইং চণৰ আগষ্ট মাহত অনুষ্ঠিত নৰ্মাল চুৰান্ত পৰীক্ষা হাউলী কেন্দ্ৰত পাতিৰ পৰা নগল। অৱশ্যে চলিত বছৰৰ নিয়মীয়া পাঠদান কাৰ্য্য এতিয়া চলাই থকা হৈছে! হাউলী বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ পাঠদানত আৰু আৱাসিক ব্যৱস্থাত কোনো ব্যাঘাত হোৱা নাই কিন্তু হাউলী জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত সামৰিক শিবিৰ থকা বাবে কোনো ধৰণৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্য এই প্ৰতিষ্ঠানত চলা নাই।

(গ) বিষয়টো ৰবপেটা জিলা কৰ্ত্তৃপক্ষৰ দৃষ্টি গোচৰ কৰা হৈছে।

Sub: **Representation of all Assam College Teachers.**

Shri Sahidul Alam Choudhury, asked :

369. Will the Minister of Higher Education be pleased to state :

(a) Whether the Government have received any representation from all Assam College Teachers Association alleging assault of Shri Bidyut Paul, a lecture of S.S. College, Hailakandi by Shri Rahul Roy son of Sri Gautom Roy on 9th September, 1994 dragging him out from the class room ?

(b) If so, what action has been taken regarding the matter ?

(c) Whether the said Bidyut Paul has been still working as a Lecturer in S. S. College ?

Sri Golok Rajbangshi (Minister of Education (Higher) replied :

(a) No.

(b) Does not arise.

(c) No. Shri Bidyut Paul was on leave upto 17-10-94 and subsequently resigned. He was serving against non-sanctioned post.

বিষয় : লিয়েন ছুটী ।

শ্রী বদন বকত্বাই সুধিছে :

৩৭০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে :

(ক) গুৱাহাটী গান্ধীনগৰ ছোৱালী হাইস্কুলৰ সহকাৰী শিক্ষক এজনে অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকৰ হুকুম নং—GB-EST / LIEN / EXTN/55/93/5 dt. 7-2-94 মৰ্ম্মে এবছৰৰ ঘাবে LIEN বিষয়ক

ছুটি লোৱা কথাটো সঁচানে ?

(খ) যদি সঁচা, সেই ছুটিত কাৰোবাক নিযুক্তি দিয়া হৈছিল নেকি ?

(গ) যদি হৈছিল ছুটিত নিযুক্তি দিয়া শিক্ষকজনৰ নাম আৰু শিক্ষাগত অহৰ্তা কি ?

(ঘ) লিয়েন ছুটি লোৱা শিক্ষক গৰাকীয়ে ১৯৯৫ চনৰ ৬ ফেব্রুৱাৰীত বিদ্যালয়-খনত পুনৰ যোগদান কৰা কথাটো সঁচানে ?

(ঙ) যদি সঁচা ছুটিৰ শেষত কামত যোগদান কৰা শিক্ষকজনৰ বিদ্যালয়ৰ শিক্ষকৰ উপস্থিতি বহীত কৰা স্বাক্ষৰবোৰ প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে কাটি দিয়া সত্যানে ?

(চ) যদি সত্য, উক্ত কাম মাধ্যমিক শিক্ষা সঞ্চালকৰ নিৰ্দেশনাত কৰিছে নেকি ?

শ্ৰীগৌতম বৰা (বাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, সঁচা শ্ৰী পবেশ বৈশ্য নামৰ বিজ্ঞান শিক্ষক এজনে এবছৰৰ কাৰণে লিয়েন বিষয়ত ছুটী লৈছিল।

(খ) হয়। সেই শিক্ষকজনৰ ছুটীত এজন অহৰ্তা সম্পন্ন শিক্ষকক নিযুক্তি দিয়া হৈছিল।

(গ) নিযুক্তি দিয়া শিক্ষকজনৰ নাম শ্ৰীপৰাগ বৰঠাকুৰ আৰু তেখেতৰ শিক্ষাগত অহৰ্তা হৈছে বি, এচ, চি অংক সহ।

(ঘ) হয়, সঁচা। শ্ৰী বৈশ্যই ছুটীৰ অন্তত নিজেই ২৫।৩।৯৫ ইং তাৰিখে পুনঃ স্কুলত যোগদান কৰে আৰু সিদিনাই শ্ৰীবৰঠাকুৰক শিক্ষক পদৰ পৰা অব্যাহতি দিয়া হয়।

(ঙ) অনুসন্ধান কৰাৰ ব্যৱস্থা লোৱা হৈছে।

(চ) তেনেধৰণৰ কোনো প্ৰশ্ন নুঠে।

বিষয় : গৃহ নিৰ্ম্মাণৰ অনুদান।

শ্ৰী নগেন শৰ্ম্মাই সুধিছে ঃ

৩৭১। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯১, ১৯৯২, ১৯৯৩ আৰু ১৯৯৪ চনত অসমত প্ৰাথমিক স্কুলৰ গৃহ নিৰ্ম্মাণৰ বাবে SC আৰু ST ক বাদ দি অনুদান দিয়া হৈছে নেকি ?

(খ) যদি দিয়া হৈছে অসমৰ কোন কোন জিলাত আৰু কোন বোৰ স্কুলত দিয়া হৈছে তাৰ তালিকা এখন সদনৰ মেজত বাখিবনে ?

(গ) অসমত ১৯৯১, ১৯৯২, ১৯৯৩ আৰু ১৯৯৪ চনত ধুমুহাত কিমানখন এল, পি আৰু এম, ই স্কুল ক্ষতি হৈছে তাৰে কিমানখনত পুনৰ নিৰ্ম্মাণ আৰু মেৰামতিৰ বাবে অনুদান দিয়া হৈছে?

শ্ৰীগৌতম ৰৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দিয়া হোৱা নাই।

(খ) প্ৰশ্ন নুঠে

(গ) জিলা ভিত্তিক প্ৰতিবেদন ক্ষেত্ৰ বিষয়াৰ পৰা বিচৰা হৈছে।

বিষয় : শিক্ষক-শিক্ষয়িত্ৰীৰ আন্দোলন।

শ্ৰীভুপেন ৰায়ে সুধিছে :

৩৭২। মাননীয় শিক্ষা (ৰাজ্যিক) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মজলীয়া বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে চলাই থকা আন্দোলন সম্পৰ্কত চৰকাৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত তেখেত সকলৰ দাবী সমূহ কি কি ?

(গ) দাবী সমূহৰ সন্দৰ্ভত চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীগৌতম ৰৰাই (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় জ্ঞাত।

(খ) দাবী সমূহৰ এখন তালিকা 'ক'ত সংযোগ কৰা হ'ল। (See the Annexure VIII)

(গ) হয়, দাবী সমূহ চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

DISCUSSION DURING ZERO HOUR

Mr. Speaker : Question Hour is over. Now Zero Hour. I have received as many as 15 Zero Hour motion for 28-3-95 in the name of the following Honourable Members :

1. Shri Hitendra Nath Goswami.
2. Shri Ramendra Narayan Kalita.
3. Dr. Kamala Kalita.
4. Shri Nizamuddin Khan.
5. Shri Dilip Kumar Saikia.
6. Shri Babul Das
   Shri Gahin Chandra Das.
   Dr. Zoii Nath Sarmah.
7. Smti. Renupoma Rajkhowa.
8. Shri Mission Ranjan Das.
9. Smti. Renupoma Rajkhowa.
10. Smti. Renupama Rajkhowa.
11. Smti. Renupoma Rajkhowa.
12. Shri Dhruba Kumar Sen.
13. Shri Rameswar Dhanowar.
14. Shri Hiteswar Deka.
15. Shri Hiteswar Deka.

As per Rules, I have selected only 3 Zero Hour Notices for raising befor the House today :

I Now, call upon the Honourable Member, Dr. Kamal Kalita to raise his

Zero Hour motion which was published in "Ajir Asom" dtd. 27.3.95 under the action "পানীখাইতী অঞ্চলত প্ৰবল খহনীয়া"।

* ডা: কমলা কলিতা :—মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালিৰ "আজিৰ বাতৰি" কাকতত প্ৰকাশিত "পানীখাইতি অঞ্চলত প্ৰবল খহনীয়া" শীৰ্ষক বাতৰিটোৰ প্ৰতি মই বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো আৰু এই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা লোৱা ব্যৱস্থাৰ বিষয়ে জানিবলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, কামৰূপ জিলাৰ পলাশবাৰী-গুমী প্ৰকল্পৰ ১৫ কোটি টকাৰো বেছি টকা খৰচ কৰি নিৰ্ম্মাণ কৰা হৈছিল। এই প্ৰকল্পৰ পশ্চিম অঞ্চলত এতিয়া এনেধৰণৰ প্ৰবল খহনীয়া হৈছে যে এই খহনীয়াৰ ফলত দক্ষিণ কামৰূপ বিশেষকৈ পলাশবাৰী, ছয়গাওঁ, বকো এলেকাৰ অধিকাংশ অঞ্চল বানপানীৰ কৱলত পৰিছে। আমি ১৯৯৩ চনৰ পৰা বিভাগক কৈ থকা সত্বেও বা আমি অনুৰোধ কৰি থকা সত্বেও আজিলৈকে চৰকাৰৰ ফালৰ পৰা কোনো ফলদায়ক বিহিত ব্যৱস্থা লোৱা দেখা নগ'ল। ১৯৯৩ চনৰ ১৩ আগষ্ট তাৰিখে আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে নিজে সেই অঞ্চললৈ গৈছিল। আৰু তেখেতে নিজে দেখা পাইছে তাৰ প্ৰচণ্ড ধাৰ হৈ থকা খহনীয়াৰ দৃশ্য। তেখেতে গড়া খহনীয়া প্ৰতিৰোধ কৰাৰ বাবে ব্যৱস্থা লোৱা হব বুলি ৰাইজক আশ্বাস দি আহিছিল। কিন্তু আজি ১৯৯৫ চনৰ এই সময়-ছোৱা লৈকে একো ব্যৱস্থা লোৱা দেখা নগ'ল। আজি সেই অঞ্চলৰ প্ৰায় ২ লাখ ৰাইজে অনিশ্চিত ভবিষ্যৎত ভুগিবলগীয়া হৈছে। এতিয়া এপ্ৰিল মাহ পাও পাও অৱস্থা। বাৰিষা আহিবৰ সময় আহি পৰিছে। গতিকে সেই অঞ্চলৰ যিটো প্ৰকল্প বা ভঙা মথাউৰি নিশ্চিহ্ন হৈ গৈছে সেইটো মেৰামতিৰ বাবে কি ব্যৱস্থা লৈছে আমাৰ বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীয়ে জনাব লাগে। কাৰণ এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। অধ্যক্ষ মহোদয় ১৯৯৪ চনত মঠাউৰিটোৰ নিৰ্ম্মাণৰ কাৰণে আমি গৈ গৈ বিফল হৈছিলো। আৰু তেতিয়া মঠাউৰিটো ডি আৰ ডি এৰ ফালৰ পৰা ৫ লাখ টকা ব্যয় কৰি নিৰ্ম্মাণ কৰি দিয়া হৈছিল। আকৌ সেই মথাউৰিটো ১৯৯৪ চনৰে বানপানীত নিশ্চিহ্ন হৈ গৈছিল তাৰ পিছত ডি আৰ ডি এৰ ফালৰ পৰা কোনো ব্যৱস্থা

* Speech not corrected.

লোৱা হোৱা নাই । আমাৰ এটা বান নিয়ন্ত্ৰণ বিভাগ থকাৰ পিছতো বিয়া আজিলৈকে এই অঞ্চলৰ খহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে কিয় এনে ব্যৱস্থা লোৱা হোৱা নাই আমাক এই সদনৰ মজিয়াতে জনাব লাগে । ১৫ কোটি টকাৰো অধিক টকা খৰচ কৰি নিৰ্ম্মাণ কৰা গুমী পলাশবাৰী প্ৰকল্পটো নিশ্চিহ্ন হোৱাৰ পিছত সেই নিশ্চিহ্ন মথাউৰিটো নিৰ্মাণৰ কাৰণে কি ব্যৱস্থা লৈছে আমাক এই সদনৰ মজিয়াতে জনাব লাগে । ইয়াকে কৈ মোৰ কবলগীয়া সামৰিছো ।

Shri Haren Bhumiz (Minister flood control) Sir, I will make a statement during the session.

(Noise and interuption)

Mr. Speaker :—I now, call upon the Honounable Member Sri Mission Ranjan Das to raise his Zero Hour motion which was published in "The Assam Tribune" dated 27,3.95 under the caption- "Vocational education Sans Text-book."

শ্ৰীমিছন ৰঞ্জন দাস :—মাননীয় অধ্যক্ষ মহোদয়, মোৰা কালিৰ ২৭।৩।৯৫ তাৰিখৰ 'দি আসাম ট্ৰিবিউন' বাতৰি কাকতত প্ৰকাশিত "ভোকেছনেল এডুকেছন চেনচ টেক্সবুক, শীৰ্ষক বাতৰি ওলাইছে । অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিখন ৰূপায়িত কৰিব পৰা নাই । কেন্দ্ৰীয় চৰকাৰৰ বহুত খিনি টকা এতিয়া ৰাজ্য চৰকাৰে ইউটিলাইজেছন কৰিব পৰা নাই, যাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰে ইউটিলাইজেছন চাৰ্টিফিকেত নিদিয়াৰ কাৰণে আজি ভৱিষ্যৎৰ কাৰণে টকা দিয়া নাই : এইটো এটা গুৰুত্বপূৰ্ণ বিষয় । আমি জানো কেৱল কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাই কেতিয়াও ৰাজ্যখনৰ নিৰন্নুৱা সমস্যা সমাধান কৰিব নোৱাৰে । কেন্দ্ৰীয় চৰকাৰে এইটো ভালদৰে উপলব্ধি কৰিয়েই নিৰন্নুৱা সমস্যা সমাধান কৰাৰ কাৰণে ভোকেছনেল কোৰ্চ চলাৰ বিচাৰিছে । আমাৰ ইয়াতে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মতে ১৯৮৭-৮৮ চনতে আৰম্ভ হৈছে । আমি দেখিবলৈ পাইছো আমাৰ ৰাজ্যত হাইৰ চেকেণ্ডাৰী স্কুলত এই কোৰ্চ আৰম্ভ কৰা হৈছে ।

* Speech not corrected.

আমাৰ জিলাত উচ্চতৰ মাধ্যমিক বিদ্যালয়বিলাকত ভোকেছনেল শিক্ষকৰ পোষ্ট চেংছন নথকাত আৰু টেক্সটবুক নথকা কাৰণে কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিখন বাস্তবায়িত হোৱা নাই। এই ক্ষেত্ৰত আমি দেখিবলৈ পাইছো অসম চৰকাৰ এই ক্ষেত্ৰত সম্পূৰ্ণ ব্যৰ্থ হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মানি চলিব পৰা নাই। সেই কাৰণে আজি অসমৰ শিক্ষাৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীবিলাকে যিটো সুযোগ সুবিধা পাব লাগিছিল সেইটো পোৱা নাই। সেই কাৰণে ভাৰতৰ কণ্ট্ৰ'লাৰ এণ্ড অডিটৰ জেনেৰেলে অসম চৰকাৰক তদন্ত কৰিবলৈ দিছে আৰু অসম চৰকাৰে যদি কেন্দ্ৰীয় চৰকাৰৰ টকা খৰচ কৰাৰ ইউটিলাজেছন চাৰ্টিফিকেট দিব পাৰিলে টকা দিয়া হব বুলি কৈছে। সেই কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কিয় কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ বাস্তবায়িত কৰা হোৱা নাই? কিয় টেক্সটবুক বিলাক বিভিন্ন বিদ্যালয়বিলাকত দিয়া হোৱা নাই যিবিলাক বিদ্যালয়ত এই ভোকেছনেল ট্ৰেইনিং কোৰ্চ আৰম্ভ হৈছে। আমাক মন্ত্ৰী মহোদয়ে জনাব লাগে কেতিয়া এইবিলাক বিদ্যালয়ত দিয়া হ'ব। আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনিবিলাক কেতিয়া চালু কৰা হব?

* শ্ৰী গৌতম বৰা (বাজ্যিক শিক্ষা মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক মিছন ৰঞ্জন দাস ডাঙৰীয়াই যিটো বিষয় শূন্য কালত উত্থাপন কৰিছে সেইটো নোটিচ মই আজিহে সদনত পাইছো। গতিকে মই এই বিষয়ে চলিত অধিবেশনতে সদনত জনাম। মই আজি এই বিষয়ে একো কব নোৱাৰো।

Mr. Speaker :—I, now, call upon the Honourable Member, Shri Dhruba Kumar Sen to raise his Zero Hour motion which was published in "Ajir Sangbad" dated 25-3-95 under the capition. "ধুবুৰী অসামৰিক চিকিৎসালয়ৰ দুৰৱস্থা।

* শ্ৰী গহীন দাস : এই বিলাক কেনে ধৰণৰ কি কৰে নাজানো। গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা হব নিদিয়ে।

---

* Speech not corrected.

* শ্রী ধ্রুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয় "ধুবুৰী অসামৰিক চিকিৎসালয়ৰ দুৰৱস্থাৰ বিষয়ে কৰ বিচাৰিছো। ধুবুৰী দুইশ বিচনাযুক্ত চিভিল হাস্পাতাললৈ দুর্গন্ধত যাব নোৱাৰি। এই হাস্পাতালখনত ঔষধ পাতি একো নাই। বেজী দিয়াৰ কাৰণে প্রয়োজনীয় ঔষধ নাই। দৰকাৰী ঔষধ কোচ বিহাৰৰ পৰা আনিব লাগে। খাদ্য, চাবিওফালৰ পৰিবেশ অতি বেয়া। ঠিকাদাৰে যোগান দিয়া ঔষধৰ বিল নাপায়। নিম্ন মানৰ ঔষধ দি আছে। অপাৰেচনৰ বাবে প্রয়োজনীয় বস্তু পোৱা নাযায় বাহিৰৰ পৰা আনিব লাগে। দুইশখন বিচনাযুক্ত হাস্পাতালত এটা জেনেৰেটৰ নাই। ল'দ চেডিঙৰ কাৰণে অপাৰেচন টেবুলত লাইট বন্ধ হৈ গৈছে। গতিবে মই এই বিষয়টোৰ প্রতি স্বাস্থ্য মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিলো।

* ডাঃ ভূমিধৰ বর্ম্মন (স্বাস্থ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী অসামৰিক চিকিৎসালয়ৰ দুৰৱস্থা সম্পর্কৰ বাতৰিটো পঢ়িছো। মাননীয় সদস্য গৰাকীৰ কথাবিলাক মনোযোগেৰে শুনিছো। যোৱা দুদিনমান আগতে মাননীয় সদস্য গৰাকীয়ে মোক লগ ধৰিছিল। আৰু তেখেতে কৈছিল যে মই খুব ভাল পাইছো। ধুবুৰীত কাম-কাজ আৰম্ভ হৈছে। আগতে বেয়া আছিল এতিয়া ভাল কাম-কাজ কৰিব ধৰিছে। তেখেতে কৈছে ঔষধ নাই। আগতে কম আছিল। এতিয়া আৱশ্যকীয় ঔষধ দি থকা হৈছে। ধুবুৰী জিলাৰ প্রধান কার্য্যলয়, তাত যিবিলাক ঔষধ নাই, সেই বিলাক নিশ্চয় দামী ঔষধ। কোচবিহাৰৰ পৰা আনিব লগা হয় বুলি কৈছে। তেনেকুৱা দামী দৰৱ দিয়াটো সম্ভৱ নহয়। এই কথাটো আপুনি উপলব্ধি কৰিব। তেখেতে জেনেৰেটৰ কথা কৈছে। যদি বেয়া হৈ আছে তেন্তে মেৰামতি কৰি দিম। যদি নাই তেন্তে নতুন দিম। ইয়াৰ ওপৰি X—ৰে মেচিন বহুৱাম। ধুবুৰী চিকিৎসালয় ভাল কৰিবলৈ চৰকাৰে আগ্রহ প্রকাশ কৰিছে। সেই হিচাবে ব্যৱস্থা লৈছো।

* শ্রী দিলীপ কুমাৰ শইকীয়া : আমাৰ মাননীয় মহিলা সদস্যা গৰাকীয়ে অসম মেডিকেল কলেজৰ কেলেংকাৰী সম্পর্কত জিৰ আৱাৰত উৎথাপন কৰিছিল। নটিচ দিয়া গম পাই আজি পুৱা ৫ বজাত ফোন যোগে ধমকি দিছে।

* Speech not corrected.

* ডঃ জয়নাথ শর্ম্মা ঃ মহিলা সদস্যা গৰাকীক ধমকি দিয়া মানে নাৰীৰ ওপৰত কংগ্রেছ চৰকাৰৰ অত্যাচাৰ এই কথা প্রকট হৈ গৈছে। মহিলাক কিয় ধমকি দিয়ে।

* শ্রী দিলীপ কুমাৰ শইকীয়া : অসমীয়া জাতিৰ বিৰুদ্ধে মাতঙ্গ সিঙে বিবৃতি দিছে।

NOTICE OF ADJOURNMENT MOTION

Mr. Speaker : I have received a notice of Adjournment Motion under Rule 56 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly given notice by the Honourable Members—

Shri Prafulla Kumar Mahanta.
Shri Sasha Kamal Handique.
Shri Karendra Basumatary.
Shri Zoii Nath Sarma.
Shri Promode Gogoi.
Shri Hitendra Nath Goswami.

I now call upon the Honourable Member Shri Prafulla Kumar Mahanta to speak very briefly only on its admissibility.

* Shri Dewan Joynal Abedin : I draw the attention of the House and ask the Honourable Chief Minister to let the House know what action has been taken to rehabilitate.

Mr. Speaker : আপুনি কি হৈছে বহকচোন। Now Mr. Mahanta to speak.

* Speech not corrected.

* Shri Prafulla Kumar Mahanta : As per Rule 56 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I want to move an Adjourment Motion under the caption. " ভূমিধৱ বৰ্ম্মণে এই মৃত্যুৱ দায়িত্ব লবনে"। Sir, the matter is very urgent and relate to the safety of the honest officials.

অধ্যক্ষ ডাঙৰীয়া, এই সম্পর্কে বাতৰি কাকতত প্রকাশ হৈ গৈছে। মধুৰাম ডেকাই ডি, আই হিচাবে ১৯৯৪ চনৰ ডিচেম্বৰ মাহৰ ১৫ তাৰিখে কামত কামত যোগদান কৰে। তেওঁ যোগদান কৰাৰ আগতে বিদ্যালয়ৰ সমূহ পদ পুৰণ বন্ধ কৰি ৰখা হৈছিল। হাইকোৰ্টে ৬ জনক নিযুক্তি দিয়াৰ কাৰণে নির্দ্দেশ দিছিল। নির্দ্দিষ্ট দিনৰ ভিতৰত নিযুক্তি নিদিলে কোৰ্টক অৱমাননা কৰাত দায়বদ্ধ হৰ। মন্ত্রী ডাঙৰীয়াই উপদেষ্টা কমিটি গঠন কৰিছিল আৰু উৎপাতত এই মানুহজন তিষ্টি থাকিব নোৱাৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, সেই উৎপাতত তিষ্টি থাকিব নোৱাৰিলে। আৰু তাৰ কাৰণে অতিকৈ বেয়া পন্থা আত্মহত্যা কৰিব লগা হোৱাটো অতি পৰিতাপৰ কথা। এই ক্ষেত্রতে আজি এজন 'অনেষ্ট' অফিচাৰে মৃত্যু পন্থা বাছি লব লগা হ'ল। এইটো এটা গুৰুত্বপূর্ণ কথা, ইয়াত 'পাব্লিক ইম্পটেন্ট আছে। কিয়নো এজন মন্ত্রীৰ অইন বিৰোধী কার্য্যকলাপৰ কাৰণে এজন সাধু চৰকাৰী বিষয়াই আত্মহত্যাৰ দৰে চৰম মৃত্যুৰ পথ বাচি লব লগা হল। আমাৰ নিয়মাৱলী ৫৭ অনুচেদত কেউটা দিশ দিয়া আছে ৮ নং ক্লজত আৰু ৫৮ নং টো প্রয়োগ হৈছে। সেইটো সেই কাৰণে বিচাৰো এইটো কেওঁটা ক্লজতে দিয়া আছে। সেয়ে মাননীয় অধ্যক্ষ মহোদয় এই সভা স্থগীত প্রস্তাৱ টো সদনত আলোচনা কৰিবলৈ সুবিধা দিব লাগে।

শ্রী প্রমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, সভাস্থগীত প্রস্তাৱটো এই কাৰণে উৎথাপন কৰা হৈছে সেই ঘটনাটো সদন চলি থাকোতে যোৱা ১৭ মার্চত সংঘটিত হৈছে। যোৱা ১৭ মার্চত ৰলবাৰীৰ ডি আই মধু ৰাম ডেকাই আত্ম হত্যা কৰিব লগা হল। এজন মানুহে আত্মহত্যা কৰিলে, সদন প্রত্যক্ষ

* Speech not corrected.

ভাবে জড়িত হব নোৱাৰে। কিন্তু সেই বিষয়াজনে আত্মহত্যা কৰিবৰ আগত টোকা লিখি থৈ গৈছে। এই টোকা অতি মৰ্ম্মান্তিক। টোকাত তেখেতে লিখি থৈ গৈছে—"অৱসৰলৈ ৬/৭ মাহ থাকোতে তিনিজনী গাভৰু ছোৱালী থাকোতে, ৰুগীয়া পত্নী, নিৰুপুৱা লৰাজনক অধঃপতনে নি মায়া মোহ ত্যাগ কৰি মৰিব লগা হল। মোকো মহা পাপ হব। কিন্তু মৰিলেই চাকৰিৰ যন্ত্রনাৰ পৰা মুক্তি পাম যেন অনৰৰত ভাব আহি থাকে। টকা-পইচা নোহোৱা-কৈ ঘৰখন হাহাকাৰত ডুবাই দিলো। —মই যেন একো নাজানো, বুৰ্বক তেনে ভাব হল। মোক দেখি যেন সকলোৱে হাহে। —ইতি মধ্যে বহু কনটেম্পট্ কেচ আহিল। মই বহু কথা বুজি নেপাওঁ। এপণ্টমেণ্ট দিব গৈও বুজি নাপাই থৈ দিছো। সঞ্চালকৰ কোনো সহাৰি নাই। সহজ-সৰল জীৱন-যাপন কৰি এতিয়া ৰৰ বেয়া পাকত সোমালো। —প্রকৃত নিয়োগৰ সময়ত মহা প্রলয় হব। এফালে মন্ত্রী আনহাতে বিক্ষুব্ধ আই। সকলোৱে মোক ক্ষমা কৰক।"

মাননীয় অধ্যক্ষ ডাঙৰীয়া এই ঘটনাটোৰ লগত আমাৰ এজন মন্ত্রীসভাৰ সদস্য প্রত্যক্ষ ভাবে উল্লেখ আছে। এইটো এটা অতি ভয়াবহ কথা মন্ত্রীৰ হেচাত এজন সৎ বিষয়াই আত্মহত্যা কৰিব লগা হল আৰু এই গোটেই ঘটনা বিলাক যিহেতু আমাৰ সদনৰ লগত জড়িত হৈ গৈছে কিয়নো তেওঁ এজন মাননীয় মন্ত্রীৰ নাম উল্লেখ কৰিছে আৰু সেই জিলাত আন কোনো মন্ত্রী নাই সেয়ে সেইজন মন্ত্রীকে সন্দেহ কৰা হৈছে। নলবাৰী জিলাত এজন মন্ত্রী আছে, যিজন মন্ত্রীয়ে এলিমেণ্টৰী বৰ্ডৰ সেই খনৰ চেয়াৰমেন আছিল বা বৰ্ত্তমান হৈ আছে। বে আইনী কাম কৰিবলৈ দিয়াৰ বাবে যিজন সৎ বিষয়াই আত্ম-হত্যা কৰিবলৈ পালে তাতকৈ কি পৰিতাপৰ বিষয় থাকিব পাৰে। সেই কাৰণে আমাৰ কল ৫৬ ত তাত থিক কোৱা হৈছে যে আলোচনাৰ কাৰণে সভা স্থগীত প্রস্তাব আনিব পাৰে। যোৱা ১৭ মার্চত যিটো দুর্ঘটনা হৈছে ইয়াত ৰাজহুৱা গুৰুত্ব আছে। বর্ত্তমান চৰকাৰে এজন চৰকাৰী বিষয়াক বে আইনী কাম কৰিবলৈ দিয়াত তাৰ পৰিনতি হিচাবে সেই সৎ চৰকাৰী বিষয়াজন আত্মহত্যা কৰিবলগা হৈছে। ঠিক তেনেধৰণৰ শিৱসাগৰ জিলাৰ

* Speech not corrected.

প্রজেক্ট ডিবেক্তব মিঃ বৰুৱাই তেনে কৰিছিল। এই বিলাক আলোচনা কৰা সদনৰ প্রয়োজন ৫৭ অনুচেদত ধৰা যি বিলাক 'বেটিকশ্যন কৰা হৈছে সেই বিলাকত সভাস্থগীত প্রস্তাব উপস্থাপন কৰাত বাধা নাই। এই বিষয়টো আগতে আলোচনা কৰা নহল ভবিষ্যতেও আলোচনা কৰাব সম্ভাবনা নাই। এই ক্ষেত্রত এই সকলো বিলাক কনণ্ডিশ্যন' পূৰণ কৰিছে। সেই কাৰণে অধ্যক্ষ মহোদয় এই গুৰুত্বপূর্ণ দিশটোলৈ লক্ষ্য ৰাখি এই বিষয়টো বিধান সভাত প্রস্তাব অনা হৈছে। সেই কাৰণে এই বিষটো আলোচনা কৰিবলৈ অনুমতি জনাব লাগে।

* শ্রী শশ কমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সভা স্থগীত প্রস্তাবটো ৫৭ অনুচেদত ধৰাৰ দৰে সকলো কথা পূৰণ কৰিছে। এই নটিচ ৰা জাননী দিয়া আছে। মাননীয় অধ্যক্ষ মহোদয়, মধু ৰাম ডেকা সৎ চৰকাৰী বিষয়া। তেওঁ মন্ত্রী সভাৰ এজন মন্ত্রীৰ হস্তক্ষেপৰ কাৰণে আত্মহত্যা কৰিব লগা হল। তেওঁ মৃত্যুৰ আগতে ডিকলেয়াৰশ্যনত লিখিছিল। তিনিজনী গাভৰু ছোৱালী থাকোতে, ৰুগীয়া পত্নী নিবন্ধুৱা লৰাজনক নি মায়ামোহ ত্যাগ কৰি মৰিব লগা হল। এইজন বিষয়াৰ আত্মহত্যাত তেওঁৰ লিখনিত মন্ত্রী জড়িত আছে বুলি উল্লেখ কৰিছে। সমগ্র অসমখনতে বর্ত্তমান শিক্ষা জগতত এটা অৱনতি হৈছে। তাৰ কাৰণে এই সভাস্থগীত প্রস্তাব আলোচনা কৰাৰ অতিৰ প্রয়োজন। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগটো যি বিলাক খেলিমেলি হৈছে, মন্ত্রী সভা বা শাসক দলৰ সদস্য-সকল বা শিক্ষা উপদেষ্টা বর্ডৰ প্রত্যেকটো কাম কাজ বা নিযুক্তি হৈছে তাৰ কিছুমান যুৱক গৈ হাই কর্ট কেচলৈ যাব লগা হৈছে। গতিকে এই কথা বিলাক আলোচনা কৰিবলৈ মধুৰাম ডেকাৰ আত্মহত্যাই আমাক বিষয়-টো চিন্তা কৰিবলৈ বাধ্য কৰিছে। এই বিষয়টো সদনত আলোচনা কৰিবলৈ দিয়া ভাল কিয়নো আৰু শশ মধুৰামে আত্মহত্যা কৰি আৰু বেআইনী ভাৱে শ শ শিক্ষক নিযুক্তি দিয়াৰ পিচত নতুনকৈ উঠি অহা জন্মটোক ধ্বংস কৰাৰ ব্যৱস্থা কৰা হব। গতিকে স্বাভাবিকতে এইটো এটা গুৰুত্বপূর্ণ বিষয় আৰু সদনৰ প্রক্রীয়াৰ সকলোবিলাক স্বত্ব পূৰণ কৰাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ে এই বিষয়টো আলোচনা কৰিবৰ কাৰণে আমাক অনুমতি দিব আৰু ভবিষ্যতে

* Speech not corrected.

যাতে কোনো মধুবামে কালতে আত্মহত্যা কবিবলগা নহয় তাব কাবণে এই সভাস্থগীত প্রস্তাবটো আলোচনাব বাবে মই সমর্থন কবিছো।

Shri Karendra Basumatari : Mr. Speaker Sir, I would like to extend my support to the resolution for adjournment of the House as because it is a definite matter of public importance under Rules 56 and 57 under the Rules and Procedure and conduct of business in Assam Legislative Assembly. I have also seen in the news paper under the caption "Bhumidhar Barmane Ai dayatya labane". It is a serious matter Sir. So I would request your honur to allow us to discuss the matter. We should not allow any body may be an honourable member or a Minister, so that we can protect the system of Parliamentary Legislation because it may lower the dignity of the House, otherwise we will be blamed by the people of Assam. We cannot allow to go on such a notorious act committed by any one member. Such an official as Deputy Director of Education of Nalbari, who connot be described as an official alone, to my knowlege he can can be described as a Class I citizen of the country. So I would requcst your honour that the adminisibility of the adjournment motion be admitted. Thank you Sir.

* ড: জয় নাথ শর্ম্মা ঃ অধ্যক্ষ মহোদয়, আজি যিটো বিষয়ত সভা স্থগীত প্রস্তাব আহিছে সেই বিষয়টোব সম্পর্কত আমি নিশ্চয় এটা কথা জানো যে এনে বিষয় এডমিচিলিটিব কাবণে ৪ টা কণ্ডিচন ফুলফিল কবিব লাগে। সেই কণ্ডিচন কেইটা হ'ল : It is a definite matter of urgent Public importance, please appaint Sri Binod Baishya

* Speech not corrected.

son of Sri U. Baishya as L. P. School teacher singed by Health and family welfare minister. গতিকে এই ৪ টা কণ্ডিচন বিষয়টো এডমিচিবিলিটিৰ কণ্ডিচন ফুলফিল কৰিছে নে নাই সেই সম্পর্কত মই কব খুজিছো । এই ঘটনাৰ লগত যি গৰাকী মন্ত্রীৰ নাম জড়িত হৈছে সেই গৰাকী মন্ত্রীয়ে এজন ডি. আই. ক প্রথমতে এজনক নিযুক্তি দিয়াৰ কাৰণে লিখা চিঠি এখন মোৰ হাতত আছে। সেই খনত এনে ধৰণে লিখা আছে। Dr. A. C. Das who was a member of the Board has written " I have discovered with Hon'ble Minister Sri Bhumidhar Barman." এই চিঠিখনত ডাঃ ভূমিধৰ বৰ্ম্মনে চহী কৰিছে, ফেমিলি ওৱেলফেয়াৰ মিনিষ্টাৰ হিচাবে। এই ক্ষেত্রত মই আৰু এটা কথা কব খুজিছো যে এল, পি, স্কুলৰ এপইণ্টমেণ্ট চৰকাৰে পাতি দিয়া কমিটি এখন আছে । কিন্তু এনে কমিটি থকা সত্বেও ডঃ এইচ, চি, দাস, এম, এ, (পি, এইচ, ডি) এজন লৰাক এপইণ্টমেণ্ট দিয়াৰ কাৰণে চিঠি এখন দিছে । লৰাজনৰ নাম অখিল দাস । এই চিঠিখনৰ ফটো কপি মোৰ হাতত আছে । এতিয়া কথা হ'ল—যিজন মহিল সেই ক্ষেত্রত লিখা হৈছে—আননেচাৰেল ডেঠ বুলি । এতিয়া যিবোৰ ডকুমেণ্ট দিয়া হৈছে সেই বোৰৰ ওপৰত ভিত্তি কৰি তাত যাৰ যাৰ নাম আছে তেওঁলোকক এপ্রুভ কৰিব লাগিছিল ।

Mr. Speake : It is expunged আপোনাৰ এই কথাখিনি একসপাঞ্জড কৰা হ'ল । আপুনি এডমিচিবিলিটি সম্পর্ক কওক ।

* শ্রী জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয় মই এডমিচিবিটি সম্পর্কতে কৈ আছো । আৰু আছে—শুনক । এসপ্তাহৰ ভিতৰত চাকৰি নিদিলে মাৰিম বুলি ধমকি দিছে । —ভেকেন্সি থাকিলেও হস্তক্ষেপৰ কাৰণে নিযুক্তি দিব নোৱাৰে । প্রকৃত নিয়োগৰ সময়ত মহা বিলম্ব হব । এফালে মন্ত্রী আৰু আনফালে ৰাইজ । গতিকে ইয়াতকৈ আৰু প্রমান লাগে নেকি ?

১২ জনক হাই ক'র্টৰ বিচাৰমতে সঞ্চালকৰ পৰা মাথো কন্‌চিডাৰ কৰিবলৈ দিছে । কিন্তু ৩ জন প্রায় আছে। এজনে মোক মাৰিবলৈ অফিচৰ

* Spech not corrected.

ভিতৰতে চকী লৈ আহে। এসপ্তাহৰ ভিতৰত চাকৰি নহলে মাৰিম বুলি ধমকি দিয়ে। অফিচৰ সকলো মানুহে এইবোৰ জানে। অফিচৰ সকলো মানুহে মানুহ কেইজনক চিনি পোৱাৰ পিচতো কিয় ব্যৱস্থা লোৱা হোৱা নাই। আৰু এটা কথা হ'ল— তাত লিখা আছে এনে ধৰণে—শ্ৰদ্ধেয় বাইজ মাত্ৰ পদবী আৰু সম্মানৰ বাবে ডি, আই, পদত যোগদান কৰিছো। ১০-১২-৯৪ তাৰিখে ডি, আই, হিচাপে জইন নকৰাৰ পিচৰ পৰাই বিছুমান কাগজত চহী কৰিবলৈ বাধ্য হৈছো। যি কোনো কাগজত চহী কৰিবই লাগিব। এইটো বাধ্যতামূলক। সকলো টকা পইচা লেন দেন ৰৱৰাবু চন্দ্ৰ কলিতাই কৰে। কেচ বুক তেওঁৰেই লিখে। এইবোৰ আঙুলিয়াই দিছো।

মাননীয় অধ্যক্ষ : আপুনি এডমিচিৰিলিট ৰ ওপৰত বওক। আপুনি আৰু ডিচকাচনলৈ নাযাব।

ডঃ জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, ডাইৰেক্টৰৰ ওচৰলৈ আহিছে, তাত থিয় হৈ আছে, ডাইৰেক্টৰৰ যি কেইটা কেচ আছে সেই কেইটাত গুৰুত্ব দিছে। অফিচাৰৰ ক্ষেত্ৰত চকু দিয়া নাই। অফিচাৰৰ লগত লেন-দেন নাই। ইয়াত মন্ত্ৰীৰ ৰেচপন্‌চিৰিলিটি জৰিত হৈ পৰিছে মানুহ এজন মৰাৰ আগতে যদি লিখি থৈ যায় বা মুখেৰে কৈ যায় সেইটো এটা এভিডেন্স হৈ থাকে যেতিয়া মাননীয় মন্ত্ৰী শ্ৰী ভূমিধৰ বৰ্ম্মনৰ নামটো দেখিলো চখ খাই উঠিছিলো, স্বাস্থ্য মন্ত্ৰী জৰিত হৈ থকাটোত আচৰিত হৈছো।

* শ্ৰী ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে জুডিচিয়েল এন্‌কুৱাৰী ৰিপোৰ্টটো কৰ নেকি?

* ডঃ জয়নাথ শৰ্ম্মা : মানুহ এজন মৰি যোৱাৰ পিচতো আপুনি কৰ খোজে নেকি মন্ত্ৰীৰ ৰেচপেন্‌চিৰিলিটি নাই? মন্ত্ৰী জৰিত হৈ আছে। মানুহজন মৰাৰ আগ মূহুৰ্ত্তত কৈ যোৱাৰ পিচতো আজিলৈকে পুলিচে গ্ৰেপ্তাৰ কৰা নাই। তেখেতে আজিলৈকে মন্ত্ৰী হৈয়ে আছে। এইটো এডমিচিবুল নহয় নেকি?

মাননীয় অধ্যক্ষ : মিঃ শৰ্মা, যদি এডৰিচিৰিলিটিৰ ওপৰত নকয়, তেতিয়া হলে কোৱাটো বন্ধ কৰিৰ লাগে। মই যি কৈছো আপুনি শুনক নহলে বন্ধ কৰক।

* Speceh not corrected.

* ডঃ জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, আপুনি চৰকাৰৰ বিৰুদ্ধে বলে বেয়া পায়, আমি সঁচা কথাই কম।

মাননীয় অধ্যক্ষ : চৰকাৰ বুলি কোনো কথা নাই, এডমিচিবুল হব লাগে।

* ডাঃ জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, আমি ২১-৯-৯৪ তাৰিখে মুখ্য সচিবক এখন চিঠি দিছিলো। চিঠি বাখি থৈ দিলে।

মাননীয় অধ্যক্ষ : এডমিচিবিলিটিৰ ওপৰত আপুনি কওঁক।

* ডঃ জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, মোক কিয় বাধা দিয়ে, কবলৈ দিয়ক, শেষ কবিবলৈ দিয়ক।

মাননীয় অধ্যক্ষ : এডমিচিবিলিটিৰ ওপৰত কব লাগিব, যি পায় তাকে কলে নহব। (গন্দোগোল)

* শ্রী নগেন শর্ম্মা : অধ্যক্ষ মহোদয়, আমি কিলয়াবিফিকেশ্বন বিচা-বিছো ৪২৭ ধাৰাত কি লিখিছে।

মাননীয় অধ্যক্ষ : এডমিচিবিলিটিৰ ওপৰত কওঁক, আলোচনা নহব, আলোচনা হৈ আছে।

* শ্রী চন্দ্র মোহন পাটোৱাৰী : মননীয় অধ্যক্ষ মহোদয়, এডাজাবমেণ্ট মোচনৰ এডমিচিবিলিটি সম্পর্কে মন্ত্রীৰ বেচপন্‌চিবিলিটি আছে নে নাই কওঁক।

মাননীয় অধ্যক্ষ : This is one of the Coures এইটোৰ ওপৰত আলোচনা হওঁক।

* শ্রী চন্দ্র মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মিনিষ্টাৰৰ বেচ্‌পেন-চিবিলিটিৰ কথা আলিছে, বাস্তবি কাকতৰ দৃষ্টি আকর্ষন কৰা হৈছে। ৩২৭ ধাৰ ভিতৰত মিনিষ্টাৰৰ বেচ্‌পনচিবিলিটি আছে, গতিকে এডমিচিবিলিটিৰ ওপৰতে কম।

মাননীয় অধ্যক্ষ : এইটো ইলাবোবেশ্বন নম্বৰ। যুক্তি মতে কওঁক, আলোচনা নকৰিব। আপোনালোকে ডিটেইলচ যোৱা নাই।

* শ্রী চন্দ্র মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, এভিডেন্স সহকাৰে যুক্তি দিব নোৱাৰৰ বুলি লিখা আছে নেকি ?

Mr. Speaker : You speak on admissibility only,

* Speech not corrected.

* শ্রী হিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীপাটোৱাৰী ডাঙৰীয়াই যিটো কৈছে সেইটো বিলেভেণ্ট পইণ্ট । মই ফেকচুৱেলি নাযায়। এডিচিবিলিটিৰ ওপৰত দুটা কথা কম। Sir, the matter is definite and urgent by nature. Referred the book of Kaul & Shakdher "Page 418—Generally speaking, the subject matter of an adjournment motion must have direct or indirect relation to the conduct or default on the part of the Government and must be in the nature of criticim of the action of the Government either for having done some action or for having omitted to do some action which was urgently necessary at the moment.

মাননীয় অধ্যক্ষ : আপুনি ক'ব কিন্তু সি কথাই আগতে শেষ কৰক।

* ডঃ জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, মঙ্গলদৈত আনেচাবেল দেখ আগতেও হৈছে । এই বিলাকৰ ওপৰত পুলিচে কোনো একচন লোৱা নাই। বানেকুছিৰ শৰৎ কলিতা বুলি লৰা এজনে বিয়া কৰাবলৈ যাওঁতে খৈৰাবাৰী থানালৈ আনিলে।

মাননীয় অধ্যক্ষ : এইটো কলে নহব, আপুনি নিয়ম নামানে এনেকুৱাকৈ কলে নচলিব।

* ডঃ জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, যিবিলাক আন চেচাবেল দেখ হয় সেইটো ইউ, ডি, কেচ। ইয়াৰ আগতে কেচ হৈছে, মুখ্য সচিবক জনোৱা হৈছিল। এই ক্ষেত্রত দেখা যায় যে এইটো কেচ লোৱা নাই, কিন্তু কিছুমান মানুহৰ ওপৰত হেচা মাৰি পৰিব, কিছুমান অফিচাৰে হেচা মাৰি ধৰে, কিছুমান মন্ত্রী ৰাজনৈতিক দলে হেচা দিব। উপাই নেপাই মানুহজনে শেষত চুইচাইড কৰিব। এই কথা যদি হাউচে বিচাৰ নকৰে ক'ত কৰিব ?

* শ্রী হিতেশ নাথ গোস্বামী : মননীয় অধ্যক্ষ মহোদয়, মই দুটা কথাৰ ওপৰত দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। ইতিমধ্যে বাকী কেইজন সদস্যই

* Speech not corrected.

কৈছেই মিনিষ্ট্রিয়েল বেচপনচিবিলিটিব ওপবত বহুতো বাক বিতান্দা ইতিমধ্যে হৈছেই। অধ্যক্ষ মহোদয়, আমি অসমব কথাত আহিছো। ভাবতব কথাত নাহো। ইয়াত মন্ত্রীব অমিচন কমিচনব কথাটো আহিছে। এইটো এটা গুৰুত্বপূর্ণ বিষয়। গতিকে এই বিষয়টো সদনত আধা ঘণ্টাব কাবণে হলেও আলোচনা কবাব সুবিধা দিব লাগে। অধ্যক্ষ মহোদয় দ্বিতীয় কথাটো হ'ল পেজ নং ৪২০ ত Sir, in page is 20 "The matter sought to be raised by a motion for adjournment must relate to a single specitfie matter adjournment motion to discuess an inquiry report as a whole has been held on not to relating to a specific matter. আমাব হাতত সম্পুর্ণ তথ্য আছে। আমাব মাননীয় সদস্য শ্রী জয়নাথ শর্ম্মাই স্পষ্টভাবে ব্যাখ্যা কবিছে।

মাননীয় অধ্যক্ষ : ইয়াত কল আছে। যেতিয়া কনফুজন হয় তেতিয়া দেখুওৱা হয়। আমাব কলব মূল্য নাই নেকি। যেতিয়া চাইলেণ্ট হয় তেতিয়া মই কব পাৰো।

* শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে মেডিকেল কলেজব প্রিন্সিপালব হত্যা সম্পর্কত মাননীয় সদস্য শ্রী প্রমোদ গগৈ ডাঙবীয়াই যি চার্জ আনিছিল আমি তাব স্পেচিফিক উত্তব নাপালো। আজিব তাবিখতো একেজন মন্ত্রীব বিকদ্ধে স্পেচিফিক চার্জ উত্থাপন কবিছে। গতিকে এইটো আলোচনা কবিবব কাবণে গ্রহণ কবিব লাগে। হাউচব মর্য্যাদা বক্ষাব কাবণে এই বিষয়টো আলোচনা কবিব দিব লাগে।

* শ্রী চন্দ্র মোহন পাটোৱাবী : অধ্যক্ষ মহোদয়, এডজর্নমেণ্ট মোচনব ওপবত আপুনি কব দিব লাগিব।

মাননীয় অধ্যক্ষ : এডমিচিবিলিটি নহলে কব নিদিও।

Sri Chandra mohan Patowary : Ministrial responsibility is one of the main points.... (Pandomonium in House)

Mr. Speaker : Under Rulls 56 (2) the speaker shall decide whether the matter to be discussed is definite and whether it is of urgent public inportance (Notice)

---

* Speech not corrected.

* ডঃ জয়নাথ শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এটা পইণ্ট অব্ অর্ডাব আছে, পার্লেয়ামেণ্টবী এফেয়ার্চ মন্ত্রী মহোদয়ে কৈছে যে—whether speaker is the supreme Head মই এটা কথা জানিব বিচাবিছো। I am to be queded by the rules and procedure.

Mr. Speaker : Honourable Minister Perliamentory affairs. (Pandomonier is the House)

* Sri Golok Rajbangshi : under Rul 56, A Motion for adjournment of the Business of the Assambly (Minister Perliamentary affairs) for the purpose of discussing a difinite matter of urgent public importance may be made with the consent of the speaker.

অধ্যক্ষ মহোদয়, এটা বাতবিব ওপবত এই সভাস্থগিত প্রস্তাব অনা হৈছে। ২৬ তাবিখব প্রতিদিন বাতবি কাকতব। এই বাতবিব আগতেও ওলাইছে ১৯ মার্চ তাবিখে মানুহজনে আত্মহত্যা কবিছে এই বাতবি ওলাইছে। গতিকে আজি বাতবিব ওপবতে নিভ'ব কবি সভাস্থগিত প্রস্তাব আনিছে। There are Certain limitations of the speaker before accepting an Adjournment Motion. (ডইচ হাউচত ইডিডেঞ্চ দিয়া আছে।) এই বাতবিব ওপবত কেকচন দি গৈছে। গতিকে বাতবিটো ডিনাই কবি এডজর্নমেণ্ট মোচন হব নোৱাবে। মানুহজনে আত্মহত্যা কবিছে দুখব কথা। কি পইণ্টব ওপবত এডজর্নমেণ্ট দিছে। আত্মহত্যাব ওপবত মন্ত্রী ইনডলডমেণ্ট নহয়—যদি বাতবি কাকতব ওপবত এডজর্নমেণ্ট দিয়া হৈছে—An Adjornment motion based on news paper Report most be in possession of facts and truthness of the report and unless admitted by the Govt. can not be accepted and adjournment motion can not be admitted. গবর্নমেণ্ট ফালব পবা Sir, after getting the News of the incident of death, we have contacted Deputy Commissioner, Nalbari and Deputy

* Speech not corrected

Commissioner, Darrang and asked them to submit their report on the incident uptilnor. We have not received their report—(Noise) যদি আর্জেণ্ট হয়—এই কথাটো অন্য বাতৰি কাকতটো ওলাইছে। জিবো আৱাৰটো দিছে—It is based on news paper Report unless Govt. accepts the truth fulness of the report. It can not be autherticated. প্ৰতিদিন বাতৰি কাকতখনে অথেণ্টিক নহয়। বাতৰি বহুতো আছে। ১৯ মাৰ্চ তাৰিখৰ আজিৰ বাতৰিটো ওলাইছে। গতিকে আমি এখন কাকতৰ ওপৰত নিৰ্ভৰ কৰি এডজৰ্নমেণ্ট মোচন দিব নোৱাৰো। মাননীয় সদস্য শ্ৰী গগৈ ডাঙৰীয়াই কোৱাৰ নিচিনা আজিৰ বাতৰিটো ১৯ তাৰিখত ওলাইছে। প্ৰতিদিন কোনে বাখে নাবাখে নাজানো। গতিকে চেচন যদি সিদিনা নাথাকেও যিদিনা বহিব Sir I feel for the incident. It is a matter of great rigret and it is a fact that a man lost his life but. So for as the question of adjournment motion, there is no point to admit the motion. (Interruption)

* শ্ৰী গোলক বাজবংশী (মন্ত্ৰী) : মননীয় অধ্যক্ষ মহোদয়, মাত্ৰ এখন বাতৰিকাকতৰ ওপৰত ভিত্তি কৰিয়েই এডজৰ্নমেণ্ট ম'চন আনিব নোৱাৰি। যোৱা ১৯ মাৰ্চ তাৰিখে "আজিৰ বাতৰি" ত কথাটো ওলোৱাৰ পিছতেই মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে এই সভাস্থগিত প্ৰস্তাব আনিছে। এইদৰে চাবলৈ গলে আৰু কেইজনমান মাননীয় সদস্যই কোৱাৰ নিচিনাকৈ ১৭ তাৰিখেও এই নিচিনা এটা নিউজ ওলাইছিল আৰু এতিয়া (ther opporturities are available মাননীয় সদস্য গগৈ দেৱে এটা কথা কৈছে, মই মনদি শুনি আছিলো যে "যদি কথাটো সঁচা হয়, "তেতিয়াহে এই প্ৰস্তাৱটো গ্ৰহণ কৰা হ'ব। যদি মিছা, This matter can not be the subject matter of adjournment motion. I am not speaking about admissibility. This is not a fit case to be raise for adjournment motion.

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই লিগেল কথাটো হে কব বিচাৰিছা যে মাননীয় পাৰ্লিয়ামেণ্টৰী এফেয়াৰ্চ মন্ত্ৰীয়ে কৈছে

* Speech not corrected.

যে স্পীকাৰে এড্‌মিচিবিলিটিৰ বিপৰ্ট জাজ্‌ নকৰাকৈয়ে কবলৈ দিছে বুলি কৈ আপোনাৰ ওপৰত দোষ জাপি দিছে। মই এই খিনি পঢ়ি দিছোঁ Facts are available that "where it is a border-line case or the speaker is not in possession of full facts to decide admissibility of a notice, he may mention in the House the receipt of the motion and after hearing a brief statement from the members and or ther Minister concerned whether the matter sought to be raised is within the rules.

* শ্ৰী প্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, বোলিং দিয়ক বা নিদিয়ক There is an inquiry report. দিটেইলছ্‌ দিচ্‌কাচন কৰি এটা গভৰ্ণমেণ্ট ষ্টেট্‌মেণ্ট দিব নেকি ?

* ড: শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আগতেও বহুতো বোলিং বিজাৰ্ভ কৰি বাখিছে। এতিয়াও সভাস্থগিত প্ৰস্তাবৰ সম্পৰ্কত বোলিং বিজাৰ্ভ কৰি বাখিছে। গতিকে আমাক এটা তাৰিখ (ডেট দিয়ক) দিয়ক, কেতিয়া বোলিং দিব ?

Mr. Speaker : I have heard the submission of Honourable Leader of the Opposition who moved the adjournment Motion and spoke about its admissibility. I have also heard other Honourable Members, Shri Promode Gogoi, Shri Sasha Kamal Handique, Shri Karendra Basumatary, Dr. Zoii Nath Sarma, Shri Hitendra Nath Goswami.

I have heard the submission of the Minister, Parliamentary aris also who advanced his arguments about the inadmissibility of the adjurnment motion.

After hearing the Submission of both sides, I have reseyved my ruilings.

Now Item No.2. Shri Dhruba Kumar sen to spoak.

* Speech not corrected.

CALL ATTENTION NOTICE

* শ্রী ধ্রুব কুমাৰ সেন ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলিৰ ৫৪ নং নিয়মৰ অধিনত ১৯৯৫ চনৰ ২০ মার্চৰ তাৰিখৰ "সময় প্রবাহ" কাকত প্রকাশিত "চুৰান্ত অব্যৱহাৰ শিকাৰ ধুবুৰী সমবায় সমিতি : অভিযোগ" শীর্ষক বাতৰিটোৰ প্রতি সমবায় বিভাগৰ মন্ত্রীৰ মনোযোগ আকর্ষণ কৰি কৰ খোজোঁ যে উক্ত বিষয়ত মন্ত্রী মহোদয়ে, কিবা ব্যৱস্থা লৈছে নেকি ?

* শ্রী নগেন নেওগ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে বা "সময় প্রবাহত" ওলোৱাৰ দৰে, "ধুবুৰী সমবায় সমিতি" নামেৰে কোনো সমিতি এতিয়ালৈকে গঠন হোৱা নাই । গতিকে বাতৰিটো একেবাৰে ভিত্তিহীন কিন্তু ধুবুৰীত যিখন সমিতি আছে তাৰ নাম হ'ল, "কন্‌জিউমাৰ" কঅপাৰেটিভ "হ'লচেল কন্‌জিউমাৰ ক' অপাৰেটিভ চচাইটি" । যদি সেই খনৰ কথাকেই মাননীয় সদস্য গৰাকীয়ে অর্থ কৰিছে, তাৰ বিষয়ে মই কব পাৰোঁ ।

MATTER UNDER RULL 301

* Shri Samarendra Nath Sen : I would like to draw the attention of the Minister, Employment by raising the matter under Rule 310 of the Rules of Procedure and Conduct of Business in Assam Legislative Assambly to the New Item appeared in the "Dainik Sonar Cachar" dated 14 th January, 1995 relating to ".....In Bengali .... আত্মঘাতী শ্রী কান্ত সরকার বেকার সমস্যা সমাধানে সচেষ্ট হবেন ।

* Shri Silvius Condopan, (Minister Employment) : Honourable Speaker Sir, the matter has drawn the attention of the Government. We have been collecting the materials about the actual facts, and the statements in this connection will be placing within a very shrot time.

* Speech not corrected.

Mr. Speaker : Now, item No. 4. Hon'ble Chief Minister to lay-.

* Shri Hiteswar Saikia. (Chief Minster) : Sir, I beg to lay a statement under rule 69 (1) of the Rules Procedure and Conduct of Bussness in Assam Legislative Assembly explaining the circumstances which had necessitated immediate Legislation by ordinance.

Mr, Speakes : Now Hon'ble Chief Minister to introduce "The Assam Guwahati Municipal, Corporation (Amendment) No. 2- Bill, 1995

INTRODUCTION OF GOVERNMENT BILL

* Shri Hiteswar Saikia (Chiefminister) : Mr. Speaker sir. I beg leave to introduce 'The Guwahati Municipal Corporation (Amendment) No. 2 Bill, 1995.'

Mr. Speaker : It is the pleasure of the House to grant leave to introduce the Bill ? (After a pause) Leave is granted.

* Shri Hiteswar Saikia, (Chief Minister,) : Mr. Speaker sir, I beg to introduce 'The Guwahati Minicipal Corporation (Amedment) No. 2 Bill, 1995.

(Secretary ALA read out the title of the Bill)

GENERAL DISCUSSION ON THE BUDGET

মাননীয় অধ্যক্ষ : ১২ টা বজাত ষ্টেটমেণ্ট দিব। এতিয়া গিয়াছুদ্দিন আহমেদে কব।

* শ্রী পানী ৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, মোক ২ মিনিত সময় দিব।

মননীয় অধ্যক্ষ : নহয়, আপুনি এতিয়া বহক।

---

* Speech not corrected.

শ্রী গিয়াছুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, বাজেটখন পঢ়ি আৰু বিত্তমন্ত্রী মহোদয়ৰ, বাজেট বক্তৃতা শুনি মোৰ এটা কথা মনত পৰিছে। সেক্সপিয়েৰে কৈছে, সকলোৱে শুনে– "All the glittrs is not gold চিক্‌-মিক্‌ কৰিলে সকলো বস্তু সোণ নহয়। বাজেট বক্তৃতাত বিত্তমন্ত্রী মহোদয়ে অসমৰ ভবিষ্যতৰ এটা সোণালী ছবি দাঙি ধৰিবলৈ চেষ্টা কৰিছে। তেখেতে কৈছে— এই বছৰটোৰ এটা সাধাৰণ হৰলৈ নিদি এটা উল্লেখযোগ্য বছৰ হিচাবে চিহ্নিত কৰিব লাগে। কথাটো শুনাত বৰ ভাল লাগিছে। মই ভাবো এই কথাখিনিত এটা সাহিত্যিক মূল্য থাকিব পাৰে। কিন্তু অসমৰ বৰ্ত্তমান বাস্তৱ অৰ্থ নৈতিক অৱস্থাৰ লগত এই কথাবিলাক খাপ নাখায়। বাজেত বক্তৃতাৰ আৰম্ভণীতে বিত্তমন্ত্রী মহোদয়ে বাজ্যিক ঘৰুৱা উৎপাদনৰ হিচাব এটা দাঙি ধৰিছে। বিত্তমন্ত্রী মহোদয়ৰ নিজা হিচাব নহয়, আমাৰ পৰিসংখ্যা বিভাগ এটা আছে। এই পৰিসংখ্যা বিভাগে যুগুতোৱা বিছুমান তথ্য আছে তাৰ পৰাই এইখিনি উদ্ধৃতি দিয়া হৈছ। এইটো সঁচা যে এখন দেশৰ অৰ্থনৈতিক অৱস্থাৰ হিচাব মাপ কাঠি হৈছে উৎসাদন। সেইখন দেশ উৎপাদন কিমান হয় সেইটোৰ ওপৰত দেশৰ উন্নতি নির্ভৰ কৰে। সেই কাৰণে বোধকৰো পৰিসংখ্যা বিভাগৰ তথ্যৰ উন্নতি দি এইটো কথা প্ৰমাণ কৰিব খোজা হৈছে যে এইখন চৰকাৰৰ দিনতে অসমত ঘৰুৱা উৎপাদন বৃদ্ধি হৈছে। উৎপাদন বঢ়াইছে। পৰিসংখ্যা বিভাগৰ এই হিচাববিলাক সকলোৱে দেখিছে। (মাননীয় অধ্যক্ষই আসন এৰে আৰু মাননীয় উপাধ্যক্ষই আসন গ্ৰহণ কৰে।)

* শ্রী যতীন মালী : মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্রী উপস্থিত নাথাকিলে আমাৰ মাননীয় সদস্য গৰাকীয়ে কৈ থাকিলে কি হব?

মাননীয় উপাধ্যক্ষ : বিত্ত মন্ত্রী সদনত উপস্থিত আছে।

* শ্রী যতীন মালী : মাননীয় উপাধ্যক্ষ মহোদয়, হয়, আছে।

* শ্রী গিয়াছুদ্দিন আহমেদ : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৯১-৯২ চনত চলিত মূল্যত (কাৰেণ্ট টাইপ) বুলি কোৱা হয়, অসমৰ ঘৰুৱা উৎপাদন ৯৫৬২ কোটি টকা। ১৯৯২-৯৩ চনত ১২,৩২৫ টকা বুলি দেখুওৱা হৈছিল। (সদনত স্থূলৰ অভাব হয়)

* Speech not corrected.

শ্রী গিয়াছুদ্দিন আহমেদ : ১৯৯৩-৯৪ চনত ১৪, ০৩৪ কোটি টকা দেখুওৱা হৈছে ঘৰুৱা উৎপাদন হিচাবে। পৰিসংখ্যা বিভাগৰ এইখিনি তথ্য বাজেত বক্তৃতাত উল্লেখ কৰা হৈছে। উপাধ্যক্ষ মহোদয়, পৰিসংখ্যা বস্তুটো নো কি এইটো সকলোৱে জানে। মিছা কথা ৩ ৰকমৰ থাকে। যেনে :- সাধাৰণ মিছা কথা, গোকাত মিছা কথা আৰু পৰিসংখ্যা। যিখিনি ঘৰুৱা উৎপাদনৰ তথ্য দাঙি ধৰা হৈছে সেইখিনি যদি সঁচা হলহেতেন তেতিয়া আমি বৰ সন্তোষ পালোহেতেন। ১৯৯২-৯৩ চনৰ ঘৰুৱা উৎপাদন বৃদ্ধি হৈছে মানে অসমৰ অৱস্থা উন্নত হৈছে এইটোৱে প্ৰমাণিত হ'ল। কিন্তু পৰিসংখ্যা বিভাগটোৰ আৰু কিছুমান তথ্য দাঙি ধৰিব বিচাৰিছো। আমি যদি ভালদৰে চালি-জাৰি চাওঁ তেতিয়া পৰিস্কাৰকৈ সকলো তথ্য ওলাই পৰিব।

উপাধ্যক্ষ মহোদয়, মই এই সম্পৰ্কে অলপ ব্যাখ্যা কৰিব বিছাৰিছো। ঘৰুৱা উৎপাদন হিচাব কৰা হয় এই কেইটা খণ্ডত। এটা খণ্ড অৰ্থাত প্ৰাইমাৰী চেক্টাৰ হ'ল কৃষি। কৃষি, বন, মৎস্য উৎপাদন আদি। দ্বিতীয় খণ্ড হ'ল মেনুফেকচাৰ অৰ্থাৎ ইণ্ডাষ্ট্ৰি ইত্যাদি। তাৰ পিচত শক্তি গেচ, সৰৱৰাহ আদি। তাৰ পিচত পৰিবহন আৰু ৬ নং খণ্ড হ'ল পাৰচনেল চাৰ্ভিচ আদি। এই কেইটা খণ্ডৰ ওপৰত ৰাৰ্ষিক উৎপাদানৰ হিচাব কৰা হয়। এতিয়া এই কেইটা খণ্ডৰ ভিতৰত আটাইতকৈ বেছি উৎপাদন হয় কৃষিত। তাৰ মানে আমাৰ জাতীয় অৰ্থনীতিৰ মূলঃ ভেটি হ'ল কৃষি। কৃষিৰ ক্ষেত্ৰত যেতিয়া উৎপাদন বৃদ্ধি হয় তেতিয়াহলে সামগ্ৰিক ভাৱে গোটেই দেশখনৰ তথা ৰাজ্যখনৰ অৰ্থনীতিৰ উন্নতি হব। কৃষিৰ ক্ষেত্ৰত যিবোৰ হিচাব আমি পাইছো সেই পৰিসংখ্যা বা বিভাগীয় তথ্যমতে দেখা যায় কৃষি উৎপাদন যিমানখিনি বৃদ্ধি হব লাগিছিল সিমানখিনি হোৱা নাই। কৃষিজাত শস্যৰ ভিতৰত প্ৰধান শস্য এটাৰ হিচাব মই ইয়াত আলোচনা কৰিব খুজিছো। সেইটো শালিধানৰ ক্ষেত্ৰত চাওঁচোন। ইয়াত যিটো হিচাব পাইছো সেই হিচাব আমি দেখা পাওঁ যে ১৯৯০-৯১ চনৰ পৰা ১৯৯২-১৯৯২-৯৩

* Speech not corrected.

চনলৈকে কোনো উল্লেখযোগ্য বৃদ্ধিৰ পৰিলক্ষিত হোৱা নাই। ১৯৯০-৯১ চনত ওঠৰ লাখ এক হাজাৰ হেক্টৰ মাটিত শালিধান খেতি কৰা হৈছিল আৰু মুঠ উৎপাদন হৈছিল পচিশ লাখ পয়ত্তিশ হাজাৰ টন। সেই হিচাবত হেক্টৰ প্ৰতি উৎপাদন হ'ল এক হাজাৰ চাৰিশ চোৱাল্লিশ কেজি। ঠিক তেনেকৈ ১৯৯১-৯২ চনত ওঠৰ লাখ পাচ হাজাৰ হেক্টৰ মাটিত চব্বিশ লাখ সাতাশী হাজাৰ টন উৎপাদন হ'ল আৰু হেক্টৰ প্ৰতি হ'ল এক হাজাৰ তিনিশ নিৰানব্বৈ কেজি। ১৯৯২-৯৩ চনত সোতৰ লাখ ছিয়ত্তৰ হাজাৰৰ হিচাবত উৎপাদন হ'ল চব্বিশ লাখ বিয়ালিশ হাজাৰ টন আৰু হেক্টৰ প্ৰতি উৎপাদন হ'ল এক হাজাৰ ন শ ছিয়ানব্বৈ কেজি। এতিয়া কৃষি উৎপাদন বৃদ্ধিৰ মাপ-কাঠি কি? মাটিকালি অৰ্থাৎ মাটিৰ পৰিমাণ বৃদ্ধি কৰি মুঠ উৎপাদন বঢ়াৰ পৰা হয় কিন্তু যিহেতু অসমৰ জনসংখ্যা বছৰে বছৰে বৃদ্ধি হৈ আছে সেই অনুপাতে মাটিৰ পৰিমাণ কিন্তু বৃদ্ধি হোৱা নাই। মাটি যি আছে সেই-খিনিয়েই থাকিব। গতিকে এই বৰ্দ্ধিত জনসংখ্যাৰ লাগতিয়াল শস্যৰ কাৰণে প্ৰতি হেক্টৰ মাটিত উৎপাদন বৃদ্ধি কৰিব লাগিব আৰু কৃষিৰ উন্নতি হ'ল বুলি কোৱাৰ আগতে এইটো কথা প্ৰমাণ কৰিব লাগিব যে আগতকৈ আমাৰ কৃষিৰ উৎপাদন হেক্টৰ প্ৰতি বৃদ্ধি হৈছে। সেইটো যদি বৃদ্ধি হোৱা নাই বুলি প্ৰমাণ হয় তেনেহলে এই কথা কব নোৱাৰে যে কৃষিৰ উন্নতি হৈছে। এতিয়া চাওক উপাধ্যক্ষ মহোদয়, ১৯৯০-৯১ চনত হেক্টৰ প্ৰতি উৎ-পাদন আছিল, কেৱল শালীধানৰ কথাকে কৈছো, এক হাজাৰ চাৰিশ চোৱাল্লিশ কেজি আৰু ১৯৯১-৯২ চনত কমি গৈ এক হাজাৰ তিনিশ ছিয়ানব্বৈ কেজি হে হ'লগৈ। অৰ্থাৎ প্ৰতিটো শস্যৰ ক্ষেত্ৰত হাজাৰ হাজাৰ কোটি টকা কৃষিৰ ক্ষেত্ৰত খৰচ কৰিও উৎপাদন কমিহে আহিব। সেয়ে যদি হয়, তেনেহলে ইয়াত যিটো ঘকৰা উৎপাদন হিচাব বিত্তমন্ত্ৰী মহোদয়ে আমাক দিছে অৰ্থাৎ যিটো মই এই মাত্ৰ পঢ়ি শুনালো সেইটো কথাৰ যুক্তিকতা ক'ত থাকিল? কৃষি উৎপাদন বাঢ়িছে ইত্যাদি কথাবোৰ বক্তৃতা দিয়া আৰু ভোট খুজিব পৰা হয় ঠিকেই কিন্তু বাইজৰ অৰ্থনীতি উন্নত কৰাৰ নিশত এই বক্তিতাৰে একো নহব। গতিকে মই কৈছো যিটো সোণালী ছবি বিত্তমন্ত্ৰী মহোদয়ে দাঙি ধৰিছে বা ধৰিব খজিছে সেইটো সঁচা নহয়।

---

* Spech not corrected.

এইটো জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ দিয়া বক্তৃতা মাথোন।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ কিমান হাজাৰ কোটি টকা ঋণ সেই বিলাক হিচাব বাজেটত আছে। মই সেইবিলাক দাঙি ধৰিব খোজা নাই। কৃষিৰ শিতানত আৰু এটা কথা কব বিচাৰিছো। তেখেতে যিটো সোণালী ভবিষ্যতৰ কথা বাৰে বাৰে কৈছে সেইটো বৰ ধুনীয়াকৈ কৈছে। তেখেতে শেষৰ ফালে কৈছে :

"বছৰ আহিব আৰু যাব কিন্তু এই বছৰটো এটি সাধাৰণ বছৰ হবলৈ নিদি এক উল্লেখযোগ্য বছৰ হিচাবে চিহ্নিত হবলৈ দিয়া যাওক যিটোৱে এক সচ্ছল অর্থনীতি প্রতিষ্ঠাৰ ভেটি সুচনা কৰিব যিটোৱে সংস্থান প্রার্থীক কর্ম-সংস্থাপনৰ সুবিধা দিব কষ্টভোগী সকলৰ কষ্ট লাঘৱ কৰিব আৰু সকলোৰে বাবে শুভেচ্ছাৰ বর্ষ হিচাবে পৰিগণিত হব"।

উপাধ্যক্ষ মহোদয়, এই বাজেট খনে অর্থনীতিৰ ভেটি সচল কৰি দিবনে? দেশৰ অর্থনৈতিক ভেটি কৃষিৰ ওপৰত নির্ভৰ কৰে। এইটো সচাঁ কিন্তু কৃষিৰ ক্ষেত্রত বাজেট বৰাদ্দ কিমান হৈছে বাজেট বক্তৃতাৰ লগত বাজেটৰ যিটো দেখুৱাইছে তাৰ সামঞ্জস্য নাই। পৰস্পৰ বিৰোধী হৈছে এই কথা বিলাক।

মাননীয় উপাধ্যক্ষ মহোদয়, এগ্রিকালচাৰৰ শিতানত বিমান টকা ধৰিছে, বাজেটখনত অনাগত দিনৰ সোনালী ছবিখন যেনেভাবে দেখুৱাইছে দৰাচলতে কথাখিনি পঢ়ি বৰ ভাল লাগিল কিন্তু বাজেটত কি ব্যৱস্থা ৰাখিছে সেইটোহে চাব লগীয়া কিয়নো এই সপোন মাননীয় বিত্তমন্ত্রী মহোদয়ে কেনেকৈ দিঠকত পৰিণত কৰিবলৈ কি ব্যৱস্থা লৈছে সেইটো চাওক।

—(সময়ৰ সংকেত)

১৯৯৪-৯৫ চনত ৰেভিনিউ এষ্টিমেট আছিল ৪৪২ লাখ আৰু ১৯৯৫-৯৬ চনত বাজেট এষ্টিমেট কৰিছে ৪২০ লাখ।

Mr. Deputy Speaker : Please Conclude.

শ্রীগিয়াচুদ্দিন আহমেদ : থিক তেনেকৈ কেবাটাও চাব-হেডৰ হিচাব আগৰ বছৰৰ বাজেট এষ্টিমেটৰ এইবাৰৰ বাজেট এষ্টিমেটৰ লগত কোনো তাৰতম্য নাই, আগৰ নিচিনাই চলি আছে গতিকে এই কথাটোৱে প্রমাণ কৰে যে যদি আমি বাজেটখন ভালকৈ চাও তেতিয়াহলে এই বক্তৃতাটো ইলেকশ্যন মেনফেষ্টো বুলি কব পৰা যায়। এই বাজেটখনে অসমৰ অর্থনৈতিক উন্নতিৰ কোনো ভেটি ৰচনা কৰিব নোৱাৰে। আৰু এটা কথা হৈছে বহু কোটি টকা বিভিন্ন অনুষ্ঠানৰ

পৰা লোৱাৰ ব্যৱস্থা কৰা হৈছে। কিন্তু বাজেটৰ দুৰ্নীতিৰ শিতানত কিমান টকা লোকচান হৈছে আৰু ব্যয়ৰ শিতানত কিমান টকা লোকচান কৰিছে সেইটো হিচাব ইয়াত নাই। মোটামোটি এটা হিচাব মোৰ হাতত আছে মই দি আছো। অসমৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিবলৈ হলে বাজ্যখনৰ পৰা দুৰ্নীতি নিৰ্মূল কৰিবই লাগিব। তাৰ বাহিৰে কোনো উপায় নাই। যোৱা কেইবছৰ দুৰ্নীতিৰ শিতানত খৰচ হৈছে মানে লোকচান হৈছে ১হাজাৰ ৮০ কোটি টকা। এইটো মই দুৰ্নীতিৰ শিতানত খৰচ হৈছে বুলি কওঁ। বহুতে সুধিব এই হিচাবটো আপুনি ক'ত পালে, এইটো হিচাব মোৰ মনেসজা নহয়। যোৱা কেইবছৰ অডিট বিপোৰ্টত সিমান টকা লোকচান হৈছে বুলি দেখুৱাইছে, তাৰ মুঠ পৰিমাণ এনেকুৱাই হ'ব। মনত ৰখা দৰকাৰ যে—চৰকাৰী লেন-দেনৰ শতকৰা ১০ ভাগৰহে অডিট কৰি হিচাব দেখুৱাইছে, সেই হিচাব মতেই ১০৮ কোটি টকা দেখুৱাইছে।

Mr. Deb Speaker: Please conclude, another two Ministers are to reply.

শ্ৰী গিয়াচুদ্দিন আহমদ: যদি দহ ভাগৰ এক অংশ—১০৮ কোটি টকা হয় তেতিয়াহলে ১০ৰে পূৰণ কৰিলে ১ হাজাৰ ৮০ কোটি টকা। সেই হিচাবে কিমান লোকচান হৈছে আৰু কিমান টকা ৰাইজৰ কামত লাগিছে কামত খটুৱা হৈছে সেইটো সকলোৱে জানে। মুঠতে কবলৈ গলে বাজেট বক্তৃতাখন বৰ ধুনীয়া হৈছে তাৰ বাবে বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কবিতা পঢ়িবলৈ সুযোগ নাপাও যদিও বাজেট বক্তৃতাখন পঢ়িয়েই কবিতাৰ সোৱাদ অনুভৱ কৰিব পাৰি। কিন্তু ইয়াৰ ভিতৰখন যদি চালি-জাৰি চোৱা হয় তেতিয়া হলে দেখিব এই বাজেটখনত এটা হতাশজনক ৰূপ দেখা যায়।

Mr. Deputy Speaker: Now Hon'ble member Sri Ramendra Narayan Kalita.

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত-মন্ত্ৰী মহোদয়, যি খন বাজেট দাখিল কৰিলে সেইটো যে সম্পূৰ্ণ নিৰ্বাচন মুখী বাজেট সেই কথাটো সকলোৱে ধৰিব পাৰিছে। নিৰ্ব্বাচনৰ প্ৰতি লক্ষ্য কৰিয়েই এই বাজেটখন প্ৰস্তুত কৰা হৈছে এই কথাটো সকলোৱে বুজিছে। এতিয়া কথা হৈছে ৰাজহ প্ৰাপ্তি বঢ়াই ব্যয় কমাই অংকৰ মেজিক অসম

বিধান সভাৰ মজিয়াত দেখুৱাই এটা পৰম্পৰাত পৰিণত হৈছে। ১৯৯৫-৯৬ চনত বাজেটত ৰাজহ প্ৰাপ্তি দেখুৱা হৈছে—৩৭৮৪'১৪ কোটি টকা। ১৯৯১-৯২ চনৰ পৰা ৰাজহুৱা প্ৰাপ্তিৰ পৰিমাণলৈ চাই অহা ৰাজহ প্ৰাপ্তি বেচি ধৰা যেন লাগে। ১৯৯১-৯২ চনত ৰাজহ প্ৰাপ্তিৰ পৰিমাণ আছিল ২৪১৭'৬৬ কোটি টকা। ১৯৯২-৯৩ চনত ৰাজহ প্ৰাপ্তিৰ পৰিমাণ আছিল ২৬১৩'২৩ কোটি টকা। ১৯৯৩-৯৪ চনত ৰাজহ প্ৰাপ্তিৰ পৰিমাণ আছিল ২৮৬০'৮৭ কোটি টকা। (সংশোধিত প্ৰাককলন মতে)

সংশোধিত প্ৰাককলন মতে ১৯৯৪/৯৫ চনত হব ৩৩,১৫'০০ টকা। ১৯৯৫/৯৬ চনত ৰাজেটত ৰাজহ প্ৰাপ্তি দেখুওৱা হৈছে ৩৭৮৪ ১০ কোটি টকা। ১৯৯২/৯৩ চনৰ পৰা ৰাজহ প্ৰাপ্তিৰ পৰিমানলৈ চাই অহা বছৰৰ ৰাজহ প্ৰাপ্তিত বেচি ধৰা যেন লাগে। ১৯৯১/৯২ চনত ৰাজহ প্ৰাপ্তি পৰিমাণ আছিল ২৪১৭'৬৬ কোটি টকা। ১৯৯২/৯৩ চনত আছিল ২৬১৩'২৩ কোটি টকা। ১৯৯৩/৯৪ চনত আছিল, ২৮৬০৮৮৭, সংশোধিত প্ৰাককলন মতে। ১৯৯৪/৯৫ চনত ৰাজহ প্ৰাপ্তিৰ পৰিমাণ আছিল ৩৩'১৫ কোটি টকা, সংশোধিত প্ৰাককলন মতে। গতিকে ১৯৯৪/৯৫ চনত প্ৰকৃত ৰাজহ প্ৰাপ্তি কিমান হব বছৰৰ শেষতহে জনা যাব। তাৰ পৰা ধাৰণা কৰিব পাৰি যে ১৯৯৫/৯৬ চনত ৰাজহ প্ৰাপ্তি ৩৫০০ কোটি টকাৰ অধিক নহব যেন লাগে। সেই হিচাৰত চাবলৈ গলে ১৯৯৫/৯৬ চনৰ বছৰত ৰাজেট ঘাটি হব ৫৬৯'৬৬ কোটি টকা। বিত্ত মন্ত্ৰী মহোদয়ে দেখুৱাইছে ১৯৯৫/৯৬ চনত দেখুৱাইছে ১৮৫'৫২ কোটি টকা। লগতে ২৮৪'১৪ কোটি ৰাজহ বৃদ্ধি টকা দেখুৱাইছে। গতিকে ২৮৫'৫২ কোটি টকাৰ পৰা ২৮৪'১৪ যদি ঘাটি হয় তেন্তে ৰাজেট ঘাটি হব ৫৬৯'৬৬ কোটি টকা। ১৯৯৫/৯৬ চনত যদি ৰাজহ প্ৰাপ্তি ৩৫০০ কোটি টকা ধৰা হয়। তেতিয়া হলে বছৰটোত বিত্তীয় ঘাটি হব ৩৫৮৪'৫২ কোটি টকা। এতিয়া উপাধ্যক্ষ মহোদয়, ঋণৰ ক্ষেত্ৰত ১৯৯৪/৯৫ চনৰ বছৰৰ আদায় দিবলগীয়া ঋণ আছিল ৪৭৯৮'৪১ কোটি টকা। এই টকা খিনি এতিয়াও পৰিশোধ কৰা নাই। ১৯৯৪/৯৫ চনৰ এইটো ঋণ। ১৯৯৫/৯৬ চনৰ বছৰটোত বিত্তীয় ঘাটি আছে ৩৫৮৪'৫২ কোটি টকা। এতিয়া তাৰ লগত ৪৭৯৮'৪১ কোটি টকা যোগ কৰিলে বিত্তীয় ঘাটি হব ৮৩৮২.৯৩ কোটি টকা। ইমান খিনি টকা ঋণ হোৱাৰ পাচতো বিত্তমন্ত্ৰী

মহোদয়ে কৈছে ১৯৯৫/৯৬ চনত ২ টকা মূল্যত চাউল দিয়া হব। গতিকে এই বিষয়টোত মোৰ সন্দেহ আছে। দুটকীয়া চাউলৰ আঁচনি কার্য্যকৰি কৰিব পাৰিলে ইয়াত লাগিব ৪০৫ কোটি টকা। গতিকে বিত্তমন্ত্রী মহোদয়ে দুটকীয়া চাউল দিব খোজা কথাটোত সন্দেহ আছে। বিত্তমন্ত্রী মহোদয়ে এই বাৰ এখন কৰ বিহীন বাজেট উৎথাপন কৰিছে। কিন্তু ১৯৯৫/৯৬ চনৰ বাজেট উৎথাপন কৰাৰ আগতেই কিছুমান সামগ্রীত কৰ লগাইছে। সেই সামগ্রী সমুহ হ'ল যেনে পেট্রল, ডিজেল, হুইমপাইপ ইত্যাদি। সামগ্রীৰ ওপৰত কৰ বৃদ্ধি কৰিছে। হস্পিতালৰ ফিজ বৃদ্ধি কৰিছে। তাৰোপৰি অন্যান্য সামগ্রী কিছুমানৰো মূল্য বৃদ্ধি কৰিছে। এতিয়া এই খন কৰ বিহীন বাজেট কেনেকৈ হ'ল ? এচেন্ত্রীলৰ পাচত আকৌ কৰ বঢ়াই দিয়া ব্যৱস্থা এটা চৰকাৰে লব। গতিকে এই বিলাক চাই যদিও ভাল কৰ বিহীন বাজেট বুলি বিত্ত মন্ত্রীয়ে কৈছে আমি এই খন কৰ বিহীন বাজেট বুলি নকও। তাৰোপৰি বাজেট খনত দেখা গৈছে কোনো উৎপাদন মূলক আঁচনি নাই। কৃষি বা অন্যান্য ক্ষেত্রত কোনো উৎপাদন মূলক আঁচনি দেখা নাই। খাদ্য সামগ্রী অসমৰ বাহিৰৰ পৰা আনে ১৩০ কোটি টকাৰ মাছ বাহিৰৰ পৰা অসমলৈ মাছ আমদানি কৰা হয়। ইমান খিনি টকা খৰছ কৰিছে মাত্র বাহিৰৰ পৰা খাদ্য সামগ্রী সমূহৰ বাবে কিন্তু উৎপাদন মূলক কোনো আঁচনি হাতত লোৱা নাই। এনে অৱস্থাত কেনেকৈ ঘাটি পূৰণ কৰিব তাত সন্দেহ আছে। ইয়াৰ পাচত মই নগৰ উন্নয়নৰ পানী যোগান আঁচনিৰ কথা এটা উনুকীয়াই মোৰ বক্তব্যৰ সামৰণি মাৰিম। আজি গুৱাহাটীৰ বাতৰি কাকত বিলাকত লিখা লিখি হৈছে মহানগৰিত খোৱা পানীৰ অভাৱত ঘুৰি ফুৰিছে। খোৱা পানীৰ অভাৱত মানুহৰ হাহাকাৰ লাগিছে। কিমান পুৰণি গুৱাহাটী পৌৰনিগমে আজিলৈ নিৰ্দ্দিষ্ট খোৱা পানীৰ আঁচনি লব পৰা নাই। খোৱা পানীৰ কাৰণে যদি মানুহ হাবাথুৰি খাব লগা হয় তেন্তে আৰু কি থাকিব ? গুৱাহাটী মহানগৰীত সাময়িকভাবে ফায়াৰ ব্রিগেড, পুলিচ বাহিনীয়ে পানী যোগানৰ ব্যৱস্থা কৰিছে যদিও পৌৰ নিগমে বিশুদ্ধ খোৱা পানীৰ বাবে যি ব্যৱস্থা লব লাগিছিল সেইটো লোৱা নাই। চাৰিওফালে খৰাং হৈছে। মই মাননীয় বিত্ত মন্ত্রী মহোদয়ক অনুৰোধ জনাও যে আজি কেৱল গোটেই মহানগৰীতে নহয় অসমৰ চাৰিওফালে

খবাং গতিকে খবাং এলেকা বুলি ঘোষণা কবি দিয়ক। গুৱাহাটী মহানগৰবাসীৰ খোৱা পানীৰ বিশেষ ব্যৱস্থা লবলৈ বুলি অনুবোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাবিলো।

Deputy Speaker : Now Hon'ble Minister, Supply, will reply on price rise.

ডঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয় বাজেট আলোচনাৰ সময়ত খাদ্য আৰু যোগান বিভাগৰ ওপৰত আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে বহুখিনি সমালোচনা কবিছে। উপাধ্যক্ষ মহোদয় আমাৰ বিৰোধী পক্ষৰ নেতা প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙবীয়াই সদনত এনেকৈয়ে কৈছে যে, যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে সেইটো অসত্য উত্তৰ। উপাধ্যক্ষ মহোদয়, আমাৰ এটা কথাৰ প্ৰচলন আছে যে, স্মৃতি শক্তিৰ দুৰ্ব্বলহলে কথা মনত নাথাকে। মই নিশ্চয় এনেকুৱা দুৰ্ব্বল নহয়। আজি ৫/৬/৭/৮/৯ বছৰৰ আগত যিটো বৃদ্ধি হৈছিল মই সেইটো গণি দিছো। ৫/৬/৭ বছৰ ঘটনাটো এট ডাঙৰ ঘটনা আছিল। যিটো বিভিন্ন পত্ৰিকাত লিখা-লিখি হৈছিল। ১৯৯০ চনৰ ২৭ জুলাই তাৰিখৰ 'অসম বাণী' বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছিল আৰু সেই বাতৰিটো মই এতিয়া পঢ়ি দিছো। "ভয়াবহ মূল্য বৃদ্ধিত বাইজ নিৰুপায়" আৰু চৰকাৰ অসহায়" "এমাহ দেৰমাহ আগেয়ে মিঠাতেলৰ দাম আছিল লিটাৰত ২৬/২৭ টকা আৰু এতিয়া সেই দৰ বাঢ়ি হৈছে ৩৩/৩৪ টকা। অৰ্থাৎ এক মাহতে ১ লিটাৰ খোৱা তেলৰ দাম ৫/৬ টকাকৈ বাঢ়িল। ৰহৰ দাইলৰ দাম যোৱা মাহত আছিল কিলোত ১১ টকা আৰু এতিয়া হৈছেগৈ কিলোত ১২·২০ পইচা। একেদৰে বনস্পতিৰ মূল্য ৪/৫ টকাকৈ বাঢ়িছে। যোৱা ৪/৫ মাহত আগেয়ে চাহপাতৰ দাম আছিল ৪৫/৫০ টকা প্ৰতিকিলোত এতিয়া হৈছে ৬০/৬৫ টকা। এমাহত চেনিৰ কিলো ৮৬০ টকাৰ পৰা ৯·২০ পইচা হৈছে। এনেদৰে দৰৰ প্ৰকোপ অব্যাহত থাকিলে অন্যান্য অত্যাৱশ্যকীয় ৰয় বস্তুৰ দামো যে সোনকালে নাবাঢ়িব সেইটো কব নোৱাৰি। সেই সময়ত চৰকাৰৰ দিনত যি জন মুখ্য মন্ত্ৰী আছিল ভেণ্ডৰ ওপৰত আৰু তেখেতৰ চৰকাৰৰ ওপৰত যিটো বাইজৰ মানসিকতা সেই কথা এই কাগজৰ জৰিয়তে প্ৰকাশ কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, সেই সময়ত যি জন মুখ্যমন্ত্রী আছিল তেখেতে মেলত নিজেই স্বীকাব কবিছে তেখেতব চবকাবব অকর্ম্মান্যতাব কথা আৰু বাতবি কাগজতো তেনে ধবণে মূল্য বৃদ্ধিব কথা ওলাইছিল। অকল ব্যৱসায়ী গোষ্ঠীকে নহয় চবকাবী গোষ্ঠীকো জগবীয়া কবিছে। তেখেতে প্রত্যক্ষভাৱে স্বীকাব কবি লৈছে যে, তেখেতব চবকাবব অমনোযোগিতাব বাবে এনে ধবণব মুলাবৃদ্ধি হৈছে। মই মুল্যবৃদ্ধিব হাবব সম্পর্কত সদনত দাঙি ধবিব বিচাবিছো এবং ইয়াব একোটাকৈ কপি মাননীয় সদস্যসকলক আপোনাব জবিয়তে দিয়াব বাবে অনুবোধ কবিছো। ১৯৮৫ চনত চাউলব দাম আছিল ৩.২১ পইচা আৰু ১৯৯০ চনত সেইটো বাঢ়ি ৫.২৫ পইচা হলগৈ। পাৰচেনটেজ ইনক্রিজ হৈছে ৬৩.৫৫ পইচা। তাৰ বিপৰীতে ১৯৯১ চনত জুন মাহত চাউলব দাম ৫.৫০ পইচা আৰু ১৯৯৫ চনব মার্চ মাহত ৮.২০ পইচা। পাৰচেনটেজ অব্ব ইনক্রিজ ৪৯.০৯ পইচা। সেই ধবণে পবিমল চাউলব ১৯৮৫ চনত দাম আছিল ৩.৬৭ পইচা আৰু ১৯৯০ চনত অক্টোবব মাহত সেইটো বাঢ়ি ৬.৪০ পইচা হলগৈ। পাৰচেনটেজ অব্ব ইনক্রিজ ৭৪.৩৯ পইচা। ১৯৯১ চনত পবিমল চাউলব দাম আছিল ৬.০০ টকা আৰু ১৯৯৫ চনব মার্চ মাহত দাম হ'ল ৯.০০ পইচা। পাৰচেনটেজ অব্ব ইনক্রিজ ৫৮.৩৩ পইচা। মচুব দাইলব দাম ১৯৮৫ চনব মার্চ মাহত আছিল ৫.০০ পইচা আৰু ১৯৯০ চনব অক্টোবব মাহত হ'লগৈ ১১.০০ পইচা পাৰচেনটেজ অব্ব ইনক্রিজ ১০৯.০৯ পইচা। তাৰ বিপৰীতে ১৯৯১ চনব জুন মাহত মচুব দাইলব দাম ১২.০০ টকা হল আৰু ১৯৯৫ চনব মার্চ মাহত ১৭.০০ টকা হল পাৰচেনটেজ অব্ব ইনক্রিজ ৪১.৬৭ টকা। অবহব দাল ১৯৮৫ চনব মার্চ মাহত আছিল ৬.৫৮ পইচা আৰু ১৯৯০ চনব অক্টোবব মাহত ১৬.০০ পইচা পাৰচেনটেজ অব্ব ইনক্রিজ ১৫০.৭৬ পইচা। তাৰ বিপৰীতে ১৯৯১ চনব মার্চ মাহত অবহব দাইলব দাম হল ১৫.০০ পইচা আৰু মার্চ মাহ ১৯৯৫ চনত হল ২০.০০ টকা। পাৰচেনটেজ অব্ব ইনক্রিজ হল ১৯.০৩ টকা। গ্রান দালব ১৯৮৫ চনব মার্চ মাহত দাম আছিল ৬.৮৪ পইচা আৰু ১৯৯০ চনব অক্টোবব মাহত হল ১০.০০ পইচা। পাৰচেনটেজ অব্ব ইনক্রিজ হল ৬৩.৬১ টকা। তাৰ বিপৰীতে ১৯৯১ চনব জুন মাহত দাম হল ১০.০০ টকা আৰু মার্চ ১৯৯৫ চনত হল ১৬.০০

পইচা । পাৰচেনটেজ অৱ ইনক্রিজ হল ৬৫.০০ টকা । ১৯৮৫ চনৰ মাৰ্চ মাহত পটেটুৰ দাম আছিল ১'৬৮ আৰু ১৯৯০ চনৰ অক্টোবৰ মাহত ৪'০০ টকা পাৰচেনটেজ অৱ ইনক্রিজ হল ১৬৭'৮৮ পইচা । তাৰ বিপৰীতে ১৯৯১ চনৰ জুন মাহত পটেটুৰ দাম ৪'২৫ পইচা আৰু ১৯৯৫ চনৰ মাৰ্চ মাহত ৪'০০ টকা হল । পাৰচেনটেজ অৱ ইনক্রিজ হল ৫৮৮ টকা । অনিয়নৰ দাম ১৯৮৫ চনত মাৰ্চ মাহত ৩'০২ টকা আৰু ১৯৯০ চনৰ অক্টোবৰ মাহত ৮'০০ টকা । পাৰচেনটেজ অৱ ইনক্রিজ ১৬৪'৯০ পইচা । তাৰ বিপৰীতে ১৯৯১ চনৰ জুন মাহত অনিয়নৰ দাম হল ৪'০০ টকা আৰু ১৯৯৫ চনৰ মাৰ্চ মাহত ৬'০০ টকা পাৰচেনটেজ অৱ ইনক্রিজ হল ৫০'০০ টকা । আটাৰ দাম ১৯৮৫ চনৰ মাৰ্চ মাহত হল ২'৭১ পইচা আৰু ১৯৯৫ চনৰ অক্টোবৰ মাহত হল ৪'৬০ পইচা আৰু পাৰচেনটেজ অৱ ইনক্রিজ হল ৬৯'৭৪ টকা । তাৰ বিপৰীতে ১৯৯১ চনৰ জুন মাহত আটাৰ দাম ৪৮০ পইচা আৰু ১৯৯৫ চনৰ মাৰ্চ মাহত হলগৈ ৬'০০ পইচা । পাৰচেনটেজ অৱ ইনক্রিজ হল ৩৫'৪২ পইচা । ১৯৮৫ চনৰ মাৰ্চ মাহত চুগাৰৰ দাম আছিল ৬'০৪ পইচা আৰু ১৯৯০ চনৰ অক্টোবৰ মাহত হল গৈ ১০'০০ পইচা, পাৰচেনটেজ অৱ ইনক্রিজ হল ৭৩'৮৪ পইচা । তাৰ বিপৰীতে ১৯৯১ চনৰ জুন মাহত চুগাৰৰ দাম আছিল ১০'০০ টকা আৰু ১৯৯৫ মাৰ্চ মাহত হলগৈ ১৪'০০ পইচা পাৰচেনটেজ অৱ ইনক্রিজ হল ৪৫'০০ টকা মাষ্টাৰ্দ অইলৰ দাম ১৯৮৫ চনত আছিল ১৪'৮৬ পইচা আৰু ১৯৯০ চনৰ অক্টোবৰ মাহত হল ৩৫'০০ টকা, পাৰচেনটেজ অৱ ইনক্রিজ হল ১৩৫'৫৩ পইচা । তাৰ বিপৰীতে ১৯৯১ চনৰ জুন মাহত মাষ্টাৰ্দ অইলৰ দাম হল ৩২'০০ টকা আৰু ১৯৯৫ চনৰ মাৰ্চ মাহ ১৯৯৫ চনত ৩৬'০০ টকা, পাৰচেনটেজ অৱ ইনক্রিজ হল ১২'০০ পইচা । কেৰাচিন তেলৰ দাম ১৯৮৫ চনৰ মাৰ্চ মাহত ২'১৮ পইচা, আৰু ১৯৯০ চনৰ অক্টোবৰ মাহত হলগৈ ৩'০০ টকা আৰু পাৰচেনটেজ অৱ ইনক্রিজ হল ৩৭'৬১ পইচা । "তাৰ বিপৰীতে ১৯৯১ চনৰ জুন মাহত কেৰাচিনৰ দাম আছিল ২'৬৫ পইচা আৰু ১৯৯৫ চনৰ মাৰ্চ মাহত দাম হল ২'৪৬ পইচা, পাৰচেনটেজ অৱ ইনক্রিজ হল মাইনাচ ৭'১৭ পইচা । বনস্পতিৰ দাম ১৯৮৫ চনত মাৰ্চ মাহত আছিল ১৯'১৪ পইচা আৰু ১৯৯০ চনৰ অক্টোবৰ মাহত হলগৈ

৪২·০০ টকা আৰু পাৰচেনটেজ অৱ ইনক্রিজ হল ১৯·৪৪ পইচা তাৰ বিপৰীতে ১৯৯১ চনৰ জুন মাহত বনস্পতিৰ দাম আছিল ৪০·০০ টকা আৰু ১৯৯৫ চনৰ মাৰ্চ মাহত হলগৈ ৪৭ ০০ টকা আৰু পাৰচেনটেজ অৱ ইনক্রিজ হল ১৭·০০ পইচা। সেইধৰণে চণ্টৰ দাম ১৯৮৫ চনৰ মাৰ্চ মাহত আছিল ১·০০ টকা আৰু ১৯৯০ চনৰ অক্টোবৰ মাহত হলগৈ ২·০০ টকা, পাৰচেনটেজ অৱ ইনক্রিজ হল ১০০। তাৰ বিপৰীতে ১৯৯১ চনৰ জুন মাহত চণ্টৰ দাম হল ১·০০ পইচা আৰু ১৯৯৫ চনৰ মাহত দাম হলগৈ ২·০০ টকা। পাৰচেনটেজ অৱ ইনক্রিজ হল ৩৩·৩৩ পইচা অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও আৰু কেইটামান কথা কবলগীয়া আছে।

(Hon'ble Speaker returened and Ocupied the chair)

* শ্রী প্রফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, মাননীয় যোগান বিভাগৰ মন্ত্রী মহোদয়ে যিটো ষ্টেটমেণ্ট দিছে তাৰ ওপৰত আমাৰ কবলগীয়া আছে তাৰ বাবে আমাক সময় দিব লাগিব।

* শ্রী নগেন শর্ম্মা : অধ্যক্ষ মহোদয়, যোগান বিভাগৰ মন্ত্রী মহোদয়ে, যিটো দাটা দিছে সেইটো কৰ পৰা দিছে জনাব লাগে।

ডঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্রী) : আমাৰ অসমলৈ প্রায় বিলাক বস্তু যেনে, চাউল, দাইল, মিঠাতেল আদি সেইবিলাক দিল্লীৰ পৰা বলিবতা হৈ আহে। কলিকতাৰ প্রাইচৰ লগত আমাৰ প্রাইচ অলপহে বেচি। উপাধ্যক্ষ মহোদয়, শিশুৰ কল্যানৰ বাবে যিবিলাক আঁচনি লোৱা হয় সেই আঁচনি বিলাকৰ দ্বাৰা বেবি বিলাকক বেমাৰ মুক্ত কৰাৰ বাবে বেজী দিয়া হয়। মই এতিয়া মাত্র এটা বেজিহে দিছো আৰু বেজী মোৰ হাতত আছে।

অধ্যক্ষ মহোদয়,

কলিকতা—	অসম—
মচুৰ দাল — ১৫ টকাৰ পৰা ১৮ টকা	১৩·৮০ পইচাৰ পৰা ১৯ টকা
মুগ দাল — ২১ টকাৰ পৰা ২৪ টক্কা	১৮ টকাৰ পৰা ১৮·৫০ পইচা।
গ্রাম দাল — ১৮ টকাৰ পৰা ২০ টকা	১৩ টকাৰ পৰা ১৫ টকা।
অৰহৰ দাল-- ১২ টকাৰ পৰা ২০ টকা	১৬ টকাৰ পৰা ১৯ টকা।

(Interraptions) (Noise Continues)

* Speech not corrected.

* শ্রী নগেন শর্ম্মা : অধ্যক্ষ মহোদয়, যোগান মন্ত্রীয়ে কেৱল কলিকতাৰ দামৰ কথাহে উল্লেখ কৰিছে, দিল্লীৰ দামৰ কথাও উল্লেখ কৰক।

ডঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্রী) : মই কম।

* শ্রী চন্দ্রমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, তেখেতে কপেৰেটিভ ষ্টেটমেণ্ট এটা দিছে আমি ভাল পাইছো। দেশৰ ২০ খন চিটিৰ দামৰ তালিকা তেখেতে এতিয়াই দিয়কছোন।

ডা: অৰ্দ্ধেন্দু কুমাৰ দে, (যোগান মন্ত্রী) : অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যলৈ যি ঠাইৰ পৰা বস্তু আহে সেই ঠাইৰ কথাহে কৈছো—

(সদনত গন্দোগল-কেইবাজনো সদস্যই একেলগে কবলৈ ধৰাত কাৰো কথা লিপিবদ্ধ কৰিব পৰা নগল।)

* শ্রী চন্দ্রমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, যোগান মন্ত্রীয়ে, হাৰিয়ানা, পঞ্জাব আৰু ৰাজস্থানৰ দামৰ তালিকা কওক।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে, (যোগান মন্ত্রী) : অধ্যক্ষ মহোদয়, মই দিল্লী, কলিকতা আৰু অসমৰ প্রাইচৰ তালিকা পঢ়ি দিছো :

	দিল্লী	কলিকতা	অসম
চাউল	—৭·৬০ টকাৰ পৰা ৭·৭০	৭·২৫ পৰা ৮ টকা	৭·৪০ পৰা ৮·২০ টকা।
মুগদাল	—১৬ টকাৰ পৰা ১৯ টকা	২১ টকাৰ পৰা ২৪ ,,	১৮ টকাৰ পৰা ১৮·৫০।
গ্রমদাল-	১১ টকাৰ পৰা ১২ টকা	১৮ টকাৰ পৰা ২০ ,,	১৩ টকাৰ পৰা ১৫ টকা
ৰহৰদাল-	১৭ টকাৰ পৰা ১৮·৩০	২০ টকাৰ পৰা ২২ ,,	১৮ টকাৰ পৰা ১৯·৮০
আটা—	৪·৪০ পৰা ৫·২৫	৭ টকাৰ পৰা ৮ টকা	৫·৮০ পৰা ৬·৮০।
ময়দা—	৫·২৫ পৰা ৫·৬৫	৭ টকাৰ পৰা ৮ টকা	৬·১০ পৰা ৬·৮০।
আলু	— ২ টকাৰ পৰা ২·৫০	২ টকা	৩·২০ পৰা ৪ টকা।
পিয়াজ-	৩ টকাৰ পৰা ৩·৩০	৩ টকাৰ পৰা ৪ টকা	৪ টকাৰ পৰা ৫ টকা।
চেনী—	১২·৮০ পৰা ১৩·২৫	১৪ টকা	১৩·৬০ পৰা ১৪ টকা।
ভেজিঃঘিউ-	৪০ টকাৰ পৰা ৪২টকা	৫০ টকা	৪৫ টকাৰ পৰা ৪৬ টকা।

অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও মোৰ আৰু এটা কথা কবলগা আছে, সেইটো হৈছে পাৰ কপিটা ইনকম। ১১৮৫ চনত যিটো পাৰ কেপিটা ইনকম আছিল আজি ১৯৯৫ চনত সেইটো একে নহয়—মই এটা কম্পেৰেটিভ

* Speech not corrected.

ষ্টেটমেণ্ট পঢ়ি দিছো—

1990-90

The per capita income in Assam at currnt pricei in 1990-91 is Rs. 3847/- The per capita incon.e at constant prices in 1990-91 is estimated to be Rs. 1859 compard to Rs. 1317/- in 1980-81 and Rs. 1628 in 1984 85.

1993-94

The per capita incom for 1993-94 in Assam has been estimated at at Rs. 5916/- at currcnt prices and Rs 2157/ at constant prices taking 1980-81 as the base year.

During 1992-93, the figure for per capital incom at current price was estimated at Rs. 5310/- while per capita income at constant price was estimated at Rs. 2018/-

The increase in per capita incom between 1990-91 and 1993-94 is to the extent of Rs, 2069/-. The increase in per capita income at current prices in termss of percantage is 53 78%

অধ্যক্ষ মহোদয়, যিটো পাৰচেণ্টটেজ প্ৰাইচ ইনক্ৰীজ হব লাগিছিল, আমাৰ ইয়াত হোৱা নাই, বহুত কমত আছে।

—সদনত গণ্ডগোল—

ৰাজ্যপালৰ ভাষনৰ পিচত ৰাজ্যপাল চাহৰ পাৰ্টিত এগৰাকি বিৰোধি নেতাক মাতি নি এটা কথা কৈছিলো যে যিদোৱে নিজৰ কথা ব্যক্ত কৰিব নোৱাৰে তেওঁলোকেই চিঞৰ-বাখৰ কৰে। ভিতৰত যদি কবলৈ একো নেথাকে তেওঁলোকেই চিঞৰ বাখৰ কৰে। অধ্যক্ষ মহোদয় ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে অসমত বয় বস্তুৰ দাম যথেষ্ট বৃদ্ধি পাইছিল, কিন্তু এতিয়া বিৰোধী দলৰ দলপতি ডাঙৰীয়া তেতিয়া মুখ্য মন্ত্রী থাকোতে, এ, জি, পি চৰকাৰ শাসনত থাকোতে এই দাম কমোৱাৰ বাবে কোনো চেষ্টা কৰা নাছিল। এইটো মোৰ কথা নহয় শ্রীমহন্তই প্রেছ কনফাৰেন্সত কোৱা কথা।

---

* Spech not corrected.

STATEMENT BY MINISTER

অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ পাপৰ বোজা আমি আমাৰ চৰকাৰে বহন কৰিবলগীয়া হৈছে। এতিয়া আমাৰ চৰকাৰে বয় বস্তুৰ দাম নিয়ন্ত্রণ কৰিবলৈ লৈছে আৰু যোৱা কেইমাহত ইয়াক যথেষ্ট নিয়ন্ত্রণত ৰখা হৈছে।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে তেখেতে যিখন ষ্টেটমেণ্ট ইয়াত পঢ়ি দিছে সেই সম্পর্কে আমাৰ বহুত কথা কবলগীয়া আছে, ইয়াৰ কাৰণে অধ্যক্ষ ডাঙৰীয়া আপুনি আমাক কিছু সময় দিব লাগিব। ১৯৮৫ চনৰ পৰা ১৯৯০ চনৰ কালছোৱাত এতিয়াৰ যোগান মন্ত্রী ডাঙৰীয়া তেতিয়াৰ বিৰোধী দলত আছিল। তেখেতে তেতিয়া বয় বস্তুৰ দাম বাঢ়িছে বুলি প্রতিবাদ কৰিছিলনে সদনত বক্তব্য ৰাখিছিলনে, মই জনাত নাই ৰখা। ৰাইজৰ প্রতিনিধি হিচাবে তেখেতে কিয় ইয়াৰ প্রতিবাদ কৰা নাছিল? তেখেতে প্রমাণ কৰক প্রতিবাদ কৰিছিল বুলি।

ডাঃ অর্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্রী) : অধ্যক্ষ মহোদয়, ময়েই নহয় তেতিয়া ভালেকেইজন সদস্যই ইয়াৰ প্রতিবাদ কৰিছিল। তেখেতে চেলেঞ্জ কৰক মই যিবোৰ কথা কৈছো নহয় বুলি।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে এই সময় চোৱাৰ যি পাপৰ বোজা তেওঁলোকে বহন কৰিছে, আচলতে আমিহে কংগ্রেছ(ই) চৰকাৰৰ শাসন কালৰ পাপৰ বোজা বহন কৰিছিলো। কাৰণ কংগ্রেছ দলে বেছি দিন অসম শাসন কৰিছিল। কেন্দ্রীয় মন্ত্রী শ্রী মনমোহন সিঙে কৈছিল যে 'ক্লিন এড্‌ মিনিষ্ট্রেচন হলে বস্তুৰ দাম নাবাঢ়ে। আৰু ইয়াৰ পিচত বিশেষ দাম বঢ়া নাই। কিন্তু আজি চাপ্লাই মিনিষ্টাৰে সদনত যিটো ষ্টেটমেণ্ট দিছে তাৰ দ্বাৰা হাউচক মিচলিড কৰিছে। গতিকে ইয়াৰ ওপৰত এটা হাউছ কমিটি গঠণ কৰি তদন্ত কৰিব লাগে। বাজেট বক্তৃতাত তেওঁলোকেই লিখিছে "XX তিনিত" পাইকাৰী আৰু খুচুৰা মূল্যসুচীৰ পৰিবর্ত্তনৰ ধাৰাৰ পৰা এই কথাই স্পষ্ট হৈ পৰিছে যে ১৯৯৪ চনতো ৰাজ্যখনত মূল্যৰ বর্দ্ধিত গতি অব্যাহত থাকে। ১৯৯৪

* Speech not corrected.

প্রথম ৯ মাহত গড় হিচাপে পাইকাৰী মূল্যসূচী আগৰ ৰছৰৰ অনুৰূপ সময়-ছোৱাৰ তুলনাত ১০'৯ শতাংশ বৃদ্ধি পায়। মুখ্যমন্ত্রীয়ে, বিত্তমন্ত্রীয়ে বাজেট বক্তৃতাত স্বীকাৰ কৰিছে বস্তুৰ দাম বঢ়া বুলি। তাৰ পিচতো চাপ্লাই মিনিষ্টাৰে এনেকুৱা ষ্টেটমেণ্ট দিবলৈ তেওঁৰ লজ্জাবোধ হোৱা নাইনে। অধ্যক্ষ ডাঙৰীয়া তেখেত সকলে স্পষ্টভাৱে কৈছে যে মূল্য বৃদ্ধি বোধ হোৱা নাই। তাৰ পিচতো তেখেতে যিখিনি (ষ্টটমেণ্ট দিছে সেইটোৰ 'চ্ছ' কি ? এই বিলাক তথ্য কৰ পৰা আনিছে ষ্টেটিচটিকচৰ পৰা আনিছে নে ক'ৰ পৰা আনিছে ইয়াৰ এটা তদন্ত হলে ভাল হ'ব। অধ্যক্ষ মহোদয়, তেখেত সকলে নিজেই বাজেটত দেখুৱাইছে যে ১০'৫ শতাংশ বৃদ্ধি হোৱা বুলি।

* ডঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান মন্ত্রী) : অধ্যক্ষ মহোদয়, আমাৰ দিনত ১০'৫ শতাংশ বাঢ়িছে, তেখেত সকলৰ দিনত ১০০ শতাংশৰো বেছি বাঢ়িছিল।

* শ্রী প্রফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, আমাৰ দিনত ১০০ শতাংশ দাম বঢ়াটো তেখেতে প্রমাণ কৰক। আমাৰ ৰাজেটৰ কপি আনি স্পষ্ট কৰক।

* ডঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : অধ্যক্ষ মহোদয়, মই কিয় কপি আনি দিব লাগে তেখেত সকলে নিজেই প্রমাণ কৰক।

* শ্রী প্রফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, মই চাপ্লাই মিনিষ্টাৰক প্রত্যাহ্বান জনাইছো, তেখেতে এই সদনৰ মজিয়াত প্রমাণ কৰক যে আমাৰ দিনত কত ১০০ শতাংশ বৃদ্ধি হৈছিল। তেখেতে ১৯৮৫ পৰা ১৯৯০ চনলৈ ৰাজেট আনি প্রমাণ কৰক।

(সদনত গন্দগোল)

* শ্রী চন্দ্রমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ বেলবিফিকেচন আছে, সেইকেইটা আমাৰ চাপ্লাই মিনিষ্টাৰে স্পষ্ট কৰি দিব লাগে (১) তেখেত আজি প্রাইচ লিষ্টৰ যিখন ষ্টেটমেণ্ট সদনৰ টেবুলত দিছে তাৰ দাতা বিলাক ক'ৰ পৰা আনিছে, অর্থনীতি পৰিসংখ্যা বিভাগৰ পৰা আনিছে নে, মাৰোৱাৰীৰ হালখাতাৰ পৰা আনিছে নে প্রেক্টিকেল যিল্ডৰ পৰা আনিছে নে চাপ্লাই ডিপার্টমেণ্টৰ 'চৰ্ছৰ' পৰা আনিছে সেইটো স্পষ্ট

* Speech not corrected.

কৰি দিব লাগে। (২) দ্বিতীয়তে তেখেতে হাউচক মিচলীড কৰিছে, তেখেতে যিটো 'কনষ্ট্রেণ্ট প্রাইছ ইনডেক্সৰ' কথা কৈছে, সেইটো আমাৰ ইয়াত নাখাটে। প্রাইচ ইনডেক্সটো সৰ্ব্বভাৰতীয় ইকনমিক গ্রথ আৰু গ্রচৰ ওপৰত নিৰ্ভৰ কৰে তাৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ ইয়াত বস্তুৰ দাম নাবাঢ়ে গতিকে এই কথাটো তেখেতে ভালকৈ বুজাই দিব লাগে। আৰু (৩) তৃতীয়তে মই মন্ত্রী মহোদয়ক এটা কথাত প্রত্যাহ্বান জনাইছো যে ১৯৮৫ চনৰ পৰা ১৯৯০ চনৰ ভিতৰত এজিপি চৰকাৰে কোনো বাজেটত বক্তৃতাত প্রাইচ বাইজ হৈছে বুলি লিখিছিল নেকি? এই চৰকাৰৰ বাজেটত স্পষ্ট-ভাবে লিখা আছে বস্তুৰ মূল্য বৃদ্ধি হোৱা বুলি। চৰকাৰে এই কথাটো অফিচিয়েলি স্বীকাৰ কৰিছে। গতিকে আমি মাননীয় মূখ্য মন্ত্রী ডাঙৰীয়া আৰু বিত্ত মন্ত্রী ডাঙৰীয়াক ধন্যবাদ জনাইছো। আপোনাক বিভাগীয় মন্ত্রী হিচাপে ৰাখিছে আপুনি মূল্য বৃদ্ধি ৰোধ কৰাৰ বাবে ব্যৱস্থা লওঁক। নহলে মন্ত্রী থকাৰ কোনো লাভ নাই। মই চাপ্লাই মিনিষ্টাৰক প্রত্যহ্বান জনাইছো তেখেতে এই সদনত ৫ মিনিটৰ ভিতৰত বাজেটৰ কপি চাৰ্কোলেট কৰি প্রমাণ দিয়ক নহলে মন্ত্রীৰ পদবীৰ পৰা ৰিজাইন দিয়ক।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, ১৯৯১ চনৰ ২৭ জুলাইৰ অসম বাণী কাকতত প্রকাশ পাইছিল (কাকতখন হাতেৰে দেখুৱাই দিয়ে) যে এ, জি, পি চৰকাৰৰ শাসন কালত অত্যাৱশ্যকীয় সামগ্রীৰ অতিপাত মূল্যবৃদ্ধি হৈছিল এই কথা আমি কোৱা নাই এইখন পেপাৰত লিখিছে।

(সদনত গণ্ডগোল)

মাননীয় অধ্যক্ষ : আপোনালোক বহক ফাইনেন্স মিনিষ্টাৰে ৰিপ্লাই দিব আছে।

* শ্রী প্রফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, মই এটা কথা তেখেতক কব লাগিব, আজি আমি অসমবাণীৰ ওপৰত নিৰ্ভৰ কৰি ৰক্তৃতা ৰখা নাই। আমি বাজেটৰ ওপৰত নিৰ্ভৰ কৰিহে ৰক্তৃতা ৰাখিছিলো। কিন্তু আপোনালোকে বাজেটত নিজেই স্বীকাৰ কৰিছে যে "পাইকাৰী আৰু

* Speech not corrected.

খুচুৰা মূল্য সূচীৰ পৰিৱৰ্ত্তন ধাৰাৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে ১৯৯৪ চনটো ৰাজ্যখনত মূল্য বৰ্দ্ধিত গতি অব্যাহত থাকে। ১৯৯৪ চনৰ প্ৰথম ৯ মাহৰ গড় হিচাপে পাইকাৰী মূল্যসূচী আগৰ বছৰৰ অনুৰূপ সময়ছোৱাৰ তুলনাত ১০·৫ শতাংশ বৃদ্ধি পায়।" তেখেতসকলে নিজেই স্বীকাৰ কৰিছে অধ্যক্ষ ডাঙৰীয়া। মই ইয়াত চাপ্লাই মিনিষ্ট্ৰাৰক প্ৰত্যাহ্বান জনাইছো তেখেতে বাজেট বক্তৃতাত ইয়াত প্লেচ কৰি প্ৰমাণ কৰক কত আমাৰ দিনত ১০০ শতাংশ মূল্য বৃদ্ধি হৈছিল।

(সদনত গন্দগোলৰ সৃষ্টি হয়, বিৰোধী দলৰ কেইবাজনো সদস্যই অধ্যক্ষৰ মেজৰ ওচৰলৈ আহি প্ৰতিবাদ কৰে।)

(সদনত হুলস্থূল)

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়ে, মই এটা কথা কবলৈ বিচাৰিছো। সদনত যোগান মন্ত্ৰী ডাঙৰীয়াই যিটো অসত্য তথ্য উত্থাপন কৰিছে তাত আলুৰ দাম ৪·০০ টকা আৰু কেৰাচিন তেলৰ দাম ২·৪৬ টকা দেখুৱাইছে। তাত এমাউণ্ট অৱ ইনক্ৰিজ / ডিক্ৰিজ—০·১৯ টকা দেখুৱাইছে। তেখেত যোৱা ১৬ তাৰিখে কেৰাচিন ওপৰত যিটো উত্তৰ দিছে সেইটোৰ ওপৰত সম্পূৰ্ণ অমিল। তেখেতে এই ভুল তথ্য দিছে।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, যোগান মন্ত্ৰীয়ে যোৱা ১৬ তাৰিখে যিখন ষ্টেটমেণ্ট বিধান সভাত ডাঙি ধৰিছে তাৰ বাকীবিলাক বস্তুৰ দামৰ কথা কবলৈ নাযাওঁ। মই মাত্ৰ আলু আৰু কেৰাচিন তেলৰ কথাহে কবলৈ বিচাৰিছো। যোগান মন্ত্ৰীয়ে আলুৰ দাম ১৯৯১ চনতকৈ ২৫ পইচা কমিছে বুলি কৈছে। আকৌ কেৰাচিন তেলৰ দাম দেখুৱাইছে ১৯৯১ চনত ২·৬৫ টকা আৰু ১৯৯৫ চনত ২·৪৬ টকা। কিন্তু তেখেতে যোৱা ১৬ তাৰিখে যিটো ষ্টেটমেণ্ট দিছে সেইটোৰ লগত অমিল। যোগান মন্ত্ৰীয়ে যিটো তথ্য দিছে সেইটো সম্পূৰ্ণ অসত্য।

(সদনত হুলস্থূল)

মাননীয় অধ্যক্ষ : (সদনত হুলস্থূল চলি থকাৰ মাজতে) বিত্ত মন্ত্ৰীয়ে মন্ত্ৰীয়ে উত্তৰ দিয়ক। আপুনি কি কৰি আছে।

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰীয়ে

* Speech not corrected.

উত্তৰ দিব । কিন্তু যোগান মন্ত্রীয়ে যিটো ষ্টেটমেণ্ট দিছে সেইটো সম্পূর্ণ ভুল তথ্য দিয়া হৈছে । তেখেতে যি ভুল তথ্য সদনত দাঙি ধৰিছে সেই বিষয়ে জনাৰ অধিকাৰ সদস্যসকলৰ আছে

* শ্রী প্রমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, যোগান মন্ত্রীয়ে যিটো তথ্য দিছে সেই তথ্য আজি কেইদিন মান আগতে যি তথ্য দিছিল তাৰ লগত অমিল হৈছে। আৰু সেই কাৰণে তেখেতে সদনৰ ভুলভাৱে পৰিচালিত কথা বাবে তেখেত জগৰীয়া । এই গোটেই বিষয়টো যোৱা ১৬ তাৰিখে দিয়া ষ্টেটমেণ্ট আৰু আজি দিয়া ষ্টেটমেণ্টৰ গোটেইখিনি ভালদৰে পৰীক্ষা কৰি চাই এইটোৰ ওপৰত আপুনি এটা জাজমেণ্ট দিব লাগে ।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, সেইদিনা ১৬ তাৰিখ আছিল আৰু আজি ২৮ তাৰিখ ।

(সদনত হুলস্থুল চলি থাকে)

* শ্রী প্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, যোগান মন্ত্রীয়ে যিটো কথা কলে সেইটো ভালদৰে চাবলগীয়া বিষয় । তেখেতে কৈছে সেই দিনা ১৬ তাৰিখ আৰু আজি ২৮ তাৰিখ । কিন্তু তেখেতে আজি যিটো ষ্টেটমেণ্ট দিছে সেইটো ১ মাৰ্চ ১৯৯৫ চনতে প্রস্তুত কৰা । গতিকে আপুনি চাওক যোগান মন্ত্রীয়ে কেনেকৈ সদনক মিছলিড কৰিছে । গতিকে এই বিষয়টো আপুনি ভালদৰে পৰীক্ষা কৰি চাই এটা জাজমেণ্ট দিব লাগে ।

মাননীয় অধ্যক্ষ : এই বিষয়টো মই চাম । আজিয়েই কোৱা সম্ভৱ নহব ।

(সদনত হুলস্থুলৰ মাজতে বিত্ত মন্ত্রীয়ে উত্তৰ দিবলৈ আৰম্ভ কৰে যদিও একো শুনা নাযায় বিৰোধী সদস্য সকলে যোগান মন্ত্রীৰ ষ্টেটমেণ্টখন উঠাই লবলৈ দাবী কৰে)

মই আপোনালোকৰ লিডাৰৰ কথা মানি লৈছো । আপোনালোক বহক । শ্রী গগৈ ডাঙৰীয়াই যিটো কৈছে সেইটো মই মানি লৈছো ।

(বিত্ত মন্ত্রীয়ে উত্তৰ দিবলৈ আৰম্ভ কৰে যদিও সদনত হুলস্থুলৰ কাৰণে কবলৈ নোৱাৰিলে ।)

আপোনালোক বহক, বিত্ত মন্ত্রীক উত্তৰ দিবলৈ দিয়ক । মই বিষয়টো পৰীক্ষা কৰি চাম ।

---

* Speech not corrected.

(সদনত হুলস্থুল চলি আছে)

* শ্রী জীৱকান্ত গগৈ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখন বাজেট আছে সেই খিনিত উত্তৰ দিম।

(সদনত হুলস্থুল চলি থাকে)

Mr. Speaker : The House is adjourned for few Minutes. I request the Hon'ble Minister, Parliamentary Affairs, the Leader of the Opposition, Hon'ble Member, Shri Promod Gogoi and Hon'ble Member, Shri Gias Uddin Ahmed to meet me in my office chamber.

(The House reassembled with Mr. Speaker in the Chair after a short break)

Mr. Speaker : I have discussed the matter with the Leader of opposition the seniormost member Shri Promod Gogoi and Minister incharge Parliamentary Affairs. I shall examine the matter further and I will give my ruling. Another matter that is the slogan 'Oli Goli may sur hai.... etc. etc. should be expunged from the proccendings.

শ্রী জীৱকান্ত গগৈ (বিত্ত মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ যিখন বাজেট সদনত উপস্থাপন কৰা হ'ল সেই বাজেটৰ ওপৰত যোৱা তিনি দিন ধৰি বহুকেইজন মাননীয় সদস্যই অংশ গ্ৰহন কৰিছে। তাৰ ভিতৰত কিছু সংখ্যক মাননীয় সদস্যই ভাল পৰামৰ্শ দিছে আৰু কিছু সংখ্যক মাননীয় সদস্যই অবাঞ্ছিত কথা কিছুমান উল্লেখ কৰিছে। মই এটা কথা উপলব্ধি কৰিছো যে বহুতো মাননীয় সদস্যই বাজেটখন ভালকৈ পঢ়া নাই আৰু এইখন বুজি পোৱা নাই। এই বাজেট ভাষণটো ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে কৰা হৈছে।

* Speech not corrected.

* শ্রীজয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অর্ডাৰ আছে। এই বাজেটখন ''আজিৰ বাতৰি''ৰ বিপোর্টাৰে আগদিনা পঢ়িছে।

* শ্রীচন্দ্রমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাৰ দৃষ্টিগোচৰ কৰিব খুজিছো যে বিত্ত মন্ত্রী মহোদয়ে বাজেটখন অসমীয়া আৰু ইংৰাজী প্রকাশ কৰা বুলি এটা কথা কৈছে। আমি ইংৰাজী বুজি নাপাওঁ বুলি তেখেতে ভাবে নেকি ? এই ক্ষেত্রত মই তেখেতক প্রত্যাহ্বান জনাইছো যে তেখেতে কিমান ইংৰাজী বুজি পায়। আমি কি বুজি নাপাওঁ নেকি ?

শ্রী জীৱকান্ত গগৈ (বিত্ত মন্ত্রী) : সেইটো কোনে পৰীক্ষা লব তাৰ কাৰণে মোৰ লগত বাহিৰত ৰহিব।

অধ্যক্ষ মহোদয়, এই বাজেট বক্তৃতাৰ ওপৰত অংশ গ্রহন কৰি প্রথমতে মাননীয় শ্রীযতীন মালী ডাঙৰীয়াই তেখেতৰ বক্তব্য দাঙি ধৰে। তেখেতে প্রথমতে উল্লেখ কৰিছে যে অধিক সংখ্যক বস্তুৰ ক্ষেত্রত ৰেহাই দিয়া হোৱা নাই। কিন্তু আমি যি কেইটা বস্তুৰ ওপৰত ৰেহাই দিছো সেই কেইটাৰ তেখেতে সমর্থন কৰিছে আৰু তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। তেখেতে বিত্তীয় ইন্‌ডিচিচিন হোৱা বুলি কৈছে। মই তেখেতক জনাব খুজিছো যোৱা কেইবছৰত আমাৰ কালেকচন বাঢ়ি গৈছে। এই বছৰ আমি প্রায় ৬০০ কোটি টকা সংগ্রহ কৰিম। আগতে তিনি চাৰি মাহ কর্ম্মচাৰী সকলে দৰমহা পোৱা নাছিল। কিন্তু এতিয়া মাহৰ শেষ দিনা বা প্রথম তাৰিখতে দৰমহা দি থকা হৈছে। তাৰ বাহিৰেও কর্ম্মচাৰী সকলৰ দৰমহাৰ বাবে কোনো এল, ও, চি, নালাগে। সেইটো ব্যৱস্থাও আমি কৰিছো।

অধ্যক্ষ ডাঙৰীয়া যোৱা তিনি দিন ধৰি বাজেটৰ ওপৰত মাননীয় সদস্য সকলে যিবোৰ কথা উল্লেখ কৰিছে সেই আটাইবোৰৰে উত্তৰ দিওতে মোক যেন বাধা নিদিয়ে তাৰ কাৰণে মই অনুৰোধ জনাইছো।

* দেৱান জয়নাল আবেদিনঃ অধ্যক্ষ মহোদয়, কিছুমান স্কুলৰ শিক্ষকে ২৩ মাহ ধৰি দৰমহা পোৱা নাই। এই কথা বিলাক উৎথাপন কৰাৰ কাৰণে আমাৰ অধিকাৰ আছে। বিত্তমন্ত্রী ডাঙৰীয়াই ৰেগুলাৰলি দৰমহা দি থকা বুলি কৈছে। গতিকে তেখেতে এইটো ক্লাৰিফাই কৰিব লাগে।

* Speech not corrected.

* শ্রী জীৱকান্ত গগৈ (মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, মই দুখৰ কৰ লগা হৈছে যে আমাৰ কিছুমান মাননীয় সদস্যই কথা বিলাক বুজি নেপাই এনেয়ে কয়। মই কৈছে দৰমহা পাই আছে, মই চেলেঞ্জ দি কৈছো দৰমহা দি থকা হৈছে আপোনালোকে জানে যে যোৱা বছৰ আমাৰ ৪০ হেজাৰৰো অধিক প্ৰাথীয়ে প্ৰাইমাৰী শিক্ষকৰ পদ পাইছে। বিটেনচন দিয়াত দেৰী হয়, ডি, পি, আই অফিচত কৰ্ম্মচাৰী বঢ়া নাই। (গন্দাগোল)।

মাননীয় অধ্যক্ষ : আপোনালোকে উত্তৰ দিবলৈ দিয়ক। (ভইচঃ কথা-খিনি ভালকৈ কওঁক)।

শ্রী জীৱকান্ত গগৈ (মন্ত্রী) : অধ্যক্ষ মহোদয়, মই ভালকৈয়ে কৈ আছো আৰু ভালকৈ কম, আপোনালোকে মোক কবলৈ দিয়ক। যি বিত্তীয় কথা কোৱা হৈছে, এইটো হল দৰমহা দি থাকোতে আগত ৪ হাজাৰ ৯ শ ৯ কোটি টকা আধাতকৈ বেছি ঋণ মাবিলে, বেছি টকা বন্ধ হৈ আছে। বহুত টকা দিয়া হৈছে, আৰ, দি, মুকলি কবিলে ও, দি, নহয়। বিত্তীয় দিচিপ্লিন নাই নেকি ? ভাৰতৰ কোনো ষ্টেটতে আজিলৈ এনেকৈ দিয়া নাই। কেন্দ্রীয় মন্ত্রী প্রণৱ মুখাৰ্জী ডাঙৰীয়াই ভুয়সী প্রসংশা কবিছে অসমত বিত্তীয় নিয়মানুবর্ত্তিত যি উদাহৰণ দেখুৱালে অন্য ৰাজ্যত দেখুৱাব পৰা নাই। গতিকে ইনদিচিপ্লেন কেনেকৈ হৈছে হোৱা নাই। (গন্দাগোল, ভইচ- আপুনি লাহে লাহে কওঁক) আপোনালোকে লাহে লাহে কয, মই খৰকৈ কওঁ। তেখেতে কৈছে অভাৰ দ্রাফট্ বৃদ্ধি হৈছে, কালি মহন্ত ডাঙৰীয়াইও কৈছে, চৰকাৰৰ অভাৰ দ্রাফট হবই। তেখেত সকলৰ দিনত ৫৫ ৰাৰ অভাৰ দ্রাফট্ হৈছিল, কিন্তু আমাৰ দিনত মাত্র ২৭ ৰাৰ হৈছে। (ভইচ : মোক কৈছে নেকি ?) আপোনাক কোৱা নাই, মই শ্রী মহন্ত ডাঙৰীয়াৰ কথাহে কৈছো। আৰু এটা কথা কৈছে শ্রী মালী ডাঙৰীয়াই, তেখেতে কৈছে যে বিত্তীয় বিশৃঙ্খলাৰ কাৰণে প্রধান মন্ত্রীয়ে দুখন চিঠি দিছে। কিন্তু সেই চিঠি মই পোৱা নাই, আমাৰ কমিশ্ন-নাৰে পোৱা নাই, আনকি মাননীয় মুখ্য মন্ত্রীয়েও পোৱা নাই। মালি ডাঙৰীয়াই কেনেকৈ পালে, যদি তেখেতে পাইছে দাখিল কৰক। তেখেতৰ কথাত আমি দুখ পাইছো। (ভইচ : মই ক্লিয়াৰিফিকেশ্বনৰ সময়ত কম)।

* Speech not corrected.

আপুনি কৰ, ইয়াৰ পিচত আমাৰ মাননীয় সদস্য শ্রী কোষেশ্বৰ বৰুৱাই কৈছে যে আগৰ ধিসঙ্গতি মাৰি এই বাৰ এখন ভাল বাজেট আমাক দিছে, বাজেট-খন জনকল্যানমুখী বাজেট বুলি কৈছে। শ্রী সেন ডাঙৰীয়াই যিটো কৈছে তাৰ পৰা বুজা যায় যে তেখেতে বাজেট খন ভালকৈ পঢ়া নাছিল। তেখেতে বাজেটত পাৱাৰৰ কথা উল্লেখ নাই বুলি কৈছে। এই সম্পর্কে তিনি পৃষ্ঠাত লিখা আছে। ওল্ড এজ পেন্‌চন আৰু উইদো পেন্‌চনৰ কথাও কৈছে। সেন্দুৰ কুমকুমৰ কথাতো তেখেতে প্রেইজ ওৱার্ডি বুলি কৈছে। মাইনৰ ইৰিগেশ্বন ডেভলাপমেণ্ট কৰপোৰেশ্বনক ভাল বুলি কৈছে। ৰৰাকৰ কো-আপাৰেটিভৰ কথাটো সমবায় মন্ত্রীৰ লগতে তেখেতে যোগাযোগ কৰিব। (ভইচ: কো-অপাৰেটিভৰ দায়িত্বটো আপুনি লব নোৱাৰে নেকি ?) এইটো বাৰু চাম। মাননীয় সদস্য শ্রীথানেশ্বৰ বড়ো ডাঙৰীয়াই বাজেট সম্পর্কে ভাল কথাই কৈছে, তেখেতে কৈছে যে ট্রাইবেল ওৱেলফাৰৰ কাৰণে টকা বেছি দিব লাগে আৰু এগ্রিকেলচাৰ শিতানত বৃদ্ধি কৰিব লাগে। এইটো আমি চাম। মাননীয় সদস্য শ্রীকালিৰঞ্জন দেৱ ডাঙৰীয়াই বাহৰ ওপৰত টেক্‌চ উঠাই দিয়াৰ কাৰণে কৈছে, তেখেতে ভাল কৈছে, তাৰ কাৰণে তেখেতক ধন্যবাদ দিছো কাৰণ টেক্‌চ উঠাই ললে দুখীয়া ৰাইজৰ উপকাৰ হব। মাননীয় সদস্য শ্রীশশকমল সন্দিকৈ ডাঙৰীয়াই কৈছে যে ইয়াত নিযুক্তি সম্পর্কে থকা ষ্টেটিচটিক আমাৰ হেটিচষ্টিকৰ লগত মিলা নাই। এইটো ষ্টেটিচটিকচ ডিপার্টমেণ্টৰ পৰা অনা হৈছে, বেলেগ বেলেগ পিৰিঅদ হব পাৰে। তেখেতে কৈছে যে শতকৰা ৫০ ভাগ চেল টেক্‌চ কমি যাব। আমি কৈছো এই বছৰ আৰু বাঢ়িব। শ্রীআনোৱাৰ হুছেইন ডাঙৰীয়াই এই ৰাজেটখন ৰাইজৰ কাৰণে উপযুক্ত ৰাজেট বুলি কৈছে। এই বাজেটত যিবিলাক ৰেহাই দিয়া হৈছে সেই ৰিলাকৰ পৰা দুখীয়া ৰাইজ উপকৃত হব বুলি কৈছে আৰু তেখেতে ৰাজেটখনক প্রশংসা কৰিছে। মাননীয় সদস্য শ্রীপ্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই তেখেতৰ বক্তৃতাৰ আৰম্ভনিতে কিছুমান কাগজৰ কথা উল্লেখ কৰিছে, একেখন কাগজতে ভাল কথাও আছে, বেয়া কথাও আছে। তেখেতে কিন্তু ভাল খিনি পঢ়া নাই বেয়া খিনিহে পঢ়িছে।

শ্রীজীৱকান্ত গগৈ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এন, ই, টাইমচত আমাৰ ৰাজেটখন ৰৰ ভাল হৈছে বুলি লিখিছে। ফেডাৰেচন অৱ

ইন্দাষ্ট্রিজ অব্ এন, ই ইন্দিয়াই বাজেটখন ভাল বুলি কৈছে। চাটার্ড একাউটেণ্ট আ, কে আগৱৱালাইও বাজেটখন ভাল বুলি কৈছে। ইয়াৰ পিচত প্রেচিডেণ্ট, চেক এক্চেঞ্জ গুৱাহাটীয়েও আমাৰ বাজেটখন ভাল হোৱা বুলি কৈছে। প্রেচিডেণ্ট চেল টেক্চ বাৰ এচোচিয়েচনেও আমাৰ বাজেটখন প্রশংসা কৰিছে। আৰু বহুতেই প্রশংসা কৰিছে। সেইবিলাক ইয়াত উল্লেখ কৰা নাই। আসাম ট্রিবিএনৰ সম্পাদকীয়টো আমাৰ বাজেটৰ বিষয়ে আলোচনা কৰিছে। ভাল ৰ্বলি লিখিছে Which will certainly benifit the people perticulerly those who can not afford আৰু অন্যান্ন কাকততো লিখিছে সেই বিলাক আৰু ইয়াত নকও। বিৰোধী দলৰ দলপতি মাননীয় সদস্য শ্রীপ্রফুল্ল কুমাৰ মহন্তই ১৫ তাৰিখৰ ইকোনমিকচ টাইমচত লিখাৰ কথা কৈছিল। আমাৰ বাজেট ২০ তাৰিখেহে দিয়া হৈছে। গতিকে ১৫ তাৰিখত কি লিখিছে সেইটো নাচাও। তেখেতে কৈছে যে বাজেতখন নিৰ্বাচনমূখী বাজেত হৈছে। নিৰ্বাচনমূখী বাজেত মানে বাইজৰ মঙ্গলৰ কাৰণে তৈয়াৰী বাজেত। গতিকে তেখেত সকলে স্বীকাৰ কৰিছে যে বাজেতখন ভাল হৈছে। তেখেতে কৈছে যে জনসাধাৰণৰ আশা আকাংশা এই বাজেতে পূৰণ কৰিব পৰা নাই। আমি প্রত্যেক হেডতে কৈছো কি কৰিব লাগে। আমাৰ বহুতো সদস্যই ৯২ শতাংশৰ যি গ্রোথৰ কথা কৈছে সেইটো ভুল কথা কৈছে। আমাৰ বহুতো মাননীয় সদস্য শ্রীশশ কলম সন্দিকৈ, শ্রীপি, কে, মহন্ত, গিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই কৈছে যে ৯'২ শতাংশ বাঢ়িছে। এইটো আমি ফেকটচৰ ওপৰত কৈছো। পেদ্দি আহু ১৯৯৬-৯১-৭৩০ কে, জি, ৯১-৯৪-৯০১ কে, জি, শালী পেদ্দি ১৯৮৬-৯১ ১২৮৭ কে, জি, ১৯৯১-৯৪-১৪১২ কে, জি। চামাৰ পেদ্দি (ৰবো পেদ্দি) ১৯৮৬ ৯১-১৪২০ কে, জি। এভাবেজ ১৫৬০ কে, জি। পটেটো ১৯৮৬-৯১ ৬২৩৭ কে, জি। ৰেপচিড এণ্ড মাষ্টাৰ অইল ১৯৮৬-৯১-৪৮৭ কে, জি, ১৯৯১-৯৪-৫১২ কে, জি। হুইট ১৯৯৬-৯১-১০৮১ কে, জি, ১৯৯১-৯৪-১২৬৬ কে, জি। গতিকে উৎপাদন বাঢ়িছে। যোৱা তিনি বছৰত উৎপাদন বাঢ়িছে। এইটো ষ্টেটিচষ্টিকচৰ পৰা কোৱা হৈছে। Departments could not submit correct proposals. Till to-day, they could not submit. We are releasing all the Revenue deposits.

১৯৮৬—৮৭	৩৩৩৬	(+ ১'৬)
১৯৮৭—৮৮	৩৫১৯	(+ ৫'৫)
১৯৮৮—৮৯	৩৫৯০	(+ ২'০)
১৯৮৯—৯০	৩৮১৭	(+ ৬'৩)
১৯৯০—৯১	৪০০৫	(+ ৪'৯)
১৯৯১—৯২	৪২৮৫	(+ ৭'০)
১৯৯২—৯৩	৪৬৮৪	(+ ৯'৩)
১৯৯৩—৯৪	৫১১৬	(+৯'২)

এতিয়া শ্রীমহন্ত ডাঙবীয়াই কৈছে আৰু লগতে কিছুমান সদস্যইও আশ্বাষ্য, প্রকাশ কৰিছে যে কোৰিয়াত ৫ শতাংশ, আমেৰিকাত ৩'৫ শতাংশ, জার্মানীত ৪ শতাংশ আমাৰ দেশত ইমান বেচি কেনেকৈ হব। ১৯৯০-৯১ চনৰ মহন্ত ডাঙবীয়াৰ দিনৰ বাজেট বক্তৃতাৰ তিনি পৃষ্ঠাত আছে। এতিয়া আমি ৯'২ শতাংশ দিছো। তেখেতসকলৰ দিনত ৮'৯ শতাংশ আছিল। আমাৰ '৩ শতাংশ বাঢ়িছে। আমাৰ ৯'২ শতাংশ হব পাৰে এইটোৰ কাৰণে তেখেত-সকলে আশ্চার্য্য প্রকাশ কৰিব নালাগে। এইটো ভূল হৈছে বুলি কোৱা উচিত নহয়। তিনিজন চিনিয়ৰ সদস্যই কৈছে। মহন্ত ডাঙবীয়াই বেংক বঢ়া বুলি কোৱা কথাটো সচা। বেংক মানুহে যত্ন কৰিও নেপায়। মানুহে বেংকৰ পৰা লোন লবলৈ বিচাৰে, টকা থবলৈ বিচাৰে। গতিকে বেংক হোৱা কাৰণে জনসাধাৰণ লাভবান হৈছে, উন্নতি হৈছে। অধ্যক্ষ মহোদয় ইয়াৰ পিচত তেখেতে ৰেভিনিউ ডিপোজিতৰ কথা কৈছে। সকলোবোৰ টকা মুকলি কৰি দিয়া হৈছে। মাত্র ১৬ কোটি টকা বাকী আছে। সেই কাৰণে কোটি টকা দিব পৰা নাই। পৰিকল্পনাৰ ধন নন-প্লেনত খৰচ কৰা বুলি কৈছে। এই বছৰ পৰিকল্পনাৰ ধন নন-প্লেনত খৰচ কৰা নহয়, সেইটো মই আশ্বাস দিছো। অধ্যক্ষ মহোদয়, তেখেতে প্লাষ্টিকৰ ওপৰত ৰেহাই দিয়াটো ভাল হোৱা নাই বুলি কৈছে। প্লাষ্টিক এনে এটা বস্তু যি মডার্ণ যুগতো উপেক্ষা কৰিব নোৱাৰি। ইয়াৰ পৰা বাল্টি তৈয়াৰ কৰিব পাৰি। দুখীয়া জনসাধাৰণে ব্যৱহাৰ কৰা প্লাষ্টিক চেণ্ডল তৈয়াৰ কৰা হয়। সেইকাৰণে দুখীয়া ৰাইজক সকাহ দিয়াৰ কাৰণে ৰেহাই দিয়া হৈছে। মমবাটিৰ ক্ষেত্রতো সেই একেটা কথাই প্রজোয্য। দুখীয়া মানুহক সকাহ দিয়াৰ কাৰণে ৰেহাই দিয়া

হৈছে। তাৰ পিচত তেখেতে কৈছে এম্প্লয়মেণ্টৰ ক্ষেত্ৰত। এম্প্লয়মেণ্টৰ ক্ষেত্ৰত আমি এই বছৰ আমি ২ লাখ ৭৮২ হাজাৰ নিৰন্নুৱাক জৰ দিবলৈ স্থিৰ কৰা হৈছে। আই, আৰ, ডি, পিৰ অধীনত ২ হাজাৰ আৰু জে, আৰ, ওৱাইত ১৮৭৬।

Employment :

1. IRDP — 52000 jobs
2. JRY — 296.40 lakh mandays epuivalent to 1,08,476 jobs in the year (at the rate of 273 working days in a year)
3. SSI units (Regd) under PMRY of 2688 units. 16128 jobs
   (At the rate of 6 jobs. per unit)
4. SC/ST families under 42112 jobs self-employment programmes over and above IRDP
   (SC — 14419, ST — 27,693)
5. Employment Assurance — 175.80 lakh mandays equivalent to 64000 jobs in a year.
   (At the rate of 273 working days in a year)

Total—2,82,716 jobs

মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিছত মই মাননীয় মহন্ত ডাঙৰীয়াৰ এটা কথাৰ উত্তৰ দিব বিচাৰিছো। তেখেত চি, ফৰ্মৰ কথা কৈছে। মই ভাবো, সেইটো সময়ত আহিব। মই ভালদৰে আলোচনা কৰি উত্তৰ দিম। প্ৰশ্নটো বহুতো বাতৰি কাকতত ওলাই আছে। সেই কাৰণে যাতে বাইজক ব্যাখ্যা কৰি দেখুৱাব পাৰো, তাৰ চেষ্টা কৰিম। চি, ফৰ্মৰ কথা জনতা চৰকাৰৰ দিনত উলাইছিল। ২২-৯-৮০ চনতে আমি এই চি, ফৰ্মৰ কথাটো জানিছিলো। এই বিষয়ে কেন্দ্ৰীয় চৰকাৰ পৰা এখন চিঠি আহিল আৰু আমি ডি, চি, লৈ পঠালো, দৃষ্টিগোচৰ হোৱাৰ পিছত প্ৰি-এনকুৱাৰী এটা হৈছিল। এটা চৰকাৰৰ পিছত আন এটা চৰকাৰ আহি আছে, এইদৰে কামবোৰ পৰি আছে প্ৰেচিডেণ্ট বোল হোৱাৰ পিছত এইবোৰ তল পৰি গ'ল। যোৱা বছৰ এই কথা জনাই দিলিৰ ফাৰ্ম এখন আমালৈ চিঠি দিছিল আৰু আমি ডি, চি, লৈ পঠাই তদন্ত কৰিছিলো। তাৰ পৰা জানিব পাৰিলো, যে দুখন এনেকুৱা ফৰ্ম আহিছে- নমুনা হিচাবে। এখন চিনিয়ৰ অফিচাৰে জনাইছে যে এইটো ১৯৮০ চনতেই হেৰাইছিল। কিন্তু মই এতিয়া পুনৰ অনুসন্ধান কাৰণে পঠাইছো আগৰ চৰকাৰৰ দিনত এই বিষয়ে একো ব্যৱস্থা নললে। আমি লৈছো, গতিকে মোক ধন্যবাদহে দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মহন্ত ডাঙৰীয়া ই, এন, ই, ডেভেলপমেণ্ট বেংকৰ সম্পৰ্কত কৈছে যে এই বেংকৰ পৰা আমাৰ কোনো লাভ নহ'ব। কিন্তু এই বেংকৰ আন্দাৱত ৫ গ কোটি টকা দিছে আৰু ইয়াৰ পৰা কেৱল নৰ্থইষ্টৰ যুৱক সকলেই উপকৃত হ'ব। এই বেংকৰ জৰিয়তে যাতে অধিক যুৱ শক্তিক নিয়োগ কৰিব পাৰে, তাৰ কাৰণেই বিশেষ ভাবে দিয়া হৈছে। মাননীয় মহন্ত ডাঙৰীয়াই আৰু এটা কথা কৈছে যে এ, ফ, চি, আছেই। এই বেঙ্ক আমাৰ কি কামত আহিব? মই কওঁ, কিয় কামত নাহিব? এ, এফ, চিয়ে আগতে মাত্ৰ ৬০ লাখ টকা দিছিল, এতিয়া ডেৰ কোটি টকা লৈছে দিবপৰা ল'ন দিয়া হয়। (ভইচ ঃ ল'ন দিয়াই নাই) কিয় দিয়া নাই, দি আছে। আগতে কেপিটেল বম আছিল। কিন্তু আমি এতিয়া প্ৰত্যেক বাৰেই দি আহিছো। গতিকে ইয়াৰ পৰা বহুতো মানুহৰ উপকাৰ হৈ আছে। দুখীয়া লোক সকল বিশেষ ভাবে উপকৃত হৈছে। তাৰ পিছত মহন্ত ডাঙৰীয়াই দুখীয়া শিপিনী সকলৰ প্ৰসংগত কৈছে যে তেওঁলোকক কি দিয়া হ'ব? উত্তৰত কওঁ তেওঁলোকক হেজাৰ হেজাৰ তাঁত শাল দিয়া

হৈছে (ভইচ : লাখ লাখ বুলি কওক) ইতিমধ্যে চাব্‌চিডিদি দিয়া হৈছে। দিয়া নাই বুলি কলে নহ,ব। ইতিমধ্যে মই নিজে দিছো। এই ক্ষেত্রত ৩ কোটি টকা দিয়া হৈছে।

* শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, স্মল ইন্দাষ্ট্রিৰ কাৰণে ১০ কোটি টকা দিছিল, তাৰে ১ কোটি ৮০ লাখ টকা ঘুৰি আহিল। সেই খিনি আটা ময়দা মিলক দিয়া হৈছে। মাননীয় মন্ত্রী মহোদয়ে, এই ১০ কোটি এইবাৰ বিলিজ কৰিব নে ?

* শ্রীজীৱকান্ত গগৈ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, কৰিম, ২০ কোটি হলেও বিলিজ কৰিম। ১৯৯৪-৯৫ চনত ৩ কোটি ৩৫ লাখ টকা দিয়া হৈছিল। তাৰ পিছত ১ কোটি ৮৩ লাখ টকা দিয়া হ'ল। ইয়াৰ ভিতৰত ১৯৯৩ চনৰ ২ কোটি ৭৫ লাখ টকা স্মল ইন্দাষ্ট্রিক দিয়া হ'ল। তাৰ পিছত আকো ১ কোটি ৮০ লাখ টকা চাব্‌চিডি আহিল। এনেকৈ চাব্‌চিডি আহিয়েই থাকে। যিমানেই আহে আমি দিম। এতিয়া আহো, ইউনিভাৰচিটিৰ সম্পর্ক লৈ। এই ক্ষেত্রত যি কথা কোৱা হৈছে সেয়া সঁচা নহয়। আমি ওটা ইউনিভাৰচিটিক টকা দিয়েই আছো। আগতে ৬ কোটি টকাকৈ দিয়া হৈছিল। এতিয়া আমি দিছো, ১০ কোটি ২৫ লাখ টকা। ১৯৯১-৯২ চনৰ পৰা ৬ কোটি টকাকৈ দিয়া হৈ আহিছে। এইবাৰ প্লেনৰ টকা ৭ কোটি আৰু নন প্লেনৰ টকা ৩ কোটি আৰু ২৫ লাখ টকা দিয়া হৈছে। কৃষি বিশ্ববিদ্যালয়ে মাহিলী এশ ৫০ লাখ টকাকৈ পাই আহে। ডিব্রুগড় বিশ্ববিদ্যালয়েও মাহিলি ৪০ লাখ টকা পাই আছে। যোৱা বছৰ গুৱাহাটী ইউনিভাৰচিটিয়ে ৯৮.৭ লাখ টকা পাইছে। এই ক্ষেত্রত মই কব বিচাৰো যে ইউনিভাৰচিটিয়ে নিজেও কিছুমান উপার্জন কৰিব পাৰে। তেওঁলোকে ফিচাৰী আদি কৰিব পাৰে। তাৰ পৰা উৎপাদন কৰি উপার্জন বঢ়াৰ পাৰে।

শ্রীজীৱকান্ত গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মহন্ত ডাঙৰীয়াই সমর্থন কৰা বিষয়টো হৈছে ডাবোল পইণ্টৰ পৰা চিঙ্গল পইণ্ট কৰাৰ কাৰণে। এইটো কৰাৰ কাৰণে খুবেই ভাল হৈছে। বাহিৰৰ পৰা চিমেণ্ট আহিলে শতকৰা ১২ পইচা টেক্স কালেক্ট কৰি লাগে। এইটো কালেকচন কৰা নহয়। সেইকাৰণে বহুতখিনি টেক্স হেৰুৱাইছো। আমি শদিয়া বা মাৰ্ঘেৰিটাত

* Speech not corrected.

টেক্স কালেকচন উপযুক্ত নহয়। মটৰ পার্টচৰ কথা কৈছে। চিডুবেল ১৪ত ১০০টা মান আইটেম আছে। মটৰ পার্টচৰ বিষয়েও বাজেটত উল্লেখ কৰিছো। এইটোও চাগৈ ভালদৰে উপলব্ধি কৰিছো। মেঘালয়ৰ মটৰ পার্টচৰ কৰ শতকৰা ৪ ভাগ কিন্তু আমাৰ ইয়াত শতকৰা ১২ ভাগ অৰুণাচলত একেবাৰে টেক্স নাই। মাননীয় সদস্য শ্রী দিলীপ কুমাৰ শইকীয়াই মটৰ গাড়ীৰ কথা উল্লেখ কৰিছে। অৰুণাচলত এখন ট্রাক বা গাড়ী কিনিবলৈ হলে প্রায় ৩০ হেজাৰ টকা টেক্স বেহাই পাব লাগে।

* শ্রী দিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, সেইকাৰণে গাড়ীৰ তো খানাপাৰাৰ পৰা লওঁ।

শ্রী জীৱ কান্ত গগৈ (বিত্ত মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মেঘালয়, নাগালেণ্ড আদিত শতকৰা ৪ ভাগ কৰ লয় যেতিয়া আমাৰ অসমতো কৰ কমাব লাগে। আজি জাপানত ইমান উন্নতি কৰিছে কেনেকৈ ? জাপানৰ ব্যৱসায়ী সকলে ৫ পইচা লাভত হলেও কাম কৰে। অধিক টার্ণ অভাবৰ ওপৰতহে তেওঁলোকে গুৰুত্ব দিয়ে। এতিয়া মাননীয় সদস্য শ্রী অতুল ৰবাই উত্থাপন কৰা কথালৈ আহোঁ। এই বাজেট বহুতৰ জীৱনলৈ আশাৰ বেঙনি আহিছে। সুখ আনিছে আৰু লাহে লাহে সুখৰ মুখ দেখিবলৈ পাব। মাননীয় সদস্য নজমুল হকে স্থায়ী ৰাজধানী সম্পর্কে উত্থাপন কৰিয়াইছে। যোৱা বছৰ আমি বাজেটত ৫ কোটি টকা ধৰিছিলো আৰু এই বছৰ বাজেটত আমি ১৫ কোটি টকা ধৰিছো। মই ভাবো আপোনালোকৰ সহায় সহযোগিতা হলে এই টকাখিনি সৎ ব্যৱহাৰ কৰিব পৰা যাব। তেখেতে কৈছে যে স্থায়ী ৰাজধানীৰ নামত টেক্স লব লাগে। মই আগতে কৈছো যে জনসাধাৰণৰ আশা আকাঙ্খা আগত ৰাখি জনসাধাৰণক সবাহ দিবৰ কাৰণে আমি টেক্স লোৱা নাই। মাননীয়া সদস্যা শ্রীমতী ৰূপম বুৰ্মীয়ে কৈছে যে উদ্যোগী সকলক বেনিফিছাৰী মতে লাভ দিবলগীয়া হোৱাত তেখেতে মোক ধন্যবাদ জনাইছে। তেখেত সমগ্র অসমৰ মহিলা সকলৰ হৈ মোক ধন্যবাদ জনাইছে কাৰণ মহিলা সকলে ব্যৱহাৰ কৰা কুমকুম সেন্দুৰ আৰু বিন্দ্রিয়া আদিত কৰ বেহাই দিয়া হৈছে। মাননীয় সদস্য গৰাকীয়ে ১ লাখ মহিলাৰ প্রতিনিধি হিচাবে তেখেতে সদনৰ মজিয়াত মোক ধন্যবাদ জনাইছে।

* Speech not corrected.

সেইকাৰণে তেখেতক মই ধন্যবাদ দিছো।

চাহ বাগিচাৰ মজদুৰ সকলক পাৱাৰ টিলা দিবৰ কাৰণে অনুৰোধ জনাইছে। আমাৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই ঘোষণা কৰিছিল যে প্রত্যেক গাওঁ পঞ্চায়তক একোখনকৈ পাৱাৰ টিলা দিয়া হব। মই মোৰ সমষ্টি বাগানত পাৱাৰ টিলাও দিছো। For the welfare of the state.

Mr. Speaker : Is it the pleasure of the house to extend time to the Hon'ble finance Minister ?

Voice : Yes, yes house is extended.

